# প্ৰবন্ধৰ থাকৰিত



# ঐতিহাসিক পটভূমিত কাজলি চকী

লোকেন্দ্ৰ হাজৰিকা
লোক গৱেষক, মায়ং

অসমৰ ইতিহাসত কাজলি চকীৰ ভূমিকা অলেখ। এক কথাত কাজলি চকীৰ বিষয়ে আলোচনা নকৰিলে যেন অসমৰ ইতিহাসেই অসম্পূৰ্ণ হৈ ৰ'ব। গুৱাহাটী মহানগৰীৰ পূৱত আৰু মৰিগাঁও জিলাৰ একেবাৰে পশ্চিম প্ৰান্তত এফালে মহাবাহু ব্ৰহ্মপুত্ৰ আৰু আনফালে কলং কপিলী আৰু ডিগাৰুৰ সন্মিলিত ত্ৰিধৰা জলাৰাশিয়ে অৰ্দ্ধাকৃতিৰ জোনটিৰ আকাৰ লৈ পাহাৰ-পৰ্বতে আবৰি ৰখা ভূ-খণ্ডৰ নামেই হ'ল কাজলি চকী, য'ত এই ত্ৰিধৰা জলাৰাশিয়ে আশ্ৰয় লৈছেহি ত্ৰিবেণী সংগম হৈ মহাবাহুৰ বিশাল বুকুত। প্ৰাচীন মায়ং ৰাজ্যৰ সীমান্তত প্ৰহৰীৰ ভূমিকা পালন কৰি থকা কাজলিচকীৰ আছে বহু লিখিত-অলিখিত বৰ্ণিল ইতিহাস। এই কথাৰ স্বাক্ষৰ বহন কৰে ইয়াৰ চাৰিওফালে সিঁচৰতি হৈ থকা প্ৰত্নতাত্ত্বিক সমলসমূহে আৰু পৰম্পৰা গতিত চলি অহা লোক কথা সমূহ। লগতে সুদূৰ অতীতৰে পৰা পালন কৰি অহা থান-মোকাম, মঠ-মন্দিৰ আদিৰ অৱস্থিতিয়েও বহু কথা কয়।

কাজলি চকীত প্ৰাপ্ত প্ৰত্নতাত্ত্বিক সমল সমূহৰ ভিতৰত নৰসিংহ মন্দিৰৰ ভগ্নাৱশেষ (বৰ্তমান চন্দ্ৰপুৰ তাপ বিদ্যুৎ প্ৰকল্পৰ কাষত), কাজলি ঘাটত প্ৰাপ্ত অষ্টদল পদ্ম, গোবৰ্দ্ধনৰ শ্ৰী গনেশ মূৰ্ত্তি আদিয়ে প্ৰায় ৮ম-৯ম শতিকাৰ কথা মনত পেলাই দিয়ে। কিয়নো এই ভগ্নাৱশেষ সমূহৰ নিমাৰ্ণৰ কৌশল আৰু সময় প্ৰায় ৮ম-৯ম শতিকাৰ বুলি অনুমান কৰিব পাৰি। এই সমূহৰ অৱস্থিতিয়ে ৮ম-৯ম শতিকাত যে এই অঞ্চলত বৌদ্ধ তন্ত্ৰ আৰু শাক্ত তন্ত্ৰৰ বহুল প্ৰচাৰ আছিল সেই কথাকেই সূচায়। নৰসিংহ মন্দিৰৰ ভগ্নাৱশেষ সমূহৰ অৱস্থিতিয়ে প্ৰমাণ দাঙি ধৰিব বিচাৰে যে, ইয়াত সেই এটা প্ৰকাণ্ড মন্দিৰ আছিল। এই মন্দিৰত বিষ্ণুৰ অন্যতম অৱতাৰ নৰ সিংহদেৱৰ বহুল পূজা অৰ্চনা হৈছিল। কালক্ৰমত এই মন্দিৰটো কোনো কাৰণবশতঃ ধ্বংস প্ৰাপ্ত হয়। প্ৰবাদ মতে ঊনবিংশ শতিকাত চূণচালি, চন্দ্ৰপুৰ অঞ্চলত চাহপাতৰ খেতি কৰিবলৈ অহা এগৰাকী চাহ বাগিচাৰ মালিকে মন্দিৰৰ ভগ্নাৱশেষ সমূহ কলং পাৰ কৰি লৈ যায়। কিন্তু বৰ্ত্তমান যিঠাইত আছে সেই ঠাইখিনি পোৱাৰ পিছত কোনো অদৃশ্য শক্তিৰ প্ৰভাৱত আৰু লৰাব নোৱাৰা হৈ পৰাত উক্ত স্থানতেই স্থাপন কৰিবলৈ বাধ্য হৈ পৰিল। তাৰ কিছুদিনৰ পিচতে বাগিচাৰ গৰাকীজনৰ মৃত্যু হ'ল। স্থানীয় বৰ্ষীয়ান লোকৰ পৰা জানিব পৰা মতে উক্ত গৰাগীজনৰ গোটেই বংশটোৱেই নাশ হয়। এই ভগ্নাৱশেষ সমূহত সৰু সৰু গাঁত আছে আৰু তাত লোৰ টুকুৰা সোমাই আছে। এক শিলা খণ্ড উন্নত অশ্ব সদৃশ। এই সমূহ মন্দিৰৰ ভগ্নাৱশেষ তথা কোনো পাৰিষদৰ প্ৰতীক বুলি অনুমান কৰিব পৰা যায়।এই নৰসিংহ থানক লৈ স্থানীয় ৰাইজৰ মাজত বহু কিংবদন্তি আজিও প্ৰচলিত হৈ আছে। নৰসিংহ থানৰ কাষতেই (কলং,কপিলী আৰু ব্ৰহ্মপুত্ৰৰ সংগম স্থলিত) বিষ্ণু মন্দিৰ অৱস্থিত। এই বিষ্ণু মন্দিৰটো অৰ্বাচীন। স্থানীয় লোক সমাজৰ

পৰা পোৱা তথ্য অনুযায়ী আধ্যাত্মিক তথা অলৌকিক গুণ সমৃদ্ধ সাধু বাবা নামৰ সন্ন্যাসী এজনে এই মন্দিৰটো স্থাপন কৰিছিল। বৰ্তমানো স্থানীয় লোক সমাজে গভীৰ আস্থা আৰু প্ৰত্যয়েৰে ইয়াত নাম-প্ৰসংগ , বাৰ্ষিক এক নাম আদি পালন কৰি থকাটো লক্ষণীয় বিষয়।

কাজলিৰ নিকটবৰ্তী গোবৰ্দ্ধন পাহাৰৰ নামনিত শ্ৰীগনেশ মন্দিৰত থকা গনেশ মুৰ্তিটোৰ নিৰ্মাণৰ সময় আনুমানিক ৮ম-৯ম শতিকা। ইয়াত দ্বি-ভূজী গনেশ মুৰ্ত্তি (শিলৰ) আছে। বাৰ্ষিক সেৱা পূজা আজিও অব্যাহত। কাজলিৰ নিকটবৰ্তী ঘোঁৰামাৰা জান পাৰৰ লগত স্থানীয় লোকৰ বহু অলৌকিক বিশ্বাস জৰিত হৈ আছে। কাজলি চকী প্ৰাচীন কামৰূপৰ চাৰিপীঠৰ অন্যতম কামপীঠৰ অন্তৰ্গত। কালিকা- পুৰাণ, যোগিনী তন্ত্ৰ, হৰগৌৰী সংবাদ আদি কামৰূপত ৰচিত প্ৰাচীন কাব্য সমূহত এই সম্পৰ্কে উল্লেখ আছে। হৰগৌৰী সংবাদ কাব্যত কামপীঠ চাৰিসীমাৰ বিষয়েও উল্লেখ পোৱা যায়। কামাখ্যাপীঠৰ ১০০ যোজনকৈ চাৰিওফালে (পুব, পশ্চিম, উত্তৰ,, দক্ষিণ দিশে) কামাখ্যা পীঠ বিস্তৃত। মায়ং তথা মায়ঙৰ অন্তৰ্গত কাজলি মুখো প্ৰাচীন কামপীঠৰ অন্তৰ্গত। অসম বা প্ৰাচীন কামৰূপ আছিল তন্ত্ৰ-মন্ত্ৰৰ পৃষ্ঠভূমি। কামাখ্যাপীঠ (নীলাচল স্থিত) মূল কেন্দ্ৰ। ৮ম-৯ম শতিকাত কামৰূপৰ এই কামাখ্যা পীঠক কেন্দ্ৰ কৰিয়েই সবাতোকৈ অধিক তন্ত্ৰ-মন্ত্ৰ ৰচিত হৈছিল। এই সময়ত হিন্দু তন্ত্ৰ আৰু বৌদ্ধ তন্ত্ৰৰ সাধকসকলে কামাখ্যা পীঠলৈ তন্ত্ৰ সাধনাৰ অৰ্থে আগমন ঘটিছিল।তেওঁলোকে কামপীঠক কেন্দ্ৰ কৰি ইয়াৰ চাৰিওফালে সিঁচৰিত হৈ পৰিছিল সাধনাৰ বাবে উপযুক্ত আৰু গোপন ঠাই বিচাৰি। মায়ং আছিল এই সাধক সকলৰ বাবে অতি উপযুক্ত স্থান। সেয়ে সাধক সকলে, পাহাৰ-পৰ্বত, গুহা -গহ্বৰ আদিৰ দৰে একো একো টুকুৰা উপযুক্ত ঠাই নিৰ্বাচন কৰি লৈ তাতেই শিলাখণ্ড বা তেনে অন্য কোনো ঠাইত দেৱীৰ কোনো প্ৰতীক চিহ্ন অংকন কৰি লৈ মন্ত্ৰ শব্দৰ দ্বাৰা উক্ত প্ৰতীকত দেৱীৰ প্ৰাণ প্ৰতিষ্ঠ কৰি লৈ গভীৰ তন্ত্ৰ সাদনাত নিমগ্ন হৈ পৰিছিল। কালিকা পুৰাণতো উল্লেখ আছে " অন্যাত্ৰা বিৰলা দেৱী, কামৰূপে গৃহে গৃহে।" কামৰূপৰ সৰ্বস্থানতেই দেৱী বিদ্যমান। এই প্ৰতীক চিহ্ন সমূহ আছিল মুখ্যতঃ বৌদ্ধ তন্ত্ৰৰ লোক সকলৰ বাবে অষ্টদল পদ্ম, অষ্টভুজী চক্ৰ, কাছপ আদি আৰু হিন্দু তন্ত্ৰৰ সাধক সকলৰ ষড়শভূজী যন্ত্ৰ, ত্ৰিকোণ, বৃত্ত, অৰ্দ্ধ বৃত্ত, দেৱীৰ মূৰ্ত্তিস যোনিপীঠ শিৱ লিংগ আদি। প্ৰাচীন মায়ং ৰাজ্যৰ অন্তৰ্গত চনকাত থকা অষ্ট ভূজী যন্ত্ৰ, সূৰ্যচক্ৰ, নৰ সিংহ থানত থকা ভগ্নাৱশেষ আদিয়েও কাজলি মুখ যে এসময়ত হিন্দু তন্ত্ৰ আৰু বৌদ্ধ তন্ত্ৰৰ সাধনাৰ স্থান আছিল সেই কথাকেই সূচায়। একেদৰে কাজলিৰ নিকটবৰ্ত্তী তাঁতীমাৰা, হাতীশিলাত থকা অষ্টভূজী চক্ৰ আৰু এই লেখকৰ দ্বাৰা উদ্ধাৰ কৰা তীৰ্ব্বতীয় তান্ত্ৰিক লিপি আৰু চপাই দাঙত কা সূৰ্যৰ প্ৰতীক, যোনীকুণ্ড, অৰ্দ্ধবৃত্ত , বৃত্ত (এই লেখকৰ দ্বাৰা উদ্ধাৰ) আদিৰ অৱস্থিতিয়েও তন্ত্ৰ সাধনাৰ বহুল প্ৰচাৰৰ কথা সূচায়। চপাই দাঙত ময়ুৰৰ প্ৰতীক আৰু তান্ত্ৰিক লিপিৰো অৱস্থিতি পোৱা হৈছিল। গনেশ মূৰ্ত্তি সমূহেও তন্ত্ৰ সাধনাৰ কথাকেই সূচায়।

কাজলি চকী অসম বুৰঞ্জীৰ এক উল্লেখযোগ্য ঠিকনা। মোগলৰ সোঁতৰ বাৰ অসম আক্ৰমণৰ প্ৰায় তেৰ বাৰৰ লগতেই প্ৰত্যক্ষ ভাৱেই হওক নাইবা পৰোক্ষ ভাৱেই হওক কাজলি চকী জৰিত হৈ আছিল। অসমৰ দুৱাৰমুখ (Gate Way of Assam) গুৱাহাটী যেতিয়াই ৰণত পৰে তেতিয়াই কাজলি চকী হৈ পৰে অসমৰ দুৱাৰ স্বৰূপ। ইয়াক মোগলে বুলিছিল থানা আৰু আহোমে বুলিছিল চকী। নামনি অসমত আহোম স্বৰ্গদেউ চুচেংফা বা প্ৰতাপ সিংহই (১৬০৩-১৬৪০ খ্ৰীঃ) তিনিটা প্ৰধান স্থান নিৰ্বাচন কৰি লৈছিল আৰু উক্ত তিনি স্থানত তিনিটা চকীৰ স্থাপন কৰিছিল। সেই কেইটা হ'ল ৰহা জাগী আৰু কাজলী চকী। ৰহাৰ দায়িত্ব ৰহীয়াল বৰুৱাক ,জাগী চকী দায়িত্ব অৰ্পণ কৰিছিল জাগীয়াল গোহাঞিৰ ওপৰত। কাজলি চকী স্থাপন কৰিছিল ১৫২৭ শকত (১৬০৫ খ্ৰীঃ)। কাজলি চকীৰ গুৰুত্ব যেন আছিল সবাতোকৈ অধিক। কিয়নো, ওপৰত কৈ অহা হৈছে , গুৱাহাটী ৰণত পৰিলেই বাঁহবাৰী আৰু কাজলি চকীয়েই অসম ৰক্ষাৰ প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। কাৰণ কাজলি চকী ৰণত পৰিলেই শত্ৰুৰ পক্ষে গড়গাঁও পাবলৈ বেছি কঠিন নাছিল। মাজত কলিয়াবৰ আছে যদিও কলিয়াবৰৰ ভূমিকা আছিল দুৰ্বল। আকৌ ব্ৰহ্মপুত্ৰৰে এফালে যেনেকৈ মোগলৰ আক্ৰমণৰ প্ৰতি আশংকা থাকে তাৰ বিপৰীতে উত্তৰে দৰঙৰ কোচ সকলৰ প্ৰতিও ভয়ৰ কাৰণ নোহোৱা নহয়।তাৰ বাহিৰেও জয়ন্তীয়া, পাণবাৰী, মায়ং , ডিম্বৰুৱা , গোভা, ৰাণী আদি দাঁতিঅলীয়া ৰাজ্য সমূহৰ পৰাও কোনো কাৰণত বিদ্ৰোহ হোৱাৰ সম্ভাৱনাৰ প্ৰতিও সদা সতৰ্ক হৈ থাকিব লগাত পৰে। সেয়ে হয়তু কাজলি চকীৰ এই গুৰুত্ব উপলব্ধি কৰিয়েই স্বৰ্গদেউ চুচেংফা বা প্ৰতাপ সিংহই দুজনকৈ কাজলিখোৱা গোহাঞিৰ ওপৰত কাজলি চকীৰ দায়িত্ব অপণ





কৰিছিল । তেওঁলোকৰ এজন আছিল বৰগোহাঞিৰ পক্ষৰ আৰু আনজন আছিল বুঢ়াগোহাঞিৰ পক্ষৰ। তেঁওলোকক ১০০ পাইকো দিয়া হৈছিল।

স্বৰ্গদেউ প্ৰতাপ সিংহই কাজলি চকীৰ নিকটৱৰ্তী হাতীবগৰাত (অন্য নাম শগুণপৰী) মায়ং পাহাৰৰ ওপৰত ব্ৰহ্মপুত্ৰৰ নিচেই কাষতে প্ৰায় ২০০-১৫০ জন সৈন্য থাকিব পৰাকৈ এটা গোপন চাউনী নিৰ্মাণ কৰাই দিছিল। এই গুহা সদৃশ গোপাল চাউনীটো মায়ং পাহাৰৰ নাতি উচ্চতাত, ব্ৰহ্মপুত্ৰৰ পাৰত এনে ঠাই নিৰ্মাণ কৰা হৈছিল, যি স্থানৰ পৰা ব্ৰহ্মপুত্ৰৰে হ'ব পৰা মোগল বা কোচ সাম্ৰাজ্যৰ আক্ৰমণৰ সদাসতৰ্ক দৃষ্টি ৰাখিব পাৰে। তাৰোপৰি এই গোপন সেনাছাউনীটোৰ পৰা ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে একেবাৰে ত্ৰিবেণী সংগম (কলং কপিলী-ব্ৰহ্মপুত্ৰ সংগমস্থল) পৰ্যন্ত, বিষ্ণু পাহাৰলৈকে এটা গড় নিৰ্মাণ কৰাই দিছিল।বিষ্ণু পাহাৰ আছিল মুখ্য স্থান য'ত অস্ত্ৰ ভাণ্ডাৰ গোপনে ৰখা হৈছিল আৰু তাৰ পৰা শত্ৰুক সহজে বাধা দিব পাৰিছিল। একেদৰে কলঙৰ দক্ষিণ পাৰেও ত্ৰিবেণী মংগল স্থলৰ পৰা ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে তাঁতিমাৰালৈকে এটা গড় নিৰ্মাণ কৰাই দিছিল। এই গড় কেইটাই ব্ৰহ্মপুত্ৰৰ পৰা হোৱা আক্ৰমণক বাধা দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

কাজলি চকী প্ৰধানতঃ এটা দুৰ্গ আছিল। সেয়ে ইয়াক আক্ৰমণ কৰিবলৈ শত্ৰু পক্ষৰ চোকা দৃষ্টি আছিল। কিয়নো কাজলি দুৰ্গ অধিকাৰ কৰিব পৰা মানে গোটেই নামনি অসমেই হস্তগত কৰিব পৰা হয়। গতিকে আহোম স্বৰ্গদেউসকলে কাজলি চকীক এযা দুৰ্ভেদ্য দুৰ্গ ৰূপে যে গঠন কৰিছিল তাৰ স্বাধৰ বহন কৰে কাজলিৰ চাৰিওফালে থাক সৰু বৰ গড় আৰু খাঁৱৈ সমূহৰ অৱস্থিতিয়ে। এই গড় সমূহত আকৌ কাঁইটীয়া বাঁহ ৰুই দিছিল যাতে শত্ৰুৱে কেনেবাকৈ খাৱৈ পাৰ হৈ আহিব পাৰিলেও কাঁইটীয়া বাঁহ সমূহে বাধা দিব পাৰে। কিন্তু চৰকাৰৰ পুৰতত্ব বিভাগৰ অনমনোযোগিতা আৰু অদূৰদৰ্শিতাৰ পৰিপ্ৰেক্ষিতত এই গড় আৰু খাৱৈৰ দৰে আপুৰুগীয়া প্ৰত্নতাত্বিক সম্পদ সমূহ আজি আজি ধ্বংসৰ গৰাহত নিঃশেষ প্ৰায়। যোৱা ২০০৯ চনত এই লেখকে ড০ উৎপল নাথক লগত লৈ স্থানীয় এটা স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত "মায়ং গ্ৰাম্য সংগ্ৰাহলয় আৰু গৱেষণা কেন্দ্ৰ ৰ (এই সংগ্ৰাহলয়ৰ জন্মদাতা লোকেন্দ্ৰ হাজৰিকা ন ন

পূবে উল্লেখ কৰা অনুযায়ী আহোমসকল অহাৰ পৰ্বে উজনিৰ পৰা নামনিলৈ কছাৰিসকলে ৰাজত্ব কৰিছিল। কাজলিৰ পশ্চিমাঞ্চলত আছিল কোচৰজাৰ অধীনত। ইয়াৰ পূব-দক্ষিণে কামৰূপৰ বজ্জ (১৮) ৰাজ্যৰ অন্যতম শ্ৰেষ্ঠ ৰাজ্য ডিমৰুৱা। ডিমৰুৱা দাঁতিঅলীয়া ৰাজ্য। ইয়াৰ লগতে চাৰি মিত্ৰ দাতিআলীয়া ৰাজ্য খণ্ড হ'ল — গোভা, খলা, বেলতলা, কুমৈৰাজ্য। ডিমৰুৱাত আদিতে কছাৰী ৰজা আছিল যদিও পিছলৈ কাৰ্বি ৰজা হয়। গোভা আৰু খলা তিৱা ৰজাই ৰাজত্ব কৰিছিল ডিমৰুৱাক ৰজ্জ (১৮) ৰাজ্যৰ ভিতৰতে শ্ৰেষ্ঠ ৰজাৰূপে মৰ্যাদা প্ৰদান কৰি থৈ গৈছে কোচৰজা মহাৰাজ নৰনাৰায়ণৰ ভাতৃ চিলাৰায় দেৱান। তেওঁ ১৬৬৩ খ্ৰীঃ (১৪৮৫ শক)ত শ্ৰীহট্ট, ত্ৰিপুৰা, কাছাৰ, গাৰো, জয়ন্তীয়া, ডিমৰুৱা আদি ৰাজ্য খণ্ড জয় কৰি সাতদুৱাৰত (নাৰেংগী) বাহৰ পাতি এই ৰাজ্যবোৰৰ পৰা কৰভাৰ লৈছিল। ১৫৬৮ খ্ৰীঃত (১৪৯০ শক) আহোম স্বৰ্গদেৱ চুকাম্‌ফাৰ লগত মহাৰাজ নৰনাৰায়ণে নিজৰ ৰাজ্যখণ্ডক দুটা ভাগত বিভক্ত কৰি সোণকোষৰ পৰা পূবৰ খণ্ডটো চিলাৰায় দেৱানৰ পুত্ৰ ৰঘুদেৱক শাসন কৰিবলৈ এৰি দিয়ে। দৰং, কামৰূপ, গোৱালপাৰা, গাৰো পাহাৰ আৰু মৈমনসিং জিলাৰ একাংশকলৈ ৰঘুদেৱৰ নতুন ৰাজ্য খণ্ড গঠিত হয়। ১৫৮৭ খীঃ ত (১৫০৯ শক) মহাৰাজ নৰনাৰায়ণৰ মৃত্যু হোৱাত তেওঁৰ পুত্ৰ লক্ষ্মীনাৰায়ণ কোচ সাম্ৰাজ্যৰ অধিপতি হয়। কিন্তু ৰঘুনাৰায়ণে লক্ষ্মীনাৰায়ণৰ একচ্ছত্ৰিতা মানি ল'বলৈ অস্বীকাৰ কৰে। ১৬০৩ খ্ৰীঃত (১৫২৫ শক) ত ৰঘুদেৱৰ পলোক হোৱাত পুতেক পৰীক্ষিত নাৰায়ণ কোচ হাজোৰ ৰাজপাট গ্ৰহণ কৰে। পৰীক্ষিত নাৰায়ণে লক্ষ্মীনাৰায়ণৰ একচ্ছত্ৰিতাক প্ৰকাশ্যে অস্বীকাৰ কৰে। উপাই নাপাই লক্ষ্মীনাৰায়ণ মোগল ফৌজদাৰ মুকৰম খাঁৰ সামৰিক সাহায্য প্ৰাৰ্থনা কৰিলে। মোগলৰ সহায়ত তেওঁ কোচহাজো অধিকাৰ কৰিলে। পৰীক্ষিতক বন্দী কৰি জাহাংগীৰৰ ওচৰলৈ পঠিয়াই দিলে। জাহাংগীৰে দুয়ো ভায়েকৰ মাজত মিত-মাত কৰি পঠিয়াই দিলে। কিন্তু উভতি অহাৰ বাটত এলাহবাদত পৰীক্ষিত নাৰায়ণৰ মৃত্যু হয়। পৰীক্ষিত নাৰায়ণৰ ভাতৃ বলীনাৰায়ণে ১৬১৫ খ্ৰীঃত গড়গাঁৱলৈ পলাই গৈ আহোম স্বৰ্গদেৱ প্ৰতাপসিংহৰ শৰণাপন্ন হয়। বলি নাৰায়ণৰ সাহায্যাৰ্থে প্ৰতাপ সিংহদেৱে মোগলৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। এই যুদ্ধ এৰা-ধৰাকৈ ১৬১৬ খ্ৰীঃত (১৫৪৮ শক) ৰ পৰা ১৬৩৯ খ্ৰীঃ (১৫৭১ শক) পৰ্যন্ত প্ৰায় ২৩ বছৰকাল চলিছিল। অৱশেষত মোগল আৰু আহোমৰ মাজত সন্ধি হয়। এই সন্ধিৰ স্বতানুসৰি

ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে বৰুনদী আৰু দক্ষিণে অসুৰৰ আলি (ৰাজগড়) মোগল আৰু আহোমৰ সীমা নিৰ্দ্ধাৰণ হয়। তেতিয়া প্ৰতাপসিংহ স্বৰ্গদেৱে বালীনাৰায়ণক ধৰ্মনাৰায়ণ নাম দি দৰঙত কৰতলীয়া ৰজা পাতে। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে বৰনদীৰ পৰা পূবে ভৰলী আৰু দক্ষিণপাৰে নগাঁওৰৰ সাতোৰজা, পাচোৰজাসকল আৰু মায়ং, খিং, ডিমৰুৱা, গোভা আদি কলঙৰ পশ্চিমাঞ্চলত থকা হাঁতিঅলীয়া ৰাজ্যখণ্ড সমুহো তেওঁক শাসন কৰিবলৈ দিলে।

মিৰজুমলাৰ অসম আক্ৰমণৰ পিছত ঘিলাধাৰীৰ ঘাটত ১৬৬৩ খ্ৰীঃত (১৫৮৫ শক) ত আহোম আৰু মোগলৰ মাজত এখন চুক্তি সম্পাদিত হয়। এই চুক্তি অনুসৰি উত্তৰে দৰং ৰাজ্যখণ্ডকে ধৰি ভৰলীৰ পশ্চিমৰ সমগ্ৰ অঞ্চল (চাৰি দুৱাৰ পৰ্যন্ত) আৰু দক্ষিণপাৰে ডিমৰুৱা, বেলতলা, নাককাটি, ৰাণী ৰাজ্য সমন্বিতে কলঙৰ পশ্চিমৰ সমস্ত ৰাজ্যক্ষেত্ৰ স্বৰ্গদেউ জয়ধ্বজ সিংহইবা চুতম্লহিখ্ৰীঃ ১৬৪৮-১৬৬৩ মোগলক সমৰ্পন কৰে। জয়ধ্বজ সিংহৰ মৃত্যুৰ পিছত চ্য পুং ম্যুং বা চক্ৰধ্বজ সিংহই(১৬৬৩-১৬৬৯ খ্ৰীঃ) অসমৰ ৰাজপাটত বহে। ৰাজপাটত অধিষ্ঠিত হৈয়েই চক্ৰধ্বজ সিংহই কামৰূপ মোগলৰ হাতৰ পৰা উদ্ধাৰ কৰাৰ মানস কৰে। তেওঁ লাচিত বৰুৱাক বৰফুকন বাব দি অহোমৰ এটা শকত সৈন্যদল লগত দি কামৰূপ দখল কৰিবলৈ পঠায় দিলে। লাচিত বৰফুকনে প্ৰথম যুদ্ধতেই উত্তৰে বাঁহবাৰী দখল কৰি দক্ষিণে কাজলিমুখ মোগলৰ হাতৰ পৰা উদ্ধাৰ কৰে। বাঁহবাৰীত থকা মোগলৰ দুৰ্গ অহোমৰ হাতলৈ আহিল। ১৬৬৭ খ্ৰীঃৰ আগষ্ট মাহত লাচিত বৰফুকনে গুৱাহাটী উদ্ধাৰ কৰিবলৈ যুদ্ধযাত্ৰা কৰিলে। বাঁহবাৰীৰ পিছত কাজলি চকীও উদ্ধা ৰ কৰি তাতেই আহোমৰ প্ৰধান চাউনী স্থাপন কৰে। কাজলি আৰু লতাশিলত গড় মাৰি লাচিত বৰফুকন নেতৃত্বাধীন আহোম সৈন্যদল গুৱাহাটী অভিমুখে যাত্ৰা কৰে। দুমাহ অৱৰোধ কৰি ৰখাৰ পিচত গুৱাহাটী আৰু পাণ্ডুত মোগলৰ হাতৰ পৰা আহোমৰ অধিকাৰলৈ যায়। এই যুদ্ধত বহু সৈন্য বন্দী হ'ল, বন্দুক কামানকে আদি কৰি বহু পৰিমাণৰ যুদ্ধৰ সঁজুলি আহোম সেনাই কাঢ়ি ল'লে।

পুনৰ নৱেম্বৰ মাহৰ পহিলা ভগত চৈয়দ চানা আৰু চৈয়দ ফিৰোজৰ অধীনত কিছু যুদ্ধ জাহাজেৰে সৈতে এটা শকত মোগল ফৌজ অসম পায়হি। এই যুঁদ্ধতো মোগলৰ পৰাজয় হয়। চৈয়দ চানা আৰু চৈয়দ ফিৰোজক বন্দী কৰি গড়গাঁৱলৈ পঠিয়াই দিলে বহু সৈন্য বধ কৰিলে। মোগলসকলক মানাহলৈকে হঁহাকাই পঠিয়ালে। উত্তৰ গুৱাহাটীৰ মণিকৰ্ণেশ্বৰৰ ওপৰত থকা কানাই বৰশী শিলত ১৬৬৭ খ্ৰীঃত খুদিত থকা মতে আহোমসকলে তাত এটা দুৰ্গ সাজিছিল চৈয়দ চানা আৰু ফিৰোজৰমৃত্যুৰ পিছত। একেদৰে শিলঘাটত থকা এটা কামানৰ গাতো সংস্কৃতত খোদিত কৰা আছে যে- ১৬৬৭ খ্ৰীঃত চক্ৰধ্বজ সিংহই মুছলমানসকলক পৰাস্ত কৰি অস্ত্ৰ পাইছিল। শত্ৰু নিধনকাৰী বুলি ইয়েই তেওঁৰ গৌৰৱ ঘোষণা কৰে।

মোগলৰ এই পৰাজয়ৰ বাৰ্তা ১৬৬৭ খ্ৰীঃত ডিচেম্বৰ মাহত যেতিয়া ঔৰংগজেৱে পায়, তেতিয়া তেওঁ ততালিকে অম্বৰাধিপতি ৰামসিংহক সেনাপতি পাতি বিশাল সৈন্য বাহিনী দি অসম আক্ৰমণ কৰিবলৈ পঠিয়ালে। বংগদেশৰ পৰাও নতুন এটা সৈন্যদলে এই সৈন্যবাহিনীৰ লগত যোগদান কৰিলে। পূৰ্বৰ গুৱাহাটীৰ থানাদাৰ ৰছিদ খাও ৰাম সিংহৰ লগত আহিছিল। মোগলৰ এই দলটোত আছিল ১৮ হেজাৰ অশ্বাৰোহী, ৩০ হাজাৰ পদাতিক, কোচবিহাৰৰ পৰা অহা ১৫ হাজাৰ কাড়ী। ৩০ খন মান যুদ্ধ জাহাজেৰে ৰামসিংহৰ নৌবাহিনীটো আছিল দুৰ্বল। কিন্তু স্বৰ্গদেৱৰ আজ্ঞা পাই ইচ্ছাৰ বিপৰীতে আলাবৈত মোগলৰ সৈতে আহোম সেনাই ৰণ কৰিলেগৈ। শক্তিশালী ৰাজপুত সৈন্যদলৰ লগত বিনাগড়ে যুঁজি আহোম সৈন্যই তিকিব নোৱাৰি পিচ হুঁহকি আহিবলৈ বাধ্য হয় ১৬৬৯ খ্ৰীঃৰ আগষ্ট মাহত। এই ৰণত আহোমৰ বিস্তৰ ক্ষতি হয়। প্ৰায় ১০ হাজাৰ অসমীয়া সেনা ৰণত পৰিল। ৰণত হাৰি হুঁহকি অহাৰ সময়ত ব্ৰহ্মপুত্ৰৰে উজাই আহি কাজলি গড়ত উপস্থিত হয়হি। আৰু আতন বুঢ়াগোহাঞিয়ে শৰাইঘাটত মোগলক ভেটিবলৈ ঠিৰাং কৰিলে। তেওঁলোকে কাজলি পাহাৰৰ চূড়াত বহিয়েই মোগল 'লখিব' (লকাক্ষ্য কৰিব) নোৱাৰাকৈ শৰাইঘাটৰ ৰণকৌশল ৰচনা কৰিছিল। ইতিমধ্যে চক্ৰধ্বজ সিংহৰ মৃত্যু হোৱাত চ্যুন্যাংফা কা উদ য়াদিত্য সিংহ (১৬৭০-১৬৭৩ খ্ৰীঃ) ই অসমৰ ৰাজপাটত অধিষ্ঠিত হৈ মোগলৰ হাতৰ পৰা সমগ্ৰ অসমখনকেই অধিকাৰ কৰিবলৈ স্থিৰ কৰি আতন বুঢ়াগোহাঞি আৰু লাচিত বৰফুকনলৈ বাৰ্তা পঠিয়ালে। বুঢ়াগোহাঞি আৰু বৰফুকনে কাজলি পাহাৰৰ চূড়াত বহিয়েই (সম্ভৱ মায়ং পাহাৰৰ ওপৰত থকা এই গোপন সেনা চাউনী বা গুহাৰ ওপৰত) গুৱাহাটী দখলৰ বিষদ ৰণকৌশল ৰচনা কৰে। এই কৌশল অনুযায়ী মূল সৈন্য দলটোক দুটা ভাগত বিভক্ত কৰি এটা দল লাচিত বৰফুকন আৰু পেলন চাৰিঙীয়া ফুকনৰ





নেতৃত্বত স্থলপথেদি আগুৱাই আহি প্ৰথমে সোনাপুৰ পাব। তাৰ পৰা তাঁতিমৰালৈ আহিব। তাঁতিমৰাৰ পৰা জয়দুৱাৰ (নুনমাটি) পাব। জয়দুৱাৰৰ পৰা শৰণীয়া পাই শৰণীয়াৰ পৰা বাওকোনেদি গৈ লতাশিল পাব। দ্বিতীয়টো ফৌজ দিহিঙীয়া পানীফুকনৰ নেতৃত্বত ব্ৰহ্মপুত্ৰৰে ভটিয়াই আহি লতাশিল পাব। তাতে একে দিনাই একে সময়তে প্ৰথমটো সৈন্য দলৰ লগত লগ লাগিব। এই কাৰ্য (মাত্ৰা কাল) ইমানেই গোপনীয় আছিল যাতে শত্ৰু পক্ষই কোনো কাৰণতেই গম পাব নোৱাৰে। তাৰ পৰাই শুক্ৰেশ্বৰত থকা মোগলৰ কোঠাত নাৱে-তৰে অৰ্থাৎ স্থল আৰু জলেৰে গৈ অতৰ্কিতে আক্ৰমণ কৰিব। তেনেকৈয়ে ১৬৬৬ খ্ৰীঃত গুৱাহাটী মোগলৰ হাতৰ পৰা আহোমৰ হাতলৈ যায়। এই যুদ্ধত গোভা, খলা, বেলতলা, কুমৈ আদি ৰাজ্যৰ ৰজাসকলেও সৈন্য সামন্তৰে আহোম সৈন্যদলক সহায় কৰিছিল। মায়ং, ডিমৰুৱা আৰু পানবাৰী ৰজাই প্ৰচুৰ সৈন্য পঠাই দিছিল এইজনা স্বৰ্গদেৱৰ ৰাজত্বৰ কাল আছিল ৭ বছৰ। তেওঁৰ ৰাজত্ব কালছোৱাতেই পাতকলং,কাজলিচকী, ফুলুংগড় ( মোমাই কটা গড়), হাদিৰাচকীত কোঠ আৰু গড় মৰাইছিল। শৰাইঘাটৰ যুদ্ধৰ পিচতেই স্বৰ্গদেৱে লাচিত বৰফুকনক ১৬৭১ খ্ৰীঃত গুৱাহাটীৰ বৰফুকন পাতে যদিও ১৬৭২ খ্ৰীঃত তেওঁৰ পৰলোক ঘটে।

লাচিত বৰফুকনৰ মৃত্যু ঘটাৰ পিচত তেওঁৰ ভায়েক লালুক সোলাক বৰফুকন পতা হয়। সিফালে গড়গাঁৱত ৰাজনৈতিক অস্থিৰতাৰ সূচনা হয়। ক্ষমতাৰ যুঁজত বলিয়ান হৈ নিজৰ ভিতৰতেই খোৱা-কামোৰা লাগে। বাঁহগড়ীয়া বুঢ়াগোহাঞিয়ে সকলো ক্ষমতা কৌশলেৰে নিজৰ হাতলৈ নি নিজ ইচ্ছানুযায়ী ৰজা, ডাঙৰীয়াক ভঙা-পতা কৰিবলৈ ধৰিলে। ইফালে শৰাইঘাটৰ ৰণত সুনাম অৰ্জন কৰা সেনা বিষয়াসকলৰ মনত ঈৰ্ষা আৰু অসন্তুষ্টিয়ে দেখা দিবলৈ ধৰিলে। বাঁহগড়ীয়া বুঢ়াগোহাঞিৰ স্বেচ্ছাচাৰিতা যিমানে বাঢ়িবলৈ ধৰিলে সিমানে লালুকসোলা বৰফুকনে নিজৰ ভৱিষ্যতক লৈ শংকিত হ'বলৈ ধৰিলে। সেয়ে অতি গোপনে ঢাকালৈ গৈ নবাব মনচুৰ খাঁৰ সহায় ভিক্ষা কৰিলেগৈ। ফলত ১৬৬৯ খ্ৰীঃৰ মাৰ্চ মাহত মনচুৰ খাঁই বিনাযুদ্ধে গুৱাহাটী এৰি কলিয়াবৰ পালেগৈ। ইয়াৰ ফলত গুৱাহাটী পুনৰ মোগলৰ হাতলৈ গ'ল। একেদৰে গুৱাহাটীৰ লগতে কাজলি চকীও মোগলৰ হস্তগত হ'ল। ইতিমধ্যে হুচেইন এদল সৈন্য সহ লালুক সোলাৰ লগ লাগিলহি। তাৰ পিছত লালুক খোলা বৰফুকনে বুঢ়াগোহাঞিক বধ কৰি নিজৰ জীয়েকক চুলিকফা ওৰফে ল'ৰাৰজালৈ বিয় দিয়ে আৰু ১৬৭৯ খ্ৰীঃত চুলিকফাক আহোম সাম্ৰাজ্যৰ ৰাজপটত অধিষ্ঠিত কৰায়। কিন্তু চুলিকফা নামতহে ৰজা হৈ আছিল। ৰাজ্যৰ সকলো কাম-কাজ পৰিচালনা কৰিবলৈ ধৰিলে লালুক সোলাৰ নিৰ্দেশ মতে। লালুক সোলা বৰফুকন হৈ পৰিল অসমৰ উঠিৰজা বহিৰজা স্বৰূপ। ভৱিষ্যতৰ সিংহাসনৰ কন্টক আঁতৰাবলৈ আহোমৰ পৰম্পৰা মতে ৰজা হ'ব পৰা ফৈদ কেইটাৰ কোঁৱৰ সকলক ধৰি নি অংগক্ষত কৰিবলৈ ধৰিলে যাতে তেওঁলোকে কোনো কাৰণতে ভৱিষ্যতে ৰজা হ'ব নোৱাৰে। তাকে দেখি তুংখুঙীয়া ফৈদৰ গদাপানিক পত্নী জয়মতীয়ে পলুৱাই পঠালে। লালুক সোলাই গদাপানিক বিচাৰি নাপাই জয়মতীক ধৰায় আনি শাস্তি দি মৰালে। লালুকসোলা বৰফুকনৰ অত্যাচাৰ ইমানে বাঢ়িল যে, প্ৰজাসাধাৰণ এই ক্ষেত্ৰত অতিষ্ঠ হৈ পৰিল। তেতিয়া ভোটাই শইকীয়াৰ নেতৃত্বত মাধৰাম তামুলী আৰু আঘোনা কছাৰীয়ে গোপনে লালুক সোলাক বধিবলৈ পৰিকল্পনা ৰচনা কৰিলে। ইতিমধ্যে লালুক সোলাই কলঙৰে জানী চকীলৈ যোৱাৰ পথত ভোটাই শইকীয়া, মাধৰাম তামুলী আৰু আঘোনা কছাৰী এই তিনিও গুপ্তঘাতকে মিলি কাজলি মুখত লালুক সোলাক বধ কৰিলে। তেতিয়া বদন চন্দ্ৰ বৰফুকন প্ৰমুখ্য কেইজনমান ডাঙৰীয়া লগ হৈ ১৬৮১ খ্ৰীঃত কলিয়াবৰত অভিষেক পাতি গদাপানিক আহোমৰ স্বৰ্গদেৱ পাতিলে। গদাপানিয়ে গদাধৰ সিংহ নামলৈ ৰাজপাটত অধিষ্ঠিত হ'ল আৰু ৰাজ্য শাসনৰ দায়িত্ব মূৰ পাতি ল'লে। ৰাজপাট দখল কৰিয়েই তেওঁ গুৱাহাটী দখলৰ বাবে অভিযান আৰম্ভ কৰিলে। তেওঁ লাভী বুঢ়াগোহাঞি, সকাক গোহাঞি আৰু দিহিঙীয়া আলং বৰবৰুৱাৰ নেতৃত্বত এটা শকত সৈন্যদল পঠিয়াই দিলে। এই অভিযানত দিহিঙীয়া আলুং বৰবৰুৱাই পূৰ্বসূৰী লাচিত বৰফুকনৰ ৰণকৌশলক অনুসৰণ কৰি প্ৰথমতে বাঁহবাৰী আৰু কাজলি মুখত থকা মোগলৰ চাউনী দুটা অধিকাৰ কৰি লৈ গুৱাহাটী দখলৰ অভিযান চলালে। একে কৌশলেৰেই শুক্ৰেশ্বৰত থকা কিল্লাটোও মোগলৰ হাতৰ পৰা আহোমে অধিকাৰ কৰি ল'লে ১৬৮৩ খ্ৰীঃত। মোগল সেনাপতি মনচুৰ খাঁ হুহকি যাবলৈ বাধ্য হয়। তেতিয়া আহোম সেনাই সেই সুবিধাতে মোগলক খেদি নি মানাহ পোৱালেগৈ আৰু মানাহতেই অসম ৰাজ্যৰ পশ্চিম সীমা নিৰ্দ্ধাৰণ কৰি গোটেই কামৰূপ

ৰাজ্যখন আহোম সাম্ৰাজ্যৰ অধীন কৰি ল'লে।

এবাৰ আহোমসকলে কাজলি কোঠ মোগলৰ হাতৰ পৰা উদ্ধাৰ কৰি তাত পাঁচজন চৰ্দাৰক বধ কৰিছিল। আকৌ আন এবাৰ স্বৰ্গদেৱে কাজলিত ধৰিবলৈ তিনিজনা ডাঙৰীয়াক আদেশ দিলে। কিন্তু এই আদেশ জাৰি হোৱাৰ পিছত উক্ত ডাঙৰীয়া তিনিজনে কাজলি গৈ পোৱাৰ পূৰ্বে হৰি ডেকা আৰু ডিমৰুৱাৰ ৰজাই কাজলিমুখত মোগল বাহিনীক আক্ৰমণ কৰি খেদি পঠিয়াই কাজলিমুখ অধিকাৰ কৰে। কিন্তু ডাঙৰীয়া কেইগৰাকীয়ে স্বৰ্গদেৱলৈ মিছা বাতৰি দি কলিয়াবৰলৈ হুহকি গ'ল। তেনেতে কাজলিমুখত আহোম সন্যাই (৯) ন দিন যুঁজি জয়লাভ কৰিলে। এই বাতৰি পাই ডাঙৰীয়াসকলে কলঙেৰে ভটিয়াই গৈ জাগী পায়হি। জাগী আছিল মধ্য অসমৰ অন্যতম চকী।

ঐতিহাসিক কাজলি চকীৰ পৰা আহোম সৈন্যই শত্ৰু পক্ষৰ আক্ৰমণ প্ৰতিহত কৰাৰ সুযোগ লৈছিল। হৃষীকেশ নামৰ এজন খাজনা তোলা বিষয়াই খাজনা আদায় নকৰি পলাই আহি আহোম ৰাজ্যত আশ্ৰয় লয়হি। তাতে ক্ষুণ্ণ হৈ ১৬৩৫ খ্ৰীঃত মোগলে আহোমৰ লগত যুদ্ধ কৰে। এই যুদ্ধত আহোমৰ হাতত মোগলসকল পৰাজিত হয়। হৃষীকেশক ধৰিবৰ কাৰণে বঙ্গদেশৰ সৈন্যদল বৰলীয়া নৈৰ পাৰ পৰ্যন্ত আগবাঢ়ি আহে। তেতিয়া বৰফুকনে শত্ৰুক বাধা দিবলৈ কলচু সন্দিকৈক পঠায়। কলচু সন্দিকৈ, লাচাম হৰি ডেকা আৰু শেখ্ কমলে প্ৰাণপনে মোগলৰ লগত ৰণ কৰে। তেওঁলোকে খুন্দহ আৰু চমৰীয়া দুৰ্গ অধিকাৰ কৰে। যুঁজত শেখ্ কমলৰ মৃত্যু হয়। এই ৰণত জয়লাভ কৰি আহোমসকলে কাজলিমুখলৈ উভতি আহে। বঙ্গদেশৰ সৈন্যদলে পুনৰ লুইতৰ বিপৰীত পাৰত দেখা দি গুৱাহাটী দখলৰ পৰিকল্পনা কৰিলে। তেতিয়া আহোম সৈন্যই ইয়াৰ সম্ভেদ পাই নৈ পাৰ হৈ খেদি গ'ল। আহোম সৈন্য যোৱা দেখি বঙ্গদেশৰ সৈন্যদলটো পলাই গ'ল। এই ৰণত আহোমসকলে মোগলৰ হাতৰ পৰা ৩২ খন যুঁজাৰু নাও, অধিকাৰ কৰিলে। ১৬৩৬ খ্ৰীঃৰ ভাদ মাহৰ ২০ দিনৰ দিনা আহোমসকলে কাজলিমুখলৈ উভতি আহে। তাৰ পিছতো পাণ্ডু শৰাইঘাট, আগিয়াথুৰী, কাজলি পুনৰ মোগলৰ হাতলৈ যায়। ডিমৰুৱাৰ ৰজাই হৰিডেকাৰে সৈতে কাজলি উদ্ধাৰ কৰে যদিও অৱশেষত পৰাস্ত হ'বলগীয়া হয়।

এনেদৰেই গুৱাহাটী আৰু কাজলিচকী কেতিয়াবা মোগলৰ আৰু কেতিয়াবা আহোমৰ দখলত থাকে। মনচুৰ খাঁ অপসাৰিত হোৱাৰ পিছত মনাহকে পশ্চিম সীমা কৰি কামৰূপ আহোম ৰাজ্যৰ অন্তৰ্গত হৈ পৰে। গুৱাহাটী তথা কামৰূপত পুনৰ বৰফুকনৰ আমোল প্ৰৱৰ্তিত হয় ১৬৬৩ খ্ৰীঃ ৰ পৰা।

ইতিমধ্যে আহোম সাম্ৰাজ্য ৰাজনৈতিক ক্ষমতাক কেন্দ্ৰ কৰি তিক্ততাৰে ভৰি পৰিলে। দেশৰ প্ৰকৃত গুৰি ধৰোঁতা নেতা নোহোৱা হ'ল। গুৱাহাটীত বদন চন্দ্ৰ বৰফুকনৰ দৌৰাত্ম্য দেখি পূৰ্ণানন্দ বুঢ়াগোহাঞিয়ে তেওঁক বন্দী কৰি আনিবলৈ মানুহ পঠিয়ালে। এই কথাৰ সম্ভেদ পাই পূৰ্ণানন্দৰ বোৱাৰীয়েক অৰ্থাৎ বুঢ়াগোহাঞিৰ পুত্ৰ ওৰেষা নাথ ঢেকীয়াল ফুকনৰ পত্নীয়ে বদন চন্দ্ৰ বৰফুকনলৈ বাৰ্তা পঠিয়ালে। কাৰণ তেওঁ আছিল, পিজৌ গাভৰু। কলীয়া ভোমোৰা বৰফুকনৰ মৃত্যু হোৱাত বদন চন্দ্ৰ গুৱাহাটীৰ বৰফুকন নিযুক্তি হৈছিল। তেওঁ আছিল দুৱৰাৰ ঘৰৰ লোক। জীয়েকৰ পৰা এই গোপন বাৰ্তা পাই বদন বৰফুকনে পলাই গৈ ব্ৰহ্মদেশ পায়গৈ আৰু মান ৰজা বড়োয়াপা বা বদৌপায়ৰ সহায় ভিক্ষা কৰিলে। এই ক্ষেত্ৰত অসমীয়া কুঁৱৰী ৰঙ্গিলী (বড়োয়াপাৰ পত্নী) য়েও বদনচন্দ্ৰক সহায় কৰিবলৈ বৰকৈ খাটিলে। কাৰণ ৰঙ্গিলীও আছিল দুৱৰা ঘৰৰ জীয়ৰী। বড়োয়াপাই বদনচন্দ্ৰক সম্ৰাট আহোম বংশৰ লোক বুলি জানি সহায় কৰিবলৈ মান্তি হয়। ১৮৬৩ খ্ৰীঃৰ শেষৰ ফালে বদনে মান ৰজাৰ পৰা প্ৰায় ৮০০০ মান সৈন্য লৈ অসমলৈ যাত্ৰা কৰিলে। বাটৰ মানৰজাৰ তলতীয়া ৰাজ্য সমূহৰ পৰাও বহু সৈন্য আহিল। মুঠতে প্ৰায় ১৬০০০ মান সৈন্যই আহি ১৮১৭ খ্ৰীঃৰ মাৰ্চ মাহত অসমৰ দুৱাৰমুখ পায়হি। ১৮১৭ খ্ৰীঃৰ পৰা ১৮২৬ খ্ৰীঃ লৈকে মানে তিনিবাৰ অসম আক্ৰমণ কৰি গোটেই দেশখনকেই জুৰুলা কৰি থৈ গ'ল। সেই সময়ত অসমৰ ৰাজাপটত অধিষ্ঠিত আছিল চন্দ্ৰকান্ত সিংহ (১৮১১-১৮১৮ খ্ৰীঃ)। ৰাজনৈতিক অস্থিৰতাৰ পৰিপ্ৰেক্ষিতত পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ মৃত্যুৰ পিছত ৰুচীনাথ বুঢ়াগোহাঞিয়ে চন্দ্ৰকান্ত সিংহক ৰজা ভাঙি ১৮১৮ খ্ৰীঃত পুৰন্দৰ সিংহক আহোমৰ ৰাজপটত বহুৱায়। তেতিয়া জগ্মী ফুকন প্ৰমুখ্যে বদনচন্দ্ৰৰ পক্ষীয় বিষয়াসকলে মানদেশলৈ পলাই গৈ মানৰজা বড়োয়াপাক এই বাতৰি দিলেগৈ। বাতৰি পাই বড়োয়াপায়ে ক্ৰোধীত হৈ অলমিংগা বৰগোহাঞিৰ নেতৃত্বত এটা ফৌজ অসমলৈ পঠিয়াই দিলে। মান সৈন্য অহাৰ উমান পাই পুৰন্দৰ সিংহই গুৱাহাটীলৈ পলাই গৈ পুনৰ এবাৰ মানৰ সৈতে যুদ্ধ





কৰিলে যদিও তেওঁ মানৰ হাতত হাৰিল ১১ জুন ১৮১৯ ৰ দিনা। যুদ্ধত হাৰি তেওঁ পলাই গৈ ইষ্ট-ইণ্ডিয়া কোম্পানীৰ ওচৰত আশ্ৰয় ল'লেগৈ। ইফালে চন্দ্ৰকান্ত সিংহই দ্বিতীয়বাৰৰ বাবে অসমৰ ৰাজপাটত বহি লৈ অসমলৈ যাতে পুনৰ মানসকল আহি আক্ৰমণ কৰিব নোৱাৰে তাৰ বাবে তেওঁ পতলং কোঠ আৰু গড় মাৰি দেশখনৰ প্ৰতিৰক্ষাৰ দায়িত্ব অৰ্পণ কৰিলে। পতলং বৰুৱাই বুটীদিহিঙৰ দীঘলীঘাটত এটা মজবুত কোঠ নিৰ্মাণ কৰি গড়বন্ধাই দীঘলীঘাটৰ নতুন নামকৰণ কৰিলে আৰু নাম দিলে জয়পুৰ। ইতিমধ্যে বড়োয়াপাৰ মৃত্যু হোৱাত তেওঁৰ নাতি বাগীদোৱা মানদেশৰ ৰজা হয় ১৮২১ খ্ৰীঃত। বাগীদোৱাই চন্দ্ৰকান্ত সিংহক ধৰিবৰ বাবে চলাহিৰ আশ্ৰয় ল'লে। তেওঁ মিঙ্গিমাহা তিলোৱাক এদল সৈন্য সহ অসম আক্ৰমণ কৰিবলৈ পঠালে। কিন্তু তেওঁলোকে চন্দ্ৰকান্ত সিংহক বহু উপঢৌকন দবলৈহে আহিছিল বুলি প্ৰচাৰ কৰিলে। মিঙ্গিমাহাই জয়পুৰ পাই পতলং বৰবৰুৱাক ধৰি শিৰচ্ছেদ কৰে আৰু তেওঁৰ পত্নী (চন্দ্ৰকান্ত সিংহৰ ভগ্নী) ওপৰতো বহু অত্যাচাৰ কৰে। তেওঁ চন্দ্ৰ সিংহলৈ মিঙ্গিমাহাৰ গোপন অভিপ্ৰায়ৰ বিষয়ে গোপন বাৰ্তা পঠিয়ালে। এই বাৰ্তা পাই চন্দ্ৰকান্ত সিংহই কলিবৰ গোহাঞি নামৰ এজন মটক শাসনকৰ্তাৰ ওপৰত ৰাজধানী ৰক্ষাৰ ভাৰ অৰ্পণ কৰি গুৱাহাটীলৈ পলাই গৈ কাজলি চন্দ্ৰপুৰ অঞ্চলত প্ৰায় ছমাহ কাল আত্মগোপন কৰি আছিল (১৮২১ খ্ৰীঃ) ত। তাৰ পৰাই গুৱাহাটী হৈ গোৱালপাৰালৈ গৈ তাতে কিছু হিন্দুস্থানী আৰু শিখ সৈন্য সংগ্ৰহ কৰি মানৰ বিৰুদ্ধে যুদ্ধ কৰাৰ পৰিকল্পনা কৰিছিল। আনফালে পুৰন্দৰ সিংহই ৰবাৰ্ট ব্ৰুচ নামৰ বৃটিছ শাসন কৰ্তা এজনৰ নেতৃত্বত এদল ভেৰুলীয়া সৈন্য গোটাই লৈ মানৰ বিৰুদ্ধে নগৈ চন্দ্ৰকান্ত সিংহৰ সৈন্যদলৰ লগতহে যুদ্ধ কৰিছিল। এই যুদ্ধত চন্দ্ৰকান্ত সিংহৰ জয় হয়। চন্দ্ৰকান্ত সিংহৰ দলৰ হাতাত অধিনায়ক ৰবাৰ্ট ব্ৰুচ বন্দী হয়। পিছত ব্ৰুচ চন্দ্ৰকান্ত সিংহৰ পক্ষ গ্ৰহণ কৰে। (২ মে, ১৮২১ খ্ৰীঃ) তাৰ পিছত ম'হ গড়ত চন্দ্ৰকান্ত সিংহই মানৰ লগত যুদ্ধ কৰে। এই যুদ্ধত চন্দ্ৰকান্ত সিংহই নিজে অস্ত্ৰ ধৰি পৰম বিক্ৰমেৰে যুদ্ধ কৰিছিল। কিন্তু তেওঁ যুদ্ধত পৰাজিত হৈ পুনৰ পলাই গৈ কাজলি চকী তথা ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলত আত্মগোপন কৰিবলগীয়া হয়। চন্দ্ৰকান্ত সিংহই দুবাৰকৈ আত্মগোপন কৰি থকাৰ কাৰণে কাজলি চকীৰ নিকটৱৰ্তী অঞ্চলৰ নাম চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱৰ নামানুসৰি চন্দ্ৰকান্ত হয় বুলি এক জনপ্ৰবাদ আছে।

মানৰ তৃতীয় আক্ৰমণ আছিল অসমৰ ইতিহাসত এক হৃদয়বিদাৰক অধ্যায়। মানৰ অমানুষিক অত্যাচাৰত তিষ্ঠিব নোৱাৰি চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱে ব্ৰিটিছ কোম্পানীৰ আশ্ৰয় আৰু সহায় বিচাৰিলেগৈ। ইফালে মান সৈন্যই ব্ৰিটিছ কোম্পানীৰ শাসনাধীন গোৱালপাৰা, চিলেট আৰু চিটাগঞ্জ এই আটাইখিনি আঞ্চলতে ইংৰাজৰ ৰাজত্ব সোমাই মানুহৰ লুটপাত কৰিবলৈ ধৰিলে। ইংৰাজ গৱৰ্ণৰে তাৰ প্ৰতিবাদ কৰিলে যদিও তাৰ প্ৰতি মানসকলে কোনো ভ্ৰুক্ষেপ নকৰিলে। কাৰণ মানসৈন্যই ভাবিছিল ইংৰাজসকল তেওঁলোকতকৈ দুৰ্বল। ইফালে মানে মণিপুৰ, কাছাৰতো উপদ্ৰৱ চলালে। ১৮২৩ খ্ৰীঃত ইংৰাজসকলে মানৰ বিৰুদ্ধে বেলেগ ব্যৱস্থা ল'বলৈ ঠিক কৰিলে।

১৮২৪ খ্ৰীঃত গৱৰ্ণৰ জেনেৰেল আৰ্মহাষ্টে মানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে মাৰ্চ মাহৰ ৫ তাৰিখৰ দিনা। ইংৰাজ সৈন্যই গোৱালপাৰাৰ পৰা উজাই আহি হাদিৰাচকী অধিকাৰ কৰিলে। ১৮২৪ খ্ৰীঃৰ ২৮ মাৰ্চৰ দিনা গুৱাহাটীত ইংৰাজৰ অধীনলৈ গ'ল। বাৰিষা কাল উপস্থিত হোৱা হেতু ইংৰাজ সৈন্য দল গুৱাহাটীতেই থাকিল। সেই সুবিধাতে মানসকলে কলিয়াবৰ, ৰহা, নগাঁৱলৈকে আগবাঢ়ি আহিল। মানৰ অত্যাচাৰ সহিব নোৱাৰি নাগাঁৱৰ ডবকা আৰু কপিলী উপত্যকাৰ পৰা বহু অসমীয়া লোক ভাগি গৈ জয়ন্তীয়া পাহাৰ আৰু সুৰমা উপত্যকা আৰু ব্ৰিটিছ অধীকৃত গোৱালপাৰাত থিতাপি লয়গৈ। ইতিমধ্যে বাৰিষা অন্তপৰাত অক্টোবৰ মাহত ব্ৰিটিছ সৈন্যদল দুটা ভাগত বিভক্ত হৈ এটা দলে ব্ৰহ্মপুত্ৰৰ উজাই গ'ল আৰু আনটো দলে কাজলি মুখেৰে কলঙত সোমাই উজাই গ'ল। যুদ্ধত ইংৰাজৰ হাতত মান সৈন্য পৰাজিত হয়। মান সেনাপতিয়ে কোনোপদ্ধে পলাই সাৰে। তাৰ পিছত কলিয়াবৰো ইংৰাজে অধিকাৰ কৰে আৰু তাতে এটা চাউনী স্থাপন কৰে।

এইদৰে ইংৰাজসকলে মানৰ হাতৰ পৰা মৰামুখ, অধিকাৰ কৰে ১৮২৫ খ্ৰীঃ ত আৰু ১৭ জানুৱাৰী আৰু ১৮২৫ খ্ৰীঃত যোৰহাটো ইংৰাজৰ হস্তগত হয়। সিফালে ব্ৰহ্মদেশতো চাৰ আৰ্চিবল কেম্বেল চাহাবৰ সেনাপতিত্বত মান ৰজাৰ যুদ্ধ হয় আৰু মান ৰজা হাৰে। মানক খেদি নি কেম্বেল চাহাব ইয়াণ্ডাবু পায়গৈ। তাতে ১৮২৬ খ্ৰীঃৰ ২৪ ফেব্ৰুৱাৰী মান আৰু ইংৰাজৰ মাজত চুক্তি হয়। এই সন্ধিৰ পৰাই মানসকলে সম্পূৰ্ণভাৱে অসম ত্যাগ

কৰে ফলৰ অসমৰ ভাগ্য চক্ৰ আহোমৰ হাতৰ পৰা ইংৰাজৰ হাতলৈ যায়। লগে-লগে অসমৰ স্বধীনতা সূৰ্য্যও লুপ্ত হয়।

কাজলীচকীক মোগলে বুলিছিল থানা আৰু আহোমে চকী। এই ঐতিহাসিক ভূ-খণ্ডৰ প্ৰতি শেন দৃষ্টি আছিল। তাৰ ফলত কেতিয়াবা কোচ, কেতিয়াবা মোগল আৰু কেতিয়াবা আহোমৰ অধীন হৈছিল। এক কথাত কবলৈ হ'লে ই এখন ৰণস্থলীত পৰিণত হৈ অসমৰ ভাগ্য নিয়ন্ত্ৰনৰ ভূমিকা পালন কৰিছিল। সঘনাই হৈ থকা যুদ্ধ বিগ্ৰহৰ ফলত পৰাজয় জন শূন্যত পৰিণত হৈ পৰিছিল। ভূঞাসকলো ইয়াত ৰাজত্ব কৰিছিল। কুসুম্বৰ ভূঞা ৰাজ্য খণ্ড কাজলি মুখলৈকে বক্ত থকাৰ 'গুৰুচৰিত' কাব্যৰ ২০২৯ নং পদত উল্লেখ আছে। প্ৰবাদমতে, শংকৰদেৱৰ পূৰ্বপুৰুষসকলেও কাজলি মায়ং অঞ্চলত প্ৰায় ২৫ বছৰ কাল বসবাস কৰিছিল। ১৬৮৩ খ্ৰীঃৰ পৰা ১৮১৭ খ্ৰীঃলৈকে গুৱাহাটী আৰু কাজলি চকী ১৩৪ বছৰ কাল বৰফুকনৰ শাসনত থাকে। সেই সময়ছোৱাত বহু প্ৰজাই গাঁও পাতি বাস কৰে যদিও তিনিবাৰকৈ হোৱা মানৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি পুনৰ কাজলি চকী জনশূন্য হৈ পৰে। পুনৰ ব্ৰিটিছ চৰকাৰৰ শাসন কালত দৰং, কুৰুৱা আদি অঞ্চলৰ পৰা কিছু লোকে আহি এই অঞ্চলত স্থায়ীভাৱে বসতী কৰিবলৈ লয়। আকৌ ব্ৰহ্মপুত্ৰৰ প্ৰবল গড়াখহনীয়া শগুনপৰী, অপৰীয়া, ধলপুৰ আৰু বাতিয়াল আদি গাঁওসমূহ ধ্বংস হোৱাত তাৰ গাঁওবাসীয়ে আহি কাজলি হাতীবগৰা আদি ঠাইত বসতি কৰে। চিলেট, ফকিৰা গ্ৰাম আদি অঞ্চলৰ পৰাও বহু সংখ্যক হিন্দু বাঙালী লোকেও আহি গেবৰ্দ্ধন পাহাৰ, নলনী, ঘোঁৰামাৰা জান পাৰ অঞ্চলৰ পৰাও বহু সংখ্যক হিন্দু বঙালী লোকেও আহি গোবৰ্দ্ধন পাহাৰ, নলনী, ঘোঁৰামাৰা জান পাৰ অঞ্চলৰ বাসিন্দা হৈ পৰে। পৰৱৰ্তী কালত খ্ৰীষ্ট ধৰ্মী গাৰো (অষ্ট্ৰিক) জনগোষ্ঠীৰ কিছু লোকেও মিচ্যনৰ উদ্দেশ্যে আহি গোবৰ্দ্ধনৰ এটা অংশৰ এটা বাসিন্দা হয়। বকো, ছয়গাঁও, গুৱালকুচি আদি ঠাইৰ বান ভগনীয়া লোক কিছু আদিত খাটিৰ গাঁও অঞ্চলত (অসমীয়া লোক) বসতি কৰে, বৰ্তমান এই অঞ্চলটো নানা জাতি-জনগোষ্ঠীৰ সমন্বয় ক্ষেত্ৰ। একেদৰে চন্দ্ৰপুৰ অঞ্চলতে তাপ বিদ্যুৎ প্ৰকল্প, সুতাৰ কল, ৰাসায়নিক সাৰ কাৰখানা আদিৰ উদ্যোগৰ ফলত বিভিন্ন প্ৰান্তৰ পৰা লোক আহি স্থায়ী বাসিন্দা হৈ পৰে। অতি সাম্প্ৰতিক সময়ত ব্ৰহ্মপুত্ৰৰ চাপৰি অঞ্চলত সন্দেহ জনক বহু সংখ্যক লোকে বেদখল কৰি স্থানীয় লোকৰ বাবে ভাবুকি স্বৰূপ হৈ পৰিছে।

পূৰ্বেই উল্লেখ কৰি অহা হৈছে যে, কাজলি চকী মায়ং ৰাজ্যৰ অন্তৰ্গত এখন পোৱালি ৰাজ্য আছিল। কছাৰি বংশৰ ধৰ্মসিংহ নামক এজন ৰজাই মায়ং ৰাজ্যৰ অধীনত এই পোৱালি ৰাজ্যখন শাসন কৰিছিল। ব্ৰিটিছৰ ৰাজত্ব কালত এই মায়ং নগাঁও জিলাৰ অন্তৰ্গত আছিল। যোৱা ১৯৮৯ চনৰ ১৪ অক্টোবৰ তাৰিখে নগাঁৱৰ পশ্চিমাঞ্চলকলৈ মৰিগাঁও নামেৰে এখন পৃথক জিলা ৰূপে চৰকাৰীভাৱে ঘোষণা কৰা হয়। তাৰ পূৰ্বে ১৯৮২ চনত ভাৰতৰ তদানিন্তন প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে চন্দ্ৰপুৰত অসমৰ ৰাজধানীৰ ধৰণী শিলা স্থাপন কৰি মায়ঙৰ কাজলি, হাতীবগৰা, গোভালী, গোবৰ্দ্ধন, ঘোঁৰামাৰা জান পাম, দীঘল আটি, নলনী, কৰৈয়া, কমাৰপুৰ, গৰুবন্ধা, ধামখুন্দা আদি ১২ খন গাঁও কাটি নি প্ৰস্তাবিত প্ৰাগজ্যোতিষপুৰ জিলাৰ অন্তৰ্গত হয়। কিন্তু কালক্ৰমত প্ৰাগজ্যোতিষপুৰ জিলা ঘোষিত নহৈ কেৱল এটা মহকুমা ৰূপেহে ঘোষনা কৰা হয় আৰু ৰাজধানীও চন্দ্ৰপুৰৰ পৰিৱৰ্তে দিশপুৰত স্থাপিত হ'ল। তাৰ ফলত উল্লেখিত ১২ খন গাঁৱে প্ৰশাসনৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। কিয়নো তেওঁলোকে ভোটাধিকাৰ সাব্যস্ত কৰে মৰিগাঁও জিলাৰ ৭৯ নং জাগীৰোড বিধানসভা সমষ্টিত কিন্তু প্ৰশাসনীয় সিবিধা লাভ কৰে কামৰূপ (মহানগৰ) জিলাৰ ৫২ নং দিছপুৰ বিধানসভাৰ সমষ্টিৰ জৰিয়তে। অতি সাম্প্ৰতিক সময়ত মায়ঙৰ আৰু বহু সংখ্যক গাঁও কামৰূপ (মহানগৰ) জিলাৰ অন্তৰ্গত কৰাৰ গুনা-গথা চলি থকাটো লক্ষণীয় বিষয়।

প্ৰসংগ গ্ৰন্থঃ


১। জয়ন্তীয়া বুৰঞ্জী— বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম।
২। অসমৰ পদ্য— বুৰঞ্জী।
৩। অসাম বুৰঞ্জী— গুণাভিৰাম বৰুৱা।
৪। সাতসাৰি অসম বুৰঞ্জী সম্পাদ— ড° সূৰ্যকুমাৰ ভূঞা।
৫। আহোমৰ ৰণ নীতি— নগেন হাজৰীকা।
৬। A History of— Assam Edward Gait.
৭। অসম বুৰঞ্জী— চেনেহী বেগম।
৮। অসম দেশৰ বুৰঞ্জী— ড° লক্ষ্মী দেৱী।
৯। মায়ঙৰ ইতিহাস— লোকেন্দ্ৰ হাজৰিকা।







১০। মায়ঙৰ সাৰ্বজনীন গোঁসাই উলিওৱা মেলা আৰু গড়ভাঙা উৎসৱ— লোকেন্দ্ৰ হাজৰিকা।
১১। ৰহাৰ ৰহীয়াল বৰুৱা আৰু সাতো ৰজা পাঁচো ৰজাৰ কথা— গণেশ সেনাপতি।
১২। কোচ ৰাজবংশী জাতিৰ ইতিহাস— অম্বিকা চৰণ চৌধুৰী।
১৩। ফুলগুৰিৰ ধেৱা— বেণুধৰ কলিতা।
১৪। তুংখুঙীয়া বুৰিঞ্জী— বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম।
১৫। অসমৰ শাক্ত, সাধনা আৰু তন্ত্ৰমন্ত্ৰঃ মায়ঙৰ প্ৰেক্ষাপটত এক বিশ্লেষণাত্মক অধ্যয়ন (অপ্ৰকাশিত) লোকেন্দ্ৰ হাজৰিকা।
১৬। দেৱী— ড° নিৰ্মল প্ৰভা বৰদলৈ।
১৭। শিৱ— ড° নিৰ্মল প্ৰভা বৰদলৈ।
১৮। বুৰঞ্জীৰ প্ৰকৃতি আৰু স্বৰূপ— অসম সাহিত্য সভা।
১৯। অসমৰ নদ-নদী— ড° যোগেন্দ্ৰ নাথ শৰ্মা।
২০। দৰং ৰাজবংশাৱলী— সম্পা ড° নবীন শৰ্মা।
২১। শৰাইঘাটৰ যুদ্ধৰ কথা— ড° লীলা গগৈ।
২২। দেউধাই অসম বুৰঞ্জী— সম্পা ড° সূৰ্য কুমাৰ ভূঞাঃ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, অসম।
২৩। কালিকা পুৰাণ— অনুঃ দেৱেন্দ্ৰ নাম ভট্টাচাৰ্য।
২৪। গুৰু চৰিত— ৰামচৰণ ঠাকুৰ বিৰচিত— সম্পা. হৰিনাৰায়ণ দত্ত বৰুৱা সাহিত্যাচাৰ্য।
২৫। সচিত্ৰ শিশু ৰামায়ণ বা শ্ৰীৰাম কীৰ্তনঃ অনন্ত ঠাকুৰ বিৰচিত সম্পা. হৰিনাৰায়ণ দত্ত বৰুৱা, সাহিত্যাচাৰ্য।
২৬। যোগিনী তন্ত্ৰম— মানুবাদম— দত্ত বৰুৱা এণ্ড কোম্পানী।
২৭। ডিমৰুৱা ৰজাৰ গৰিমা— প্ৰতাপ চন্দ্ৰ চৌধুৰী।
২৮। আহোমৰ দিন— () সূৰ্য কুমাৰ ভূঞা।
২৯। স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ— () সূৰ্য কুমাৰ ভূঞা।
৩০। অসমৰ বুৰঞ্জী— পদ্মনাথ গোহাঞি বৰুৱা।
৩১। মণিকোঁৱৰ আখ্যান— শ্ৰী লক্ষ্মীসিংহ ডেকা।
৩২। মোৱামৰীয়া গণ অভ্যুত্থান— ধ্ৰুৱজ্যোতি বৰা।
৩৩। কালশিলা— স্মৃতগ্ৰন্থ মৰিগাঁও জিলা সাহিত্যসভা দ্বিবাৰ্ষিক মায়ং অধিবেশন— সম্পা উৎপল নাথ।
৩৪। কাঞ্চশিলা— স্মৃতিগ্ৰন্থ ঃ মায়ং উচ্চতৰ মাধ্যমক বিদ্যালয় সোণালী জয়ন্তী— সম্পা লোকেন্দ্ৰ হাজৰিকা।
৩৫। হাতীশিলা— স্মৃতিগ্ৰন্থ কামৰূপ জিলা সাহিত্য সভা চন্দ্ৰপুৰ অধিবেশন— সম্পা ধীৰাজ দাস।
৩৬। কামৰূপা— স্মৃতিগ্ৰন্থ কামৰূপ জিলা সাহিত্য সভা।


প্ৰবন্ধঃ


১। ইতিহাসে গৰকা চন্দ্ৰপুৰ— তৰুণ বসুমতাৰী।
২। চন্দ্ৰপুৰৰ প্ৰহেলিকাময়— ইতিহাসৰ পমখেদি— ধীৰেন বসুমতাৰী।
৩। কাজলি চকী গাঁৱৰ— ঐতিহাসিক ইতিবৃত্ত— লোকেন্দ্ৰ হাজৰিকা।
৪। ঐতিহাসিক পটভূমিত কাজলি চকী— লোকেন্দ্ৰ হাজৰিকা।
৫। ইতিহাসে গৰকা চন্দ্ৰপুৰ কাজলি চকী— লোকেন্দ্ৰ হাজৰিকা।
৬। পৰ্যটনৰ বিপুল সম্ভাৱনাৰে ভৰা কাজলি— চন্দ্ৰপুৰ— লোকেন্দ্ৰ হাজৰিকা।


০০০



# প্ৰতিযোগিতা

ড° মিনাক্ষী তামুলী
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

দাৰ্শনিক মণিষীসকলে সদায় এই কথা কৈ আহিছে যে প্ৰতিযোগিতা কৰিব লাগে নিজৰ লগত। আজিৰ বৌদ্ধিক বা সাধাৰণ সমাজখনত ছাত্ৰ-ছাত্ৰী অসুস্থ প্ৰতিযোগিতাৰ সন্মুখীন হৈছে। দেখাক দেখিয়েই হওঁক বা অভিভাৱকৰ হেঁচাতেই হওক প্ৰায় শিক্ষাৰ্থীসকলে যধে মধে প্ৰতিযোগিতা কৰিবলৈ চেষ্টা কৰা বাবে প্ৰতিযোগিতাসমূহে সুস্থ পৰিবেশ গঢ়াৰ পৰিবৰ্ত্তে এক অসুস্থ সামাজিক বাতাৱৰণৰ প্ৰতিহে আমাক আগুৱাই নিছে। ভাৰতৰ উপৰাষ্ট্ৰপতি এম ভেংকয়া নাইডুৱে অলপতে (১২ জানুৱাৰী, ২০১৮) স্বামী বিবেকানন্দৰ ১৫৬ সংখ্যক জন্মদিৱস উপলক্ষে দিয়া ভাষণত এনেদৰে কৈছে "উঠা, গৈ থাকা, লক্ষ্যত উপনীত নোহোৱালৈকে নৰ'বা"- "শিক্ষা, মনোবল আৰু একাগ্ৰতাতাৰে এখন নতুন ভাৰত গঢ়িবৰ বাবে স্বামী বিবেকানন্দই জয়প্ৰিয় কৰি তোলা উপনিষদৰ এই শ্লোকৰ পৰাই প্ৰতিজন ভাৰতীয়ই বিশেষকৈ নতুন প্ৰজন্মই প্ৰেৰণা লোৱা উচিত।"

ভাৰতৰ জনসংখ্যাৰ ৬৫ শতাংশ অধিকাৰ কৰি থকা যুব প্ৰজন্মৰ শক্তি তথা সম্ভাবনীয়তাক সঠিক দিশত প্ৰয়োগ কৰিবৰ বাবে প্ৰয়োজনীয় পৰিৱেশ আদি গঢ়িব লাগিব শিক্ষক, অভিভাৱক আৰু কৰ্তৃপক্ষৰ সমূহীয়া প্ৰচেষ্টাত।

স্বামী বিবেকানন্দই কৈছিল - মানুহ গঢ়াটো মোৰ জীৱনজুৰি চলি থাকিবলগীয়া এটা অভিযান। মই ৰাজনৈতিক বা সমাজ সংস্কাৰক নহয়। মই মানুহক সজাই পৰাই তুলিব খোজো। মই আত্মাৰ কথা চিন্ত কৰো, সি যেতিয়া সঠিক হয়, সকলো কথা সঠিক হ'বলৈ বাধ্য। তেওঁ মানুহক চৰিত্ৰবান কৰি গঢ়িব বিচাৰিছিল। আমাক সমাজ পৰিবৰ্ত্তনৰ বাবে জ্ঞানী, দক্ষ আৰু সঠিক মানসিকতাৰ পুৰুষ আৰু নাৰীৰ প্ৰয়োজন। সাৰ্বজনীন আৰু মানসম্পন্ন শিক্ষাৰ ভেটিতহে মূল্যবোধ শক্তিশালী হ'ব পাৰে। স্বামী বিবেকানন্দই মানৱীয়তাৰ উত্তৰণত বিশ্বাস কৰিছিল।

বৰ্ত্তমানৰ সমাজত অসুস্থ প্ৰতিযোগিতাৰ পয়োভৰ দেখা গৈছে। এই প্ৰতিযোগিতাসমূহ ৰোধ কৰিবলৈ কিছুমান বিশেষ কথাৰ ওপৰত শিক্ষক-অভিভাৱকসকলে গুৰুত্ব আৰোপ কৰিব লাগে। ইয়াৰ ভিতৰত এটা প্ৰধান হৈছে প্ৰতিযোগিতা সদায় নিজৰ লগত হ'ব দিব লাগে অৰ্থাৎ শিক্ষাৰ্থীয়ে প্ৰথমে জীৱনৰ লক্ষ্য স্থিৰ কৰি লব লাগে আৰু সেই লক্ষ্যত উপনীত হ'ব পৰাকৈ যিবোৰ নীতি-নিয়ম বা পদ্ধতি আৰু বাস্তৱ ৰূপায়নৰ বাবে যি পন্থা কৰি লব লাগে আৰু সেইমতে কঠোৰ অনুশীলনৰ দ্বাৰা সাধনাত সিদ্ধি লাভ কৰিবলৈ চেষ্টা কৰিব লাগে। ' দেখাক দেখি' যদি কোনোবাই কৰিছে ই পিছলৈ একপ্ৰকাৰ বোজাত পৰিণত





হ'ব পাৰে। উদাহৰণস্বৰূপে এজন শিক্ষাৰ্থীয়ে জীৱনৰ লক্ষ্য স্থিৰ কৰিলে মহাবিদ্যালয়ৰ অধ্যাপক হ'ব বুলি। ইয়াৰ বাবে তেওঁ প্ৰথমে 'গাইড লাইন' হিচাপে জানিব লাগিব যে Basic Norms পাব লাগিব। ইয়াৰ পিছত তেওঁ দেখিলে যে ইয়াৰ উপৰিও তেওঁক লাগিব NET/SLET আৰু ইয়াৰ বাবে প্ৰস্তুতি কৰিবলৈ অতি চমু, চমু প্ৰশ্নৰ উত্তৰ সমূহ পাঠ্যপুথি, বঁটা-বাহনৰ খবৰ জানিবলৈ আলোচনী, বাতৰি কাকত আদিৰ পৰা সংগৃহীত প্ৰশ্ন উত্তৰসমূহ একোখন সুকীয়া বহীত টুকি থৈ যাব লাগে।

সেই সমূহৰ উপৰিও পাঠ্যপুথি আৰু প্ৰসংগপুথি সমূহৰ দ্বাৰা টোকা সমূহ নিজেই বনাই ল'ব লাগিব। ইয়াৰ পিছত দেখিলে যে গৱেষণা কৰি ললেও কিছুমান সুবিধা হয়। লক্ষ্যত উপনীত হ'বলৈকে হওঁক বা পৈণত লেখনিৰ বাবেই হওঁক অতি প্ৰয়োজন। গতিকে তাৰ পিছৰ পৰ্য্যায়ৰ কামবোৰো লাহে লাহে কৰি গ'লে, আজৰি সময়ত প্ৰবন্ধ আদি লেখাৰ অভ্যাস কৰি গ্ৰন্থ প্ৰণয়নৰ বাবে সাজু হৈ পৰিলে কৃতকাৰ্য হ'ব পাৰিব কিন্তু আটাইতকৈ ডাঙৰ কথা শিক্ষক তেতিয়াহে সাৰ্থক হ'ব যেতিয়া তেওঁ ক্লাচত অনৰ্গল বক্তৃতা দিব পাৰি বা লেখনীৰটো সিদ্ধহস্ত হ'ব। তাৰবাবে অতি কম বয়সৰ পৰাই লিখা মেলা আৰু বক্তৃতা দিয়াৰ অভ্যাস কৰিব পাৰে। গতিকে এইখিনি হৈছে এজন সফল শিক্ষক হোৱাৰ লক্ষ্য। এনেদৰে অন্যান্য লক্ষ্যসমূহৰো সঠিক পদ্ধতি আৰু সাৰ্থক ৰূপায়ণৰ দ্বাৰা লক্ষ্যত উপনীত হ'ব পৰা দিশ সমূহ জানিবলৈ আগবাঢ়ি গ'লেই প্ৰতিযোগিতা নিজৰ ম'তে হ'ব। ইয়াৰ বিপৰীতে যদি দেখাক দেখি তেওঁ কোনোবাই বিজ্ঞান লোৱা বাবে বিজ্ঞান পঢ়িছে, কোনোবাই তাতোকৈ উচ্চ ডিগ্ৰী লোৱাৰ বাবে লৈছে তেতিয়া তেওঁৰ বাবে ই এক ব'ব নোৱাৰা বোজা হৈ পৰিব আৰু লক্ষ্যত উপনীত হ'বলৈ হ'লে 'মোৰ বুদ্ধি আছে , সামৰ্থ আছে, ক্ষমতা আছে মানসিক শক্তি আছে মই কিয় নোৱাৰিম' বুলি এক দৃঢ় সংকল্প লৈ আগবাঢ়িব লাগে আৰু ইয়ে হৈছে নিজৰ লগত প্ৰতিযোগিতা।

দ্বিতীয়তে অভিভাৱক বা শিক্ষকসকলে আনৰ ল'ৰা ছোৱালী বা শিক্ষাৰ্থীৰ স'তে কেতিয়াও তুলনা কৰিব নালাগে। তাৰ পৰিৱৰ্তে মনত এনে একোটা শক্তি জাগ্ৰত কৰাৰ চেষ্টা কৰিব লাগে যিয়ে যি লক্ষ্য স্থিৰ কৰি লৈছে সেই লক্ষ্যত উপনীত হ'ব পৰাকৈ কেৰিয়াৰ কাউন্সেলিঙৰ ব্যৱস্থা কৰিব লাগে। যি সকল অভিভাৱক-শিক্ষকৰ এই সম্পৰ্কে জ্ঞান থাকে তেওঁলোকে আগভাগ লৈ ছাত্ৰ-শিশুসকলৰ লগত আলোচনা কৰি পৰবৰ্ত্তি পৰ্যয়ত আগবাঢ়িব লাগে। দুয়োটা পৰ্যয়ত ব্যৰ্থ হ'লে কেৰিয়াৰ কাউন্সেলিঙৰ সহায় ল'ব লাগে। বহু বিদ্যালয়-মহাবিদ্যালয়ত এই বিষয়ত একোটা গোট থাকে এই গোটসমূহ সক্ৰিয় কৰিলে ই ফলপ্ৰসূ হ'ব পাৰিব। ইয়াৰ উপৰিও খেলত পাৰদৰ্শী কৰিবলৈ টি.ভি. ত প্ৰত্যক্ষভাৱে খেলৰ সৈতে জড়িত কৰি পাকে প্ৰকাৰে খেল পথাৰতেই সুদক্ষ খেলুৱৈৰ বিভিন্ন কৌশলৰ প্ৰশংসা-সমালোচনা কৰাতকৈ প্ৰত্যক্ষ উদাহৰণ দ্বাৰা বুজাই দিলে বেছি ভালকৈ শুদ্ধ অন্তৰেৰে গ্ৰহণ কৰিব পাৰে। বহু বন্ধু-বান্ধৱীয়ে বিপথে পৰিচালিত হোৱাত সহায় হয় বাবে এটি তীক্ষ্ণ দৃষ্টি ৰাখিব লাগে। সকলোৰে একো একোটা বিশেষ দক্ষতা থাকে শাৰিৰীককেই হওঁক বা মানসিক। শিক্ষক অভিভাৱক সকলে অতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি সেই দিশ সমূহ চিনাক্ত কৰি লৈ সেই সমূহ শিক্ষাৰ্থক শিক্ষকে বেছি সুবিধা প্ৰদান কৰিব পাৰিলেও বেছি ফলপ্ৰসূ হ'ব পাৰি। উদাহৰণ স্বৰূপে এটি শিশুৱে ঘৰলৈ আহি অভিভাৱকক ক'লে " আজি স্কুলত খেলিব দিলে। খেল পথাৰত থিয় হোৱাৰ লগে লগে মোৰ যে ইমান জোচ আহিল" এনে ব্যক্তব্যবোৰ ভালদৰে নিৰীক্ষণ কৰি সেই দিশত আগুৱাই যোৱাৰ ব্যৱস্থা কৰি পাৰে।

জাতীয়তাবোধ নৈতিক চৰিত্ৰবোধৰ শিক্ষা অতি প্ৰয়োজনীয় বিষয়। স্কুলত প্ৰতিটো ছাত্ৰ-ছাত্ৰীক অলপ সময়ৰ ভিতৰত নিৰীক্ষণ কৰা বৰ সহজ নহয়। গতিকে যিমানদূৰ পৰা যায় ঘৰতে যত্ন লোৱা প্ৰয়োজন। এই ক্ষেত্ৰটো উপদেশত কৈ আহিঁ দেখুৱাই গৈ থাকিলে সময়ত আপোনা-আপুনি সঠিক ৰূপত গঢ় লয়।


বুদ্ধি -বৃত্তিৰ ক্ষেত্ৰতো দেখা যায় শিক্ষাৰ্থীসকলৰ সকলো সমান বুদ্ধি সম্পন্ন নহয় গতিকে তেওঁলোকক লক্ষ্য স্থিৰ কৰোঁতে অনাহকতে চাপ দিব নালাগে আনহাতে ডাক্তৰ ইঞ্জিনিয়াৰ হ'ব বুলিও বেছিকৈ ক'ব নালাগে। বৰ্ত্তমান বিশ্বায়নৰ যুগ। এই যুগত শিক্ষাৰ্থী সকলে আজিকালি নিজৰ পৰিসীমা বৃদ্ধি কৰি লৈছে। 'ডাক্তৰী' এটা সম্ভ্ৰান্ত প্ৰফেছন যদিও কষ্টও লগতে এটা সীমাৰ ভিতৰতে (সাধাৰণতে অত্যন্ত খ্যাতিমন্ত নহ'লে) আবান্ধ থাকিব লাগে কিন্তু যদি কম্পিউটাৰ বিভিন্ন প্ৰগ্ৰেমিং, 'ৱেব ডিজাইন ' ইত্যাদি ধৰণৰ পাঠ্যক্ৰমৰ প্ৰতিও নতুন প্ৰজন্ম আকৃষ্ট হৈছে। একোটা অঞ্চলত আবদ্ধ নাথাকি বৰং গোলকীয় স্তৰলৈ তেওঁলোকৰ লক্ষ্য আগুৱাই গৈছে গতিকে পিতৃ-মাতৃ অভিভাৱকসকলে এই লক্ষ্যত উপনীত হ'ব পৰাকৈ বাধা দিয়াৰ

পৰিবৰ্তে সহায় কৰিব পাৰে।

প্ৰতিজন ছাত্ৰ-ছাত্ৰী বোধশক্তি আৰু লিখাৰ দক্ষতা একে নহয় গতিকে যিজনৰ খৰকৈ লিখা অভ্যাস আছে সেইজনে অলপ দীঘলীয়াকৈ আৰু যিজনৰ লিখন দক্ষতা ক'ম তেওঁ অলপ চমুকৈ Notes বনাই ল'ব লাগে যাতে সেই চমু কথাখিনিৰ মাজতো আৰম্ভণি মধ্য আৰু শেষস্তৰ সোমাই থাকে। অৰ্থাৎ উদাহৰণস্বৰূপে কেইটামান Notes ভালকৈ পঢ়ি নোচোৱাকৈ লিখিব দিলে ৩০/৩৫ মিনিটত শিক্ষাৰ্থীয়ে কিমান দীঘলীয়াকৈ লিখিব পাৰে সেইটো পৰীক্ষা কৰি ল'ব লাগে। তাৰ পিছত যদি দেখা যায় এই সময়খিনিত এজন শিক্ষাৰ্থীয়ে চাৰি বা পাঁচ পৃষ্ঠা লিখিছে তেতিয়া সেই টোকাটো এইকেইটা পৃষ্ঠাৰ ভিতৰতে সুন্দৰকৈ সুমুৱাই ল'ব লাগে। সেইদৰে লিখন দক্ষতা, ক্ষিপ্ৰতা ইত্যাদি অনুসৰি যদি দুই বা তিনি পেজ হয় তেতিয়া সেইকেইটাপেজ ভিতৰতে প্ৰয়োজনীয় কথাখিনি থুপাই দি নিজাকৈ Notes টো বনাই ল'ব লাগে। বেলেগ বেলেগকৈ বনাইয়ো পৰীক্ষাত এনেদৰে কম দক্ষতাৰ শিক্ষাৰ্থীয়ো বেছি নম্ব লাভ কৰি পাৰে।

বহু শিক্ষাৰ্থীৰ অভিধান চোৱাৰ অভ্যাস নাই। সেইবাে শব্দজ্ঞান একেবাৰে নামমাত্ৰ। শব্দজ্ঞান আৰু ধাৰণা (concep লৈ প্ৰশ্ন- উত্তৰ বা পাঠ পঢ়ি ল'লে পিছত নিজাকৈও বনাই ল' পাৰি। ইংৰাজী অথবা অসমীয়া ভাষাৰ একোখন অভিধান ঘ আৰু বিদ্যালয়ত ৰাখিব লাগে আৰু সঘনে শব্দ চোৱা অভ্যা কৰাব পাৰে। বাতৰি কাকতৰ শব্দ শৃংখল ইত্যাদিৰ দ্বাৰাও উপকৃ হ'ব পাৰে। এনে কৰিলে সমৰ্থক বহু শব্দ শিকিব পাৰে লগে লগে শব্দজ্ঞান বাঢ়ি যায়। শব্দজ্ঞান আৰু ধাৰণাৰে একোটা পা বোধগম্য কৰিলে সেইখিনিৰে যথেষ্ট পিছত সহায়ক হ'ব যিটো মুখস্থ শক্তিৰে কেতিয়াও সম্ভৱ নহয়। এনেদৰে শিক্ষাৰ্থীসকলে নিজে বা অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে প্ৰস্তুত কৰিলে নিজৰ তথা শিক্ষা ব্যৱস্থাৰ উন্নয়নত অৰিহণা যোগাব পাৰিব বুলি আশা কৰিব পাৰি।

-0-0-0-


জ্ঞানিৰলগীয়া কথা
জীৱন মন্ত্ৰ
১। অতি আনন্দে — কাকো কথা দিব নালাগে।
২। ক্ৰোধ বা খঙৰ সময়ত — উত্তৰ দিব নালাগে।
৩। দুঃখৰ সময়ত — নিৰ্ণয় কৰিব নালাগে।
৪। ত্যাগ কৰা — শান্তি পাবা
৫। অহংকাৰ এৰা — সন্মান পাবা
৬। ভক্তি কৰা — মুক্তি পাবা
৭। বিচাৰ কৰা — জ্ঞান পাবা
৮। সেৱা কৰা — শান্তি পাবা
৯। সহ্য কৰা — দেৱত্বৰ অধিকাৰী হ'বা।
১০। সন্তুষ্ট থকা — সুখ পাবা।

— সূৰ্য্য বিশ্বাস
পঞ্চম ষাণ্মাসিক





# যাদুৰ দেশ মায়ং আৰু পবিতৰা অভয়াৰণ্য

ড° উৎপল নাথ
সহকাৰী অধ্যাপক
অৰ্থনীতি বিভাগ
মায়ং আঞ্চলিক মহাবিদ্যালয়

মায়ং হৈছে সুদূৰ অতীতৰে পৰা যাদুবিদ্যা তথা তন্ত্ৰ-মন্ত্ৰ সাধনাৰ এক উচ্চস্তৰৰ কেন্দ্ৰ হিচাপে সুকীয়া পৰিচিতি লাভ কৰি অহা, বহু অনুৎঘাটিত আৰু অনাবিস্কৃত ৰহস্য থুপ খাই থকা মৰিগাঁও জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত এটা ঐতিহাসিক অঞ্চল। পূৰ্বতে মায়ং আছিল এখন ৰাজ্য। কালক্ৰমত সেই মায়ং ৰাজ্যই হৈছিলগৈ মায়ং মৌজা। এতিয়া মায়ং বুলি ক'লে আমি মায়ং মৌজাটোকো বুজিব পাৰো। মায়ং বুলি ক'লে মায়ং ৰাজহ চক্ৰকো বুজায় বা মায়ং বুলি ক'লে মায়ং গাওঁ পঞ্চায়তকো বুজিব পাৰো। আৰু যদিহে আমি মায়ং অঞ্চল বুলি কওঁ, তেন্তে এই অঞ্চলটোৰ মাজবুকুতে আছে পবিতৰা অভয়াৰণ্য। অৰ্থাৎ পবিতৰা অভয়াৰণ্যক কেন্দ্ৰ কৰি চৌদিশে গঢ়ি উঠা প্ৰায় বিশ খনমান গাঁও একত্ৰিত হৈয়েই সৃষ্টি হৈছে বৃহত্তৰ মায়ং অঞ্চল।

**মায়ং ৰাজ্যৰ অতীত ঃ**

প্ৰাপ্ত তথ্য অনুসৰি ষোল্লশ শতিকাতহে মায়ং ৰাজ্যৰ সূত্ৰপাত ঘটিছিল। তাৰ আগতে এই ভূমিখণ্ডত ৰাজ্য আছিল নে নাছিল বা এই ভূমিখণ্ড কোন ৰাজ্য নাইবা ৰজাৰ অধীনত আছিল সেই তথ্য পাবলৈ নাই। ষোল্লশ শতিকাৰ শেষৰ ফালে (১৫৩৮শক) কছাৰী বংশৰ এগৰাকী ৰাজকুমাৰ গুইনত্ব সিংহই তেওঁলোকৰ ৰাজধানী "মাইবং"ৰ পৰা আহি এই ভূমিখণ্ডত ৰাজ্য স্থাপন কৰিছিল। ৰাজবংশটো "মাইবং"ৰ পৰা অহা বাবেই "মাইবং" শব্দটো অপভ্ৰংশ হৈ কালক্ৰমত "মায়ং" নাম পাইছিল বুলি এটা অভিমত আছে। তথ্য অনুসৰি মায়ঙৰ এই ৰাজবংশটো মহাভাৰতৰ দ্বিতীয় পাণ্ডৱ ভীমৰ পুত্ৰ ঘটোৎকচৰ বংশধৰ। মায়ঙত অদ্যাপিও সেই ঘটোৎকচৰ বংশৰ এগৰাকী পৰম্পাগত ৰজা আছে (অলংকাৰিকভাৱে)। বৰ্তমান মায়ঙৰ এই পৰম্পৰাগত ৰজা গৰাকীৰ নাম তৰণীকান্ত সিংহ। তেওঁ মায়ঙৰ ৪০ তম ৰজা। ৰাজ্য শাসনৰ কোনো ৰাজনৈতিক ক্ষমতা বৰ্তমানৰ তেওঁৰ নাই যদিও সমাজখনে তেওঁক ৰজা হিচাপেই সন্মান কৰি আহিছে।

**মায়ঙৰ যাদুমন্ত্ৰ ঃ**

গৱেষক সকলে অনুমান কৰা অনুসৰি খৃষ্টীয় ৭ম-৮ম শতিকা মানতে নীলাচল কামাখ্যাৰ পৰা জলপথেৰে প্ৰায় ৪০ কি.মি পূবত অৱস্থিত মায়ঙৰ ভূমিত তন্ত্ৰ-মন্ত্ৰ সাধনাৰ সূত্ৰপাত ঘটিছিল। ক্ষেত্ৰ অধ্যয়নৰ পৰা এই কথা জানিব পৰা গৈছে যে লোকসমাজত চাঞ্চল্যৰ সৃষ্টি কৰিব পৰা কিছুমান ভয়ঙ্কৰ তন্ত্ৰ-মন্ত্ৰৰ সাধনা আৰু চৰ্চা একালৰ মায়ঙত আছিল। উদাহৰণস্বৰূপে, আকাশেদি উৰা মাৰি যাবৰ বাবে আছিল উৰণ

মন্ত্ৰ, অদৃশ্য হৈ কোনো অসাধ্য সাধনৰ বাবে আছিল লুকি মন্ত্ৰ, বনৰীয়া বাঘক বশ কৰিবৰ বাবে আছিল বাঘ বুলোৱা মন্ত্ৰ, মানুহ নিধনৰ বাবে আছিল টেকেলী বাণ, ঠুমুৰী বাণ; ৰোগ ব্যাধি জাপি মানুহক মৃত্যু মুখত পেলাবৰ নিমিত্তে আছিল বিষ বাণ, জৰ বাণ, গ্ৰহণী বাণ; কোনো অসাধু কাৰ্য সমাধাৰ বাবে মানুহক গভীৰ নিদ্ৰাত পেলাই ৰাখিবৰ নিমিত্তে আছিল নিদ্ৰাবাণ, কাৰোবাক বন্দী কৰি ৰাখিবৰ বাবে আছিল পাশ মন্ত্ৰ, দুটা পক্ষৰ মাজত কাজিয়া লগাবৰ বাবে আছিল কাজিয়া লগোৱা মন্ত্ৰ, কাম পীড়াৰে কাৰোবাক উন্মাদ কৰি তুলিবলৈ আছিল কাম বাণ মন্ত্ৰ আদি। ইয়াৰ বাহিৰেও মানুহক ভেড়ালৈ ৰূপান্তৰ কৰিব পৰা, গছপাতক মাছলৈ ৰূপান্তৰ কৰিব পৰা, বন্দুকৰ নলীয়েদি গুলিৰ পৰিবৰ্তে পানী বোৱাব পৰা, আকাশেদি জ্বলন্ত মাটি চাকি উৰাই পঠাব পৰা, কাৰোবাক আক্ৰমণৰ বাবে মন্ত্ৰবলেৰে কণী চলাই পঠাব পৰা আদিৰ দৰে তন্ত্ৰ-মন্ত্ৰৰ প্ৰচলনো অতীতৰ মায়ঙত আছিল। তেনে মন্ত্ৰ সম্বলিত চাৰিশতকৈও অধিক মন্ত্ৰপুথি মায়ঙীয়াসকলৰ ঘৰে ঘৰে এতিয়াও সংৰক্ষিত হৈ আছে। কিন্তু দুখৰ কথাটো হ'ল— এই মন্ত্ৰপুথিসমূহত লিপিবদ্ধ থকা মন্ত্ৰসমূহৰ সাধনপ্ৰণালী আৰু প্ৰয়োগ বিধি জনা ব্যক্তি মায়ঙৰ আজিৰ প্ৰজন্মৰ বেজ-জ্ঞানীসকলৰ মাজত বিচাৰি পোৱা নাযায়। সেই হ'লেও তন্ত্ৰ-মন্ত্ৰ সাধনাৰ এই ঐতিহাসিক পৰম্পৰা মায়ঙৰ বুকুৰপৰা সম্পূৰ্ণৰূপে শেষ হৈ যোৱা নাই। মায়ঙৰ আধ্যাত্মিক আৰু সাংস্কৃতিক জীৱনত এই পৰম্পৰাটোৰ অস্তিত্ব এতিয়াও বিৰাজমান। এতিয়াও ই এক জীৱন্ত পৰম্পৰা। মায়ঙত বৰ্তমানেও সাধনা অব্যাহত থকা কিছুমান মন্ত্ৰৰ উদাহৰণ হ'ল — সাপৰ বিষ জাৰা মন্ত্ৰ, কঁকালৰ বিষ জাৰা মন্ত্ৰ, নাড়ী জাৰা মন্ত্ৰ, সৰ্ব্বধাক মন্ত্ৰ, বাণ কাটা মন্ত্ৰ, তেজ ৰখোৱা মন্ত্ৰ, উশাহ শূলৰ মন্ত্ৰ, পিয়াহ সিৰাৰ মন্ত্ৰ, বলীয়া কুকুৰে কামোৰা মন্ত্ৰ, বায়ু মন্ত্ৰ, মোহিনী মন্ত্ৰ, আলজিভা জাৰা মন্ত্ৰ ইত্যাদি।

**মায়ঙৰ প্ৰত্নতত্ত্ব ঃ**

প্ৰত্নতাত্ত্বিক দিশত মায়ং অঞ্চলটো খুবেই চহকী। এছিয়াৰ ভিতৰতে সৰ্বদীৰ্ঘতম শিলালিপিখন (৩.৮৫ মিটাৰ দীঘল) মায়ং পাহাৰৰ দাঁতিত অৱস্থিত বুঢ়ামায়ং গাঁৱতে আছে। ভাৰতবৰ্ষৰ ভিতৰতে সৰ্ব্বৃহৎ শিলৰ গণেশ মূৰ্ত্তিটো (১০$^{১}$/$_{২}$ ফুট ×১০$^{১}$/$_{২}$ ফুট) মায়ঙৰে বহা পাহাৰত অৱস্থিত। ইয়াৰ বাহিৰেও অঞ্চলটোৰ চৌপাশে সিঁচৰতি হৈ আছে প্ৰায় ৭ম-৮ম শতিকাৰ পৰা একাদশ-দ্বাদশ শতিকাৰ অন্তৰ্গত ভালেমান শৈল খোদিত প্ৰাচীন ভাস্কৰ্য। এই সমূহৰ ভিতৰত হৰগৌৰী যুগল মূৰ্ত্তি, গণেশ মূৰ্ত্তি, যোনী পীঠ, শিৱ লিংগ, পদ্ম চক্ৰ, সূৰ্য চক্ৰ, শিলৰ কাছ, শিলৰ স্তম্ভ আদিয়েই প্ৰধান। এই শৈল ভাস্কৰ্যবোৰৰ বাহিৰেও কাছক মাদলী হিচাপে পৰিধান কৰা নৃত্যৰত পুৰুষৰ মূৰ্ত্তিকে ধৰি ভালে সংখ্যক পোৰামাটিৰ ভাস্কৰ্যও মায়ঙত বিদ্যমান। এই সমূহে মায়ঙৰ এটা প্ৰাচীন গৌৰৱময় সভ্যতাৰ ইঙ্গিত বহন কৰি আছে।

**আহোম যুগৰ স্মৃতি ঃ**

বৃহত্তৰ মায়ং অঞ্চলৰ পশ্চিম প্ৰান্তত অৱস্থিত কাজলীচকী নামৰ ঠাইখনে আহোম যুগৰ এক যুগমীয়া স্মৃতি বহন কৰি আছে। কলং-ব্ৰহ্মপুত্ৰৰ সঙ্গমস্থলত অৱস্থিত এই কাজলীচকীৰ কাজলী পাহাৰৰ টিলাত বহিয়েই আহোম সেনাপতি লাচিত বৰফুকনে আতন বুঢ়াগোঁহাইৰ স'তে শৰাইঘাট যুদ্ধৰ ৰণকৌশল ৰচনা কৰিছিল। আজিৰ পৰা মাথোঁ কেইটামান বছৰৰ আগতে এই কাজলী পাহাৰৰ দাঁতিতে উদ্ধাৰ হৈছে শৰাইঘাট যুদ্ধৰ সময়ৰ এটা বৃহৎ বৰটোপৰ গুলী ভাণ্ডাৰ। কথিত আছে যে এই শৰাইঘাট যুদ্ধত মায়ঙৰ ৰজাইও আহোমৰ সৈন্যসকলক নানা প্ৰকাৰে সহায়-সহযোগ আগবঢ়াইছিল। বনৰীয়া হাতী ধৰিও মায়ঙৰ ৰজাই আহোমৰ ৰজাক উপহাৰ দিছিল বুলি তথ্য পোৱা যায়। কৃতজ্ঞতাৰ চিনস্বৰূপে আহোম ৰজাইও মায়ঙৰ ৰজাক অস্ত্ৰ-শস্ত্ৰ, দোলা, পদ্মশিলা, চক্ৰশিলাকে ধৰি ভালেমান সা-সামগ্ৰী উপহাৰ হিচাপে দিছিল। মায়ঙত এই সামগ্ৰীসমূহৰ কিছুসংখ্যক এতিয়াও সংৰক্ষিত অৱস্থাত আছে।

**স্বাধীনতা সংগ্ৰামৰ স্মৃতি ঃ**

ভাৰতৰ স্বাধীনতা সংগ্ৰামতো মায়ংবাসী ৰাইজে সক্ৰিয় অংশগ্ৰহণ কৰিছিল। জ্ঞানপীঠ বঁটা বিজয়ী ঔপন্যাসিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ "মৃত্যুঞ্জয়"ৰ পাতে পাতে জিলিক আছে মায়ঙীয়াসকলৰ মাতৃভূমিৰ প্ৰতি থকা অপাৰ প্ৰেমৰ সেই গৌৰৱময় ইতিহাস। "মৃত্যুঞ্জয়" ৰ নায়ক, মায়ঙৰ দৈ পড়া সত্ৰৰ সত্ৰাধিকাৰ মহদানন্দ দেৱ গোস্বামীৰ নেতৃত্বতে মায়ঙৰ পশ্চিম প্ৰান্তত থকা পানীখাইটী ৰে'ল ষ্টেচনৰ সমীপত ৰে'ল লাইনৰ সমীপত ফিছপ্লেট খুলি বৃটিছ সৈন্য কঢ়িয়াই অনা এখন যাত্ৰীবাহী ৰে'ল বগৰাই দিয়া হৈছিল। মহাদানন্দ দেৱ গোস্বামীকে ধৰি এই ৰে'ল বগৰুৱা কাৰ্যত অংশগ্ৰহণ কৰা অন্যকেইজন মায়ঙীয়া লোক আছিল— দধীৰাম বৰদলৈ, ভোগৰাম ডেকা, মধু কেউট, লয়ৰাম মেধি আৰু ভগীৰথ ৰাজা। ভাৰত ত্যাগ আন্দোলনত মায়ঙৰ মহিলায়ো অংশগ্ৰহণ কৰিছিল। মৰিগাঁও জিলাৰ একমাত্ৰ মহিলা শ্বহীদ তথা সমগ্ৰ অসমৰে দ্বিতীয়গৰাকী মহিলা শ্বহীদ হিচাপে পৰিগণিত হোৱা মায়ঙৰ শিলডুবি গাঁৱৰ এই সাহসী মহিলা গৰাকী আছিল আৱলী কোঁচুনী। এই গৰাকী আৱলী কোঁচুনীৰ নেতৃত্বত মনহাত থকা এটা বৃটিছ পৰিদৰ্শন বাংলো আৰু এটা খাৰ-বাৰুদৰ ভঁৰাল জ্বলাই ভস্মীভূত কৰা হৈছিল। এই সকলৰ বাহিৰেও ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰি দেশৰ স্বাধীনতাৰ হ'কৈ যুঁজ দিয়া বৃহত্তৰ মায়ং অঞ্চলৰ লোকসকলৰ ভিতৰত ৰজা বানেশ্বৰ সিংহ, মীনাৰাম সিংহ, গোলোকচন্দ্ৰ গোস্বামী, হৰ কুমাৰ বিষয়া, ঘনকান্ত সিংহ, ৰতিকান্ত শইকীয়া, মহেন্দ্ৰ বিষয়া, মহেন্দ্ৰ নাথ, মেদাৰাম নাথ, ধীৰাজ বিষয়া, সীতাৰাম বিষয়া, হলিৰাম ডেকা, লীলা ডেকা, ভালমন নাথ, প্ৰেমানন্দ নাথ, গোবিন বিষয়া, হৰিচন্দ্ৰ গগৈ, ৰসধৰ ডেকা, আহিনা কোঁৱৰ, হৰুনাথ বৰকাকতি, ভুৱন মেধি, বিৰহ মেধি, দীনৰাম ডেকা, বিকাৰাম ডেকা, বেণুধৰ ডেকা, ভুৱন শইকীয়া, পদু গাওঁবুঢ়া, মায়াতাম দেউৰী সঙ্গিৰাম নাথ আদিৰ নাম উল্লেখযোগ্য।

**মায়ঙৰ পূতস্থান ঃ**

মায়ং হৈছে পঞ্চদেৱতাৰ দেশ। বাৰগণ দেৱতাৰ দেশ। এক কথাত যাদুৰ দেশ মায়ঙক শততীৰ্থৰ দেশ বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। বৃহত্তৰ মায়ং অঞ্চলৰ বিভিন্ন স্থানত সিঁচৰতি হৈ আছে যথেষ্ঠ সংখ্যক থান-মকাম, নামঘৰ-মন্দিৰ তথা প্ৰাচীন পূতভূমি তথা পূতস্থানসমূহ। এইসমূহৰ ভিতৰত মা ভাগৱতী থান আৰু মহাপ্ৰভূ শিৱ থানৰ সংখ্যাই সৰহ। প্ৰতিখন থানৰে আছে সুকীয়া সুকীয়া মাহাত্ম্য আৰু বিশেষত্ব। উল্লেখ যে বুঢ়ামায়ঙৰ বৰঘাট নিজৰাৰ পাৰত অৱস্থিত কেঁচাইখাইটী থানত একালত মায়ঙীয়া তান্ত্ৰিক সকলে মানুহ পৰ্যন্ত বলি দিছিল বুলি তথ্য পোৱা গৈছে। অন্য অন্য থান সমূহৰ ভিতৰত হাতীমুৰীয়াৰ ভগৱতী থান, বুঢ়ী আই থান, বামুণ গোঁসাই থান, গণেশ থান, কাছশিলাৰ শিৱথান, ৰজামায়ঙৰ ৰঙা ডাঙৰীয়া থান, শিৱ থান, শিল গোঁসাই থান, বামুন গোঁসাই থান, বুঢ়ামায়ঙৰ ভগৱতী থান, কমাৰপুৰৰ পগলা থান, বুঢ়া-বুঢ়ীৰ থান শিৱ-পাৰ্বতী (বুঢ়াবুঢ়ী) থান, গোভালীৰ গণেশ থান, কাজলীচকীৰ নৰসিংহ থান, বিষ্ণুথান, হিলৈখুন্দাৰ নৰসিংহ থান, বুঢ়ী আই, ঝাৰগাঁৱৰ শিৱ থান, বহাৰ গণেশ থান আদিয়েই উল্লেখযোগ্য। অনাদি কালৰে পৰা এই পূতস্থান সমূহৰ বিভিন্ন দেৱ-দেৱীক সন্তুষ্ট কৰি ৰখাৰ নিমিত্তে মায়ঙীয়া ৰাইজে নিৰবচ্ছিন্নভাৱে পূজা-অৰ্চনা আগবঢ়াই আহিছে।

**মায়ঙৰ সত্ৰ ঃ**

তন্ত্ৰ-মন্ত্ৰৰ দেশ হিচাপে মায়ঙত শাক্ত, শৈৱ আৰু গ্ৰণপত্য ধৰ্মৰ প্ৰভাৱে আটাইতকৈ বেছি আছিল। সেই প্ৰভাৱৰ মাজতে সোতৰশ শতিকাৰ মাজভাগত (১৫৬৪ শক) হৃদয়ানন্দ কায়স্থ আতাই মায়ঙৰ কালশিলা বিলৰ পাৰত কালশিলীয়া সত্ৰ স্থাপন কৰি বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ পাতনি মেলিছিল। এই সত্ৰখন আছিল পুৰুষ সংহতিৰ সত্ৰ। এই কালশিলীয়া সত্ৰত বহিয়েই হৃদয়ানন্দ কায়স্থ তথা অনন্ত ঠাকুৰ আতাই "শ্ৰীৰাম কীৰ্ত্তন" আৰু "ভক্তি প্ৰেমলতা" নামৰ দুখন বিখ্যাত পুথি ৰচনা কৰিছিল। ইয়াৰ পাছত দামোদৰদেৱৰ নাতি শিৰোমণিদেৱে মায়ঙৰ শিলডুবিত এখন ব্ৰহ্ম সংহতিৰ সত্ৰ, ভোগদেৱ আতাই বঢ়মপুৰত আন এখনি ব্ৰহ্ম সংহতিৰ সত্ৰ, বজ্ৰানন্দই খোলাগাঁৱত "খোলগাঁও মিছামাৰি সত্ৰ", সভানন্দই দৈ-পৰাত "দৈ পৰা মিছামাৰি সত্ৰ" স্থাপন কৰি অঞ্চলটোত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত অৰিহনা যোগাইছিল। এই সত্ৰসমূহৰ প্ৰভাৱতে লাহে লাহে মায়ঙত শাক্ত আৰু শৈৱ ধৰ্মৰ সামান্তৰালকৈ বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱো বিস্তাৰিত হ'বলৈ আৰম্ভ কৰিছিল।

**মায়ঙৰ সংস্কৃতি ঃ**

মায়ং সাংস্কৃতিক ভাৱেও অত্যন্ত চহকী। মন্ত্ৰ সংস্কৃতি হৈছে মায়ঙৰ একক আৰু অনন্য সংস্কৃতি। মায়ং হৈছে কাৰ্বি, বড়ো, কোঁচ, কলিতা, যোগী, নেপালী, কৈৱৰ্ত্য আদি বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি। এই সকলো জাতি জনগোষ্ঠীৰ লোকেই নিজৰ নিজৰ কৃষ্টি-সংস্কৃতি সমূহ আচ্ছন্ন ৰূপত জীয়াই ৰাখিছে। কাৰ্বি নৃত্য, বড়ো নৃত্য, নেপালী নৃত্য, গাৰো নৃত্য, বিহু নৃত্য, হুচৰী, ভোৰতাল নৃত্য, আই নাম, দিহা নাম, থিয় নাম, নাগাৰা নাম, ওজাপালি, সৱহৱা নাম, খুলীয়া ভাওনা, অসমীয়া ভাওনা আদিৰ চৰ্চা আৰু সাধনাও মায়ঙৰ গাঁৱে গাঁৱে বিস্তৃত ৰূপত অব্যাহত আছে। লক্ষ্মীপূজা, দুৰ্গা পূজা, কালী পূজা, গণেশ পূজা, শিৱপূজা, জন্মাষ্টমী, চড়ক পূজা, ৰথযাত্ৰা, দৌল উৎসৱ, দেৱালী আদি উৎসৱ পাৰ্বনসমূহৰ বাহিৰেও ভেকুলী বিয়া, নৌকা খন্দা, তোলনী বিয়া, মহহো, গৰখীয়া পূজা, শণি পূজা আদি লোক-উৎসৱ পাৰ্বন সমূহো মায়ঙীয়া ৰাইজে পূৰ্বৰ দৰেই পালন কৰি

আহিছে। মায়ঙৰ আটাইটকৈ গুৰুত্বপূৰ্ণ আৰু একক লোক উৎসৱটো হৈছে গোঁসাই উলিওৱা উৎসৱ। কৃত্ৰিমতাৰ কোনো ›¶ûÅ Îô¸ýÅ÷ßÅ ৩৫০ বছৰ ধৰি নিৰৱচ্ছিন্নভাৱে উদযাপিত হৈ অহা এই উৎসৱটো আচলতে এটা ৰাজকীয় উৎসৱ। এই উৎসৱত মায়ঙৰ পঞ্চ গোঁসাই সহিতে পৰম্পৰাগত ৰজা, বা-বিষয়া সকলে মায়ংবাসীৰ শান্তি-সমৃদ্ধি কামনাৰে পদব্ৰজে শোভাযাত্ৰা কৰে। বৈশিষ্ট্য আৰু চৰিত্ৰৰ ফালৰ পৰা একক আৰু অনন্য প্ৰায় বিৰল প্ৰকৃতিৰ এই গোঁসাই উলিওৱা উৎসৱটো মায়ঙীয়া সংস্কৃতিৰ সৌধস্বৰূপ। অঞ্চলটোৰ সকলো জাতি-জনগোষ্ঠীৰ লোকে নিজৰ নিজৰ কৃষ্টি-সংস্কৃতি প্ৰদৰ্শনৰে এই উৎসৱত আগ-ভাগ লয়।

**মায়ঙৰ অৰ্থনীতি ঃ**

মায়ঙৰ অৰ্থনীতি হৈছে কৃষিভিত্তিক অৰ্থনীতি। অঞ্চলটোৰ মুঠ ৯০% মানুহেই কৃষিজীৱি। ধানেই হৈছে অঞ্চলটোৰ প্ৰধান কৃষিজাত সামগ্ৰী। বৰোধান উৎপাদনৰ ক্ষেত্ৰত অঞ্চলটোৰ এটা ভাল সুনাম আছে। অসমৰ ভিতৰতে আটাইতকৈ বেছি বৰো ধান উৎপাদন হয় মৰিগাঁও জিলাত আৰু জিলাখনৰ ভিতৰতে আটাইতকৈ বেছি বৰোধান হয় মায়ং অঞ্চলত। এককথাত গোটেই অঞ্চলটোৱে এটা ধানৰ ভঁৰাল। বড়ো ভাষাত ধান-চাউলৰ ভঁৰালক 'মাইবং' বুলি কোৱা হয়। অতীজৰে পৰা অঞ্চলটোত প্ৰচুৰ পৰিমাণে ধান উৎপাদন হয় বাবেই, এই 'মাইবং' শব্দটোৰ পৰাই মায়ং নামটোৰ উৎপত্তি হোৱা বুলিও এটা অভিমত আছে। ধানৰ বাহিৰেও অন্য অন্য কৃষিজাত সামগ্ৰীৰ ভিতৰত সৰিয়হ, মৰাপাট, তিল, মাহ, কুঁহিয়াৰ, কল, তামোলপান, নাৰিকল আদি অন্যতম। মাছ উৎপাদনৰ ক্ষেত্ৰতো অঞ্চলটোৰ সুনাম এটা আছে। এনেকৈ কৃষিজাত সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত অঞ্চলটো আগবঢ়া যদিও ইয়াৰ বাসিন্দাসকলৰ অৰ্থনৈতিক অৱস্থা উৎসাহজনক নহয়। শেহতীয়াকৈ পবিতৰা অভয়াৰণ্যক কেন্দ্ৰ কৰি গঢ় লৈ উঠা পৰ্যটন উদ্যোগটোৱে মায়ঙৰ অৰ্থনৈতিক অৱস্থালৈ পৰিৱৰ্তন এটা আনিছে। বন্য পৰ্যটনৰ পৰা সাংস্কৃতিক পৰ্যটনলৈ প্ৰত্নতাত্ত্বিক পৰ্যটনৰ পৰা তীৰ্থ পৰ্যটনলৈ, নদী পৰ্যটনৰ পৰা পৰিৱেশানুকূল পৰ্যটনলৈ— পৰ্যটনৰ প্ৰায় সকলো সমলেৰে পৰিপূৰ্ণ এই অঞ্চলটোত আশানুৰূপ ধৰণেৰে যদি পৰ্যটন উদ্যোগটোৰ বিকাশ ঘটে, তেন্তে ইয়ে অদূৰ ভৱিষ্যতে মায়ঙৰ সামগ্ৰীক অৰ্থনীতিলৈ এক সাগৰ সদৃশ পৰিৱৰ্তন বোৱাই আনিব বুলি আশা কৰিব পাৰি।

**মায়ঙৰ শিক্ষা ঃ**

শৈক্ষিক দিশত মায়ংখন চকুত লগা ধৰণেৰে আগবঢ়া নাছিল যদিও অতি শেহতীয়াকৈ এখোজ দুখোজকৈ আগবাঢ়ি আহিছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত মায়ঙৰ ছাত্ৰীয়ে অসমৰ ভিতৰতে স্থান দখল কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। ১৯০৪ চনতে মায়ং অঞ্চলটোত প্ৰথমখন প্ৰাথমিক বিদ্যালয় স্থাপন হৈছিল। এতিয়া অঞ্চলটোৰ গাঁৱে গাঁৱে প্ৰায় ২/৩ খনকৈ প্ৰাথমিক বিদ্যালয় আছে। ১৯৩৮ চনত বৃহত্তৰ মায়ং অঞ্চলটোত স্থাপন হৈছিল প্ৰথমখন মধ্য ইংৰাজী বিদ্যালয়। এতিয়া গোটেই অঞ্চলটোত প্ৰায় ২০ খন মান মধ্য ইংৰাজী বিদ্যালয় আছে। ১৯৬০ চনত মায়ং অঞ্চলটোত স্থাপন হৈছিল প্ৰথমখন উচ্চ মাধ্যমিক বিদ্যালয়। এতিয়া গোটেই অঞ্চলটোত প্ৰায় ১২ খন মান উচ্চ মাধ্যমিক বিদ্যালয় আছে। ১৯৮৫ চনত মায়ং উচ্চ মাধ্যমিক বিদ্যালয়খন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হৈছিল। এতিয়া সমগ্ৰ মায়ং অঞ্চলটোত কেইবাখনো উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কেইবাখনো কনিষ্ঠ মহাবিদ্যালয় আছে। উচ্চ শিক্ষাৰ প্ৰধান কেন্দ্ৰ হিচাপে ১৯৯২ চনতে মায়ঙৰ বুকুত গঢ় লৈ উঠিছিল "মায়ং আঞ্চলিক মহাবিদ্যালয়।" ইতিমধ্যে এই মহাবিদ্যালয়খনে সগৌৰৱে ৰূপালী জয়ন্তী বৰ্ষও অতিক্ৰম কৰিছে। ইয়াৰ বাহিৰেও অঞ্চলটোত শেহতীয়াকৈ কেইবাখনে শংকৰদেৱ শিশু-নিকেতন, জাতীয় বিদ্যালয় আৰু ইংৰাজী মাধ্যমৰ বিদ্যালয়ো স্থাপন হৈছে। এই শিক্ষানুষ্ঠান সমূহে অঞ্চলটোৰ শৈক্ষিক ক্ষেত্ৰলৈ বৰ্তমানে আশানুৰূপ অৰিহণা আগবঢ়াই আছে। অৱশ্যে মায়ঙত এতিয়ালৈকে বিজ্ঞান শিক্ষাৰ কোনো শিক্ষানুষ্ঠান গঢ়ি উঠা নাই।

**মায়ং গ্ৰাম্য সংগ্ৰহালয় ঃ**

মায়ঙৰ সমাজ-সাহিত্য, সংস্কৃতি, ক্ৰীড়া, শিক্ষা আদি বিভিন্ন ক্ষেত্ৰৰ লগত জড়িত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান সমূহৰ ভিতৰত "মায়ং গ্ৰাম্য সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰ" হৈছে এক অন্যতম অনুষ্ঠান। ইতিহাস প্ৰসিদ্ধ মায়ঙৰ ঐতিহাসিক, সাংস্কৃতিক, পুৰাতাত্ত্বিক আৰু প্ৰত্নতাত্ত্বিক সমলৰাজি এই গ্ৰাম্য সংগ্ৰহালয়তে সংৰক্ষণ কৰি ৰখা হৈছে। আকাৰত সৰু হ'লেও এই সংগ্ৰহালয়টোত সংগৃহিত হৈ থকা গুৰুত্বপূৰ্ণ তথা






দুষ্প্ৰাপ্য সম্পদৰাজিয়ে দেশ-বিদেশৰ পৰ্যটক, গৱেষক-পণ্ডিত সকলক আকৰ্ষণ কৰি আহিছে। ২০০২ চনত প্ৰতিষ্ঠা লাভ কৰা এই গ্ৰাম্য সংগ্ৰহালয়টোত বাৰশ শতিকাৰ পৰা ওঠৰশ শতিকাৰ অন্তৰ্গত তন্ত্ৰ-মন্ত্ৰৰ পুঁথি-পাঁজি, ৰজাঘৰীয়া অস্ত্ৰ-শস্ত্ৰ, বাচন-বৰ্তন, পোৰামাটিৰ ভাস্কৰ্য, শৈল ভাস্কৰ্য, চিকাৰ সঁজুলী আদিকে ধৰি মায়ঙৰ গৌৰৱময় সভ্যতা-সংস্কৃতিক প্ৰতিনিধিত্ব কৰি থকা বহু প্ৰাচীন সা-সামগ্ৰী সংৰক্ষিত হৈ আছে।

**পবিতৰা অভয়াৰণ্য ঃ**

মায়ং প্ৰাকৃতিভাৱেও অতি চহকী। বৃহত্তৰ মায়ং অঞ্চলটোৰ মাজবুকুতে আছে এশিঙীয়া গঁড়ৰ ঘনত্বৰ দিশত বিশ্বৰ ভিতৰতে প্ৰথম স্থানত থকা পবিতৰা অভয়াৰণ্য। পবিতৰা হ'ল স্থানীয় মায়ংবাসী ৰাইজৰ দীৰ্ঘদিনীয়া দাবী, নেৰা-নেপেৰা প্ৰচেষ্টা আৰু উদ্যোগত গঢ়ি উঠা এখন অভয়াৰণ্য। অৰ্থাৎ পবিতৰা হৈছে স্থানীয় ৰাইজে নিৰ্মাণ কৰা এখন অভয়াৰণ্য। পবিতৰা খন নিৰ্মাণৰ স্বাৰ্থত একাংশ স্থানীয় ৰাইজে নিজৰ ম্যাদী মাটি পৰ্যন্ত অভয়াৰণ্যখনৰ বাবে এৰি দিছিল। কিংবদন্তিমতে, মায়ং ৰাজ্যৰ এগৰাকী ৰজাৰ "পবিত্ৰা" নামৰে এগৰাকী অতি সুন্দৰী জীয়াৰী আছিল। দিপলিপ ৰাজকুমাৰী "পবিত্ৰা"ৰ অকাল বিয়োগত ৰাজকুমাৰীৰ নাম চিৰস্মৰণীয় কৰি ৰাখিবৰ বাবেই ৰজাই এই বননিখনৰ নাম ৰাখিছিল "পবিত্ৰা"। কালক্ৰমত এই "পবিত্ৰা" ৰ পৰাই "পবিতৰা" নামটোৰ উৎপত্তি হৈছিল বুলি বিজ্ঞসকলে কয়। ১৯২৫ চনতে পবিতৰাৰ বুকুলৈ বিশ্বৰ বিৰল প্ৰজাতিৰ প্ৰাণী গঁড়ৰ প্ৰব্ৰজন ঘটিছিল বুলি তথ্য পোৱা গৈছে। প্ৰথমটো গঁড় বাৰিষাৰ বানত ক'ৰবাৰ পৰা উটি আহি পবিতৰাৰ বননিত থিতাপি লৈছিল। এই গঁড়টো স্থানীয় ৰাইজে চিকাৰ কৰি তাৰ মঙহ ভগাই-পিতাই খাইছিল। দ্বিতীয় গঁড়টোও বাৰিষাৰ বানতে ক'ৰবাৰ পৰা উটি আহি পবিতৰাত থিতাপি লৈছিলহি। এই গঁড়টো এইবাৰ স্থানীয় ৰাইজে ধৰি মায়ঙৰ ৰজাৰ ঘৰত ঘৰচীয়া জন্তুৰ দৰে পুহিছিল। অৱশ্যে কোনো অচিনাক্ত ৰোগত আক্ৰান্ত হৈ শেষত গঁড়টো মৃত্যুমুখত পৰিছিল। গঁড়ৰ এই প্ৰব্ৰজনৰ ঘটনা ১৯২৫ চনৰ পৰা ১৯৬১-৬২ চনলৈ ঘটিছিল আৰু এটা এটাকৈ পবিতৰাত গঁড়ৰ সংখ্যা বাঢ়ি ১৪টা হৈছিলগৈ। এনেদৰে পবিতৰাৰ বননিত গঁড়ৰ সংখ্যা বাঢ়িবলৈ ধৰাত স্থানীয় একাংশ প্ৰকৃতিপ্ৰেমী ৰাইজৰ মনত এই বিশাল আকৃতিৰ তৃণভোজী জন্তুবিধৰ সুৰক্ষাৰ স্বাৰ্থতে পবিতৰা Ãô¸þàò ùÅ¸ŽÅÅßÅÿ 1à± Åuô¸ýÅ÷Åÿ ùûô¸ ১৯৬৭ চনত ÎîÅ¸ÅÞûùÈßÅ ÷ßÅÏ ô¸îÅ "Village Grazing Reserve" হিচাপে চিহ্নিত হৈ থকা পবিতৰা বননিখনক "পবিতৰা সংৰক্ষিত বনাঞ্চললৈ" ৰূপান্তৰ কৰাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাবলৈ বৃহত্তৰ মায়ং অঞ্চলৰ নেতৃস্থানীয় প্ৰকৃতিপ্ৰেমী লোক কিছু লগ হৈ "পবিতৰা বনাঞ্চল সুৰক্ষা সমিতি" নামেৰে এখন সমিতি গঠন কৰে। এই সমিতিখনৰ উদ্যোগতে স্থানীয় ৰাইজে পবিতৰাক "সংৰক্ষিত বনাঞ্চল" হিচাপে ঘোষণা কৰিব লাগে বুলি আবেদন-নিবেদনৰ জৰিয়তে চৰকাৰৰ ওচৰত নেৰা-নেপেৰাকৈ দাবী উত্থাপন কৰিবলৈ আৰম্ভ কৰে। স্থানীয় ৰাইজৰ দাবী, আবেদনৰ প্ৰতি সঁহাৰি জনাই ১৯৭১ চনৰ ১৮ নৱেম্বত ১৬ বৰ্গ কিলোমিটাৰ মাটিৰ এলেকা সামৰি পবিতৰা Grazing Reserve খনক পবিতৰা সংৰক্ষিত বনাঞ্চল (Reserve Forest) হিচাপে চৰকাৰে ঘোষণা কৰে। মায়ঙৰ ৰাইজ ইমানতে ক্ষান্ত হৈ নাথাকিল। সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰাৰ কেইটামান বছৰৰ পাছতেই পবিতৰা অভয়াৰণ্য হিচাপে স্বীকৃতি দিব লাগে বুলি স্থানীয় ৰাইজে দাবী জনায় শেষত ১৯৮৭ চনৰ ১৬ জুলাইত চৰকাৰে পবিতৰা সংৰক্ষিত বনাঞ্চলক পবিতৰা অভয়াৰণ্য হিচাপে ঘোষণা কৰে। চৰকাৰী তথ্য অনুসৰি মায়ং পাহাৰখন সাঙুৰী বৰ্তমান পবিতৰা অভয়াৰণ্যৰ মাটিকালি ৩৮.৮১ বৰ্গ কিলোমিটাৰ। বৰ্তমান পবিতৰাত থকা এশিঙীয়া গঁড়ৰ সংখ্যা ১০২ টা। মূলতঃ গঁড়ৰ বাবেই পবিতৰা বিখ্যাত যদিও এই অভয়াৰণ্যখন পৰিভ্ৰমী পক্ষীৰো ৰম্যপুৰী। প্ৰতিবছৰে গঁড় হিচাপত প্ৰায় ২০ হাজাৰ মান পৰিভ্ৰমী জলচৰ পক্ষীৰ সমাগম হয় পবিতৰাত। পবিতৰাত বসবাস কৰা অন্যান্য বনৰীয়া জীৱ-জন্তুৰ ভিতৰত বনৰীয়া ম'হ, বনৰীয়া গাহৰি, অজগৰ আদিৰ সংখ্যাই সৰহ। মায়ঙৰ ৰাইজে এই পবিতৰা অভয়াৰণ্যখনিক বুকুৰ আপোন জ্ঞান কৰি আহিছে। এশিঙীয়া গঁড়কে ধৰি এই অভয়াৰণ্যৰ সকলো জীৱ-জন্তু, চৰাই-চিৰিকটিকে ঘৰচীয়া জীৱ-জন্তুৰ দৰে জ্ঞান কৰি সিহঁতৰ সুৰক্ষাৰ বাবে চৰকাৰ তথা বন বিভাগক সদায়ে সহায়-সহযোগ আগবঢ়াই আহিছে। যাদু বিদ্যাৰ লগতে বৰ্তমান এই পবিতৰা অভয়াৰণ্যখনো মায়ঙৰ বাবে এক অন্য পৰিচয় হৈ পৰিছে।



# পাচলিৰ বাগিচাখন

*কবিতা মেধি*
*মুৰব্বী অধ্যাপিকা*
*শিক্ষা বিভাগ।*

বাৰীৰ পৰা চিঙি অনা সতেজ পাচলিৰ আঞ্জাখনৰ সোৱাদ পালেই মাৰ হাতৰ আঞ্জাখনলৈ মনত পৰে। ভাত বনাবলৈ যোৱাৰ আগতে হাতত খৰাহিটো লৈ বাৰীত পাক এটা মাৰিলেই বতৰৰ শাক-পাচলি খৰাহি ভৰাই আনিব পাৰে আৰু সেই আঞ্জাৰ সোৱাদ তথা গুণা-গুণ বৰ্ণনাতীত। আজিকালি সেই পাচলিৰ বাগিছা নাই। শুধিলে এটাই উত্তৰ "বজাৰলৈ গলেই সকলো পায়" ইমান কষ্ট কিয় কৰিব লাগে। সঁচা আজি কালি বজাৰলৈ গলেই কচু, ঢেকীয়াৰ পৰা সকলো বস্তু পোৱা যায়। কিন্তু ইয়াৰ মানদণ্ড কেনেকুৱা ? আজিৰ যুগত বজাৰত ৰাসায়নিক দৰৱ কীটনাশক দৰৱ প্ৰয়োগ কৰা ভেজাল পাচলিৰ পয়োভৰ আৰু চকু কপালত উঠা জুই-ছাই দাম। তাতকৈ আমি অকনমান কষ্ট কৰিলে ঘৰতে সতেজ পাচলি, সোৱাদযুক্ত আৰু পুষ্টিকৰ পাচলি পাব পাৰে। কাৰণ ময়ো পাকঘৰতে বাৰীখন পতাৰ পক্ষপাতী। আজিকালি মানুহৰ ঘৰত পাচলিৰ বাগানৰ বাবে ঠাইৰ অভাৱ, ডাঙৰ ডাঙৰ অট্টালিকা, কাষতে গাড়ী পাৰ্কিঙৰ ঠাই। এনেস্থলত আমি অতি সহজতে ঘৰৰ চাদৰ ওপৰত বা ঘৰৰ কাষতে সুন্দৰ এখন পাচলিৰ বাগান পাতিব পাৰো। যিহেতু আমাৰ ঘৰৰ ওপৰৰ ছাদখন কাপোৰ মেলাৰ বাদে আন কোনো কামৰ বাবে ব্যৱহাৰ নকৰো তাতে আমি জিকা, ভেণ্ডি, ভোল, জলকীয়া, বেঙেনা, ভেদাইলতা, আদা অতি সহজভাৱে কৰি কীটনাশক দ্ৰব্য প্ৰয়োগ কৰা পাচলি নোখোৱাকৈ সহজে সতেজ পাচলি খাব পাৰি।

ইয়াৰ বাবে প্ৰথমে আমাক গোবৰ আৰু মাটিৰ এটা মিশ্ৰনৰ প্ৰয়োজন। গোবৰৰ গুৰি আৰু মাটি একেলগ কৰি তিনি-চাৰিদিনমান ৰ'দত শুকাব লাগে। আজি কালি বজাৰত চালানী মাছ অনা ডাঙৰ ডাঙৰ কুহিলাৰ বাকচ পোৱা যায়। দাম বৰ বেচি নহয়। তাৰে কিছু বাকচ ক্ৰয় কৰি আনি গোবৰ মাটিৰ মিশ্ৰণটো বাকচটোত আধাতকৈ বেছি অংশ ভৰাই পানী ঢালি মিশ্ৰণটো সম্পূৰ্ণ তিতিবলৈ দি এদিন থৈ দিয়াৰ পাছত বাকচকেইটা পাচলি ৰোৱৰ বাবে প্ৰস্তুত হৈ উঠিব। এতিয়া আমি যি পাচলিৰ পুলিয়েই নলগাও তাৰ উপযুক্ত পুলি বিচাৰি আনি ৰুব লাগে। এটা বাকচত দুটাতকৈ বেছি পুলি ৰুব নালাগে। এনেদৰে কৰা পদ্ধতিত পুলিবোৰৰ পাতৰ গঠন ভাল হয় যাৰ





ফলত গোটেই বাকচটো পাতেৰে ভৰি পাৰে। বেঙেনা, জলকীয়া, বিলাহীৰ পুলি এটাতকৈ বেছি ৰুৱ নালাগে। কুহিলাৰ বাকচৰ পাচলিত পানী যথেষ্ট পৰিমাণে দিব লাগে। পুৱা-গধুলি পাৰিলে দুবাৰকৈ পানী দিব লাগে যাতে কোনো কাৰণত পুলিবোৰ লেৰেলি নাযায়।

এনেকুৱা বাকচত যদি এটাত পদিনা, এটাত মছন্দৰি, এটাত ব্ৰাহ্মি শাক, এটাত জলকীয়া, এটাত বেঙেনা (বাৰমহীয়া), এটাত ভেদাইলতা, এটাত নৰসিংহ আৰু বতৰৰ লেচেৰি, লাও, জিকা, ভোল দিয়া হয় তেতিয়া বজাৰলৈ গৈ অধিক মূল্যৰে পাচলিৰ নামত বৰবিষ কিনাৰ প্ৰশ্নই নুঠে। তাৰোপৰি নিজৰ বাগানৰ পাচলিৰ গছবোৰৰ লগত একাত্ম হ'ব পাৰিলে বহখিনি মানসিক ছাপৰ পৰা পৰিত্ৰাণ পাব পাৰি। মোৰ ঘৰৰ বাকচত এতিয়াও আছে জিকা, জলকীয়া আৰু বেঙেনা। মোৰ আজৰিৰ সময়খিনি সেই গছবোৰৰ লগত কটাই ভাল পাওঁ। এটা বাকচৰ দুডাল বিলাহী নিজে খোৱৰ লগতে ওচৰ চুবুৰীয়াকো দিব পাৰিছোঁ। কুহিলাৰ বাকচত খেতি কৰিবলৈ সহজ। কাৰণ বাৰিষা বেছি বৰষুণ হলেও ইয়াত জেলুকীয়া নালাগে সহজতে বন চাফা কৰি দিব পাৰি। গতিকে কিয় আমি অকনমান কষ্ট নকৰো। আজিকালি কিছুমান জৈৱিক পাচলিৰ বিপণী দেখিবলৈ পোৱা যায়। কিন্তু প্ৰশ্ন হয় সচাকয়ে সেইবোৰ জৈৱিক সাৰ প্ৰয়োগেৰে উৎপাদিত পাচলি নে ? যিবোৰ খেতিয়কৰ পৰা এই পাচলি বোৰ সংগ্ৰহ কৰা হয় তেওঁলোকে সঁচাকৈয়ে ৰাসায়নিক সাৰ প্ৰয়োগ নকৰে নেকি ? ঢেকীয়া আমি সাধাৰণতে বাৰীৰ ঢাপৰ পৰা চিঙি আনি খাওঁ। যিবোৰ নিজে নিজে হয়। আজিকালি বজাৰত দম দম ঢেকীয়া শাক পোৱা যত ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰি উৎপাদন কৰা।

মুঠতে অসমীয়াত এষাৰ কথা আছে " বাচি খাবা, জাগি শুবা"। বাচি খাবলৈ হ'লে অকনমান কষ্ট কৰি নিজৰ বাগিচাখন পতাটোৱেই উত্তম। কিয়নো শস্যৰ উৎপাদন বৃদ্ধিৰ বাবে ৰাসায়নিক সাৰ, কীটনাশক আদিৰ অত্যাধিক আৰু অবিজ্ঞান সম্মত প্ৰয়োগে মানৱ দেহলৈ মাতিছে ভয়াবহ বিপদ। কৰ্কট, গেষ্ট্ৰ ইনফেকচন, লিভাৰৰ অসুখ, পেনক্ৰিয়াটাইটিছ, টাইফয়েড আদি ৰোগৰ মূল কাৰণ হ'ল অত্যাধিক কীটনাশক ব্যৱহাৰ কৰা শাক-পাচলি, ধান, ফলমূল খাদ্যাভ্যাসে স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়েহে কীটনাশক প্ৰয়োগ এৰাই চলিবলৈ ঘৰতে এখন পাচলিৰ বাগিচা অতি প্ৰয়োজন যিয়ে আমাৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্য ৰক্ষাত সহায় কৰে।

-0-0-0-

## মহৎ লোকৰ বাণী

যদি আপুনি সূৰ্য্যৰ দৰে উজ্জ্বল হ'বলৈ বিচাৰে তেনেহ'লে প্ৰথমে সূৰ্য্যৰ দৰে জ্বলিবলৈ শিকক।

— ডঃ এ.পি.জে. আব্দুল কালাম।

চকুৰে নেদেখাজনক অন্ধ বুলিব নোৱাৰি নিজৰ দোষ-ত্ৰুটিবোৰ লুকাই ৰখাজনক হে প্ৰকৃত অৰ্থত অন্ধ।

— মহাত্মা গান্ধী

শাৰীৰিক সৌন্দৰ্য্যলৈ কেতিয়াও গৰ্ব নকৰিব কাৰণ সেইটো আপোনাৰ সৃষ্টি নহয়। বংশ লৈয়ো গৰ্ব নকৰিব কাৰণ সেইটো আপোনাৰ সৃষ্টি নহয়। গৰ্ব কৰক উন্নত চৰিত্ৰ লৈ যিটো আপুনি নিজে গঠন কৰিছে।

— ডঃ এ.পি.জে. আব্দুল কালাম।

মনিকা ডেকা
তৃতীয় ষাণ্মাসিক

# আনন্দৰ মহানুভৱ

দিলীপ শইকীয়া
জ্যেষ্ঠ কাৰ্যালয় সহায়ক
মায়ং আঞ্চলিক মহাবিদ্যালয়

২০১৯ চনৰ ফেব্ৰুৱাৰী মাহৰ ৬ তাৰিখ। অনুষ্ঠানটিৰ পৰিচালনা সমিতিৰ সভাপতিৰ লগতে আন এজন নিষ্ঠাবান কৰ্মী অনুষ্ঠানটিৰ বাৰাণ্ডাত আৰু কোঠা সমূহত দুই তিনিজন লগ হৈ গোপন বাৰ্তালাপ। ঠিক দুই-তিনি মিনিটমানৰ পিছত এখন চাৰিচকীয়া গাড়ীত ২ জন ডেকা ল'ৰাৰ সৈতে পঞ্চাসোৰ্দ্ধৰ এজন ব্যক্তি উপস্থিত। গাড়ীৰ পৰা নামিয়ে আটাইকেইজন পোনে পোনে কোঠাটোত প্ৰৱেশ কৰিছে। কাম কৰি থকা মেজৰ পৰা উঠি দেখিলো এজন মোৰ অচিনাকী ব্যক্তি আৰু কেইজনমান ডেকাৰ হাতত গামোচাৰ টোপোলা। মুহূৰ্ত্তে গোপন আলাপত ব্যস্ত থকা সকল আৰু অনুষ্ঠানটিৰ বাহিৰত কৰ্মৰত কৰ্মচাৰীৰে কোঠাটো ভৰি পৰিল। ইফালে সিফালে সোধ-পোচ কৰি গম পালো যে, এই অচিনাকী ব্যক্তিজনে হেনো অনুষ্ঠানটিৰ অধ্যক্ষ হিচাপে যোগদান কৰিব। কথাটো শুনি খন্তেক সময়ৰ বাবে হাত ভৰি কপি উঠিছিল। দেখাত ওখ-পাখ আটিল চেহেৰাৰ এইজনা মহোদয়ক কৰ্মৰ যোগেদি সন্তুষ্ট ৰাখিব পাৰিমনে নাই ভয় লাগিছিল।

নৱনিযুক্ত অধ্যক্ষৰ লগত কোঠাটোৰ ভিতৰতে থকা সকলে চা-চিনাকী হৈ কেইজনমানে অনুষ্ঠানৰ চাৰিওদিশ আঙুলিয়াই জ্ঞাত কৰিলে। তেখেতেও এওঁলোকৰ কথাতে হয়ভৰ দি পুনৰ কোঠাত আসন ল'লে। আৰম্ভ হ'ল যোগদানৰ যাৱতীয় কাৰ্যপন্থা। প্ৰয়োজন হ'ল জ্যেষ্ঠ কাৰ্যালয় সহায়কৰ। এনেতে এজনে লৰালৰিকৈ গৈ ক'লে, " দাদা আপোনাক প্ৰিন্সিপাল ছাৰে মাতিছে"। ময়ো পলম নকৰি যথাস্থানত উপস্থিত হৈ প্ৰণাম সহকাৰে চিনাকী দিলোঁ। উপস্থিত শুভাকাংক্ষীৰ পৰামৰ্শ অনুসৰি Joining Report ৰ কামখিনি সমাপন কৰিলোঁ। ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° গুনেশ্বৰ ডেকা মহোদয়ে সেইদিনা উপস্থিত নথকাৰ বাবে দায়িত্বভাৰ চমজি দিব পৰা নহ'ল। পিছদিনা ভাৰপ্ৰাপ্তগৰাকী আহিলত এপদ-দুপদকৈ নথি-পত্ৰ নতুন অধ্যক্ষৰ হাতত অৰ্পণ কৰা হ'ল। অধ্যক্ষ গৰাকীয়ে আন আন নথিসমূহ পিছত বুজি লোৱাৰ মানসেৰে একাষৰীয়া কৰি থৈ পুনতে পুঁজিৰ দিশটোৰ ওপৰত নজৰ দিলে। এটা-এটাকৈ নিৰীক্ষণ কৰি দেখে যে অনুষ্ঠানটিৰ জমা পুঁজি বুলিবলৈ প্ৰায় নায়েই। তলি উদং দেখি





মূৰে কপালে হাত দিলে। আনফালে অপ্ৰাদেশীকৃত শিক্ষক কৰ্মচাৰীসকলক পাঁচ মাহৰ পাৰিতোষিক দিবলৈ বাকী আছে। আমাৰ লগত আচুতিয়াকৈ আলোচনাত বহিল— কেনেকৈ পদমৰ্যদা ৰক্ষা কৰিব পৰা যাব? আমি নিৰ্ভয় দিলোঁ " আপুনি ভয় নাখাব। দুই তিনিমাহমান উন্নয়নমূলক কামৰ পৰা আঁতৰি থাকি কেৱল অহা যোৱা কৰি থাকক। বিনামূলীয়া নামভৰ্ত্তিৰ মাচুলখিনি চৰকাৰে অনুমোদন দিলে সকাহ পাব।" তেখেত এজন দূৰদৰ্শী আৰু কৰ্মোৎসাহী ব্যক্তি হোৱা হেতুকে সকলো অভাৱ দূৰতে বিদূৰ কৰি নিজ দায়িত্ব পালত ব্যস্ত হ'ল। সকলো শিক্ষক কৰ্মচাৰীকে একত্ৰিত কৰি কাকো আপোন-পৰ নাভাবি নিজ নিজ দায়িত্ব পালনত ব্যস্ত ৰাখিলে। মাজে সময়ে সভা সমিতি পাতি বিভাগীয় কাম-কাজৰ নিয়ম-নীতি অটুট ৰাখি কৰ্তব্য পালনৰ পৰামৰ্শ দিলে। এইবোৰ কৰিবলৈ যাওঁতে কিছু সংখ্যকে আমনি নোপোৱা নহয়। গতানুগতিকভাৱে পালন কৰি অহা নীতি-নিয়মৰ যদি হঠাতে সলনি হ'ব লগা হয় নিশ্চয় কিছু অশান্তিদায়ক হবই। অৱশ্যে পূৰ্বৰ পৰাই নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত আবদ্ধ থাকি নিজ কৰ্তব্যত ব্যস্ত থকা সকলে কিন্তু একো অসুবিধাৰ সন্মুখীন হোৱা নাই। প্ৰত্যেকজন শিক্ষককে প্ৰতিটো কাৰ্যসূচীতে বিভাগীয় দায়িত্ব অৰ্পণ কৰি সহযোগিতা ৰাখিবলৈ চেষ্টা চলাই আহিছে। কোনোজনে কিবা অজুহাত দেখুৱাই আঁতৰি থাকিব বিচাৰিলেও জুকে ধৰাদি ধৰি নিজে লগত থাকি কৰণীয়খিনি কৰিবলৈ উৎসাহ প্ৰদান কৰে। কোনোবাই কামৰ হেচোত অতিষ্ঠ হৈ অপাৰগতা দেখুৱালেও ব্যক্তিজনক দেখাৰ পিছত অথবা তেখেতৰ সৃজনীশীল প্ৰতিভাৰ কথোপকথনত মোহিত হৈ দায়িত্ব পালন কৰিবলৈ বাধ্য হয়। ভাল বেয়াৰ মনোভাৱ উদঙাই নিদি আপোন পৰৰ বিভেদ নাৰাখি সকলোৰে সহায় সহযোগত বাকী থকা কৰ্মজীৱনৰ সময়ছোৱা অতিবাহিত কৰাৰ লক্ষ্যৰে অনুষ্ঠানটিৰ প্ৰগতিৰ সোণালী সপোন দেখাৰ ব্যক্তিগৰাকী হ'ল ড° মহানন্দ বৰা, অধ্যক্ষ, মায়ং আঞ্চলিক মহাবিদ্যালয়। এখেত এজন ব্যতিক্ৰমধৰ্মী ব্যক্তি যি প্ৰাৰম্ভণিতে উল্লেখ কৰা কৰ্মপন্থাৰ সম্পূৰ্ণ বিপৰীত। আমি ভাবো আনন্দ+আনন্দ = মহানন্দ হৈছে। মুখত হাঁহি, উদাৰ মনোভাৱেৰে সৰু বৰ সকলোকে ব্যৱহাৰ কৰা আচৰণ প্ৰশংসনীয়। মহাবিদ্যালয়ত উপস্থিত হোৱাৰে পৰা প্ৰস্থানৰ সময়লৈ কোনো কাৰণত অৱাৰতে চকীত বহী নাথাকে। শ্ৰেণীকোঠাৰ ব্যৱস্থাপনা, ছাত্ৰ-ছাত্ৰীৰ অভাৱ অভিযোগৰ লগতে গতিবিধি নিৰিক্ষণ কৰি টহল দি ফুৰে। কৰ্মচাৰী সকলৰ কামৰ বেছি হেচা দেখিলে নিজেই computer ৰ সন্মুখত বহি প্ৰয়োজনীয় কামখিনি কৰি লয়। কোনো উপস্থিত নাথাকিলে বা উপস্থিত থাকিও নিজ কৰ্ত্তব্যত ব্যস্ত নাথাকিলে, প্ৰয়োজনীয় সময়ত দায়িত্বন্যস্ত কৰ্মী জনক সাক্ষাত নাপালে নিজৰ ওপৰতে সন্দেহ জন্মে— 'মই সঠিক ভাৱে কৰ্মচাৰী সকলক পৰিচালিত কৰিব পৰা নাই নেকি?' ছাৰৰ লগত আমি প্ৰতিটো মুহূৰ্ত্ততে জড়িত হৈ থকাৰ বাবে এই অনুভৱটি ব্যক্ত কৰিবলৈ বাধ্য হৈছো। মহাবিদ্যালয়খনৰ স্বাৰ্থজনিত কাৰণত গন্তব্য পথত যোগাযোগত ব্যস্ত থাকি কিছু পলমহ'লে এজন এজনকৈ কেইবাজনকো ফোন কৰি দায়িত্ব সমূহ পালন কৰিবলৈ উপদেশ আগবঢ়াই। ড০ মিনাক্ষী তামুলী আৰু ড০ উৎপল নাথেটো ফোন বাজিলে ভয়েই খাই— আৰুবা কি নতুন দায়িত্ব জাপি দিয়ে!!

আনন্দৰ পম খেদি মহাবিদ্যালয় খনলৈ কিছু হাঁহিৰ বেঙুণি ভাহি আহিল। ভাগ্যক্ৰমে চৰকাৰে বিনামূলীয়া নামভৰ্ত্তিৰ মাচুল আদায় দিলে। কাৰিকৰী বিজুতিৰ বাবে সম্পূৰ্ণ ধন আদায় নাপালেও প্ৰায় দহ লাখ টকা আদায় পোৱা গ'ল। কণ্ঠত কিছু জীপ আহিল। অপ্ৰাদেশীকৃত শিক্ষক কৰ্মচাৰীৰ বকেয়া বানচৰ একে লগে ৫ মাহৰ পাৰিতোষিক মোকলাই দিয়া হ'ল। বাকী থকা প্ৰায় ৩ লাখ ধনেৰে অন্যান্য উন্নয়ন মূলক আঁচনিৰ কুচকাৱাজ। বিভিন্ন জনৰ লগত হোৱা আলোচনা আৰু সাহসৰ পৰিণতিত উদ্ভাবিত হোৱা কেইটামান কৰ্মকলাপৰ বিৱৰণ দাঙি ধৰিবলৈ প্ৰয়াস কৰিছোঁ।

১। Gym Cell ঃ বিশ্ব বিদ্যালয় অনুদান আয়োগে অনুমোদন জনোৱা আন্তঃ ক্ৰীড়া শিতানত শাৰীৰিক ব্যায়ামৰ বাবে নিৰ্দ্ধাৰিত ধনেৰে কিছু Gym ৰ সামগ্ৰী ২০১৭ চনতে ক্ৰয় কৰা হৈছিল। ঠাইৰ অভাৱতে হওক নাইবা অমনোযোগিতাৰ বাবেই হওক সেইবোৰ পৰিত্যক্ত অৱস্থাত এটা কোঠাত আবদ্ধ কৰি ৰখা হৈছিল। ড০ মহানন্দ বড়া মহোদয়ে দায়িত্বভাৰ লোৱাৰ পিছত সেই সামগ্ৰী সমূহৰ ব্যৱহাৰ যোগ্য কৰি তুলিবলৈ পদক্ষেপ হাতত লয়। তেখেতৰ আপ্ৰাণ প্ৰচেষ্টাতে এটা কোঠা সামান্যভাৱে মেৰামতি কৰি ছাত্ৰ-ছাত্ৰী সকলৰ বাবে সামগ্ৰী সমূহ মুকলি কৰি দিয়া হয়। বৰ্তমান সময়ত ৰাতিপুৱা অনুশীলন কৰি আছে।

২। শৈক্ষিক আৰু প্ৰশাসনিক দিশত জাগৰণ ঃ নৱ নিযুক্ত অধ্যক্ষ মহোদয়ে শৈক্ষিক আৰু প্ৰশাসনিক ক্ষেত্ৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰা দেখা যায়। পূৰ্বতে প্ৰস্তুত কৰা পাঠদানৰ দৈনিক সময় সূচীত কিছু বেমেজালি প্ৰত্যক্ষ হোৱাত বিশ্ব বিদ্যালয়ে

অৰোপ কৰা নতুন CBCS পাঠ্যক্ৰমৰ আধাৰত এখন নতুন দৈনিক সময়-সূচী তৈয়াৰ কৰি পাঠদান আৰম্ভ কৰে। তাৰোপৰি মহাবিদ্যালয়খন বাটৰুৱাৰ দৃষ্টি গোচৰ হোৱাকৈ ডাঙৰ হৰফেৰে ২য় মহলাত এখন ফলক আৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে। প্ৰতিটো বিভাগৰ শিক্ষক সকলক একেলগে একেটা কোঠাতে জিৰণী লোৱা ব্যৱস্থাৰ বিপৰীতে গাইগুটীয়াকৈ প্ৰতিটো বিভাগৰ বাবে সুকীয়া সুকীয়া কোঠালিৰ ব্যৱস্থা কৰি দিয়াৰ ওপৰিও একোটাকৈ কিতাপ সংৰক্ষণৰ বাবে Book Self আৰু প্ৰতিজন শিক্ষকৰ বাবে সুকীয়াকৈ মেজ চকীৰ ব্যৱস্থা কৰি দিয়া হয়। প্ৰশাসনিক আৰু শৈক্ষিক বাতাবৰণ অক্ষুন্ন ৰখাৰ উদ্দেশ্যে বিভাগীয় জিৰণী কোঠাৰ সমীপতে একোটিকৈ পাঠদান কোঠাৰ ব্যৱস্থাৰ ত্ৰুটি কৰা নাই। নৱ নিৰ্মিত মহলাটো অসম্পূৰ্ণ হৈ থকা সত্বেও তাত এটা অস্থায়ীভাৱে Digital Class Room তৈয়াৰ কৰি ছাত্ৰ-ছাত্ৰী সকলক আধুনিক আহিলা প্ৰয়োগেৰে পাঠাদান কৰিবলৈ সক্ষম হৈছে।

স্থায়ী সভাকক্ষ এটা নথকাত বাৰুকৈয়ে বহু অভাৱৰ সন্মুখীন হৈ আহিছিল। পূৰ্বতে সভাকক্ষ হিচাপে ব্যৱহাৰ কৰি অহা শ্ৰেণী কোঠাটোৰ ওপৰত চিলিঙৰ ব্যৱস্থা নাছিল। মঞ্চখনো সুবিধাজনক নহয়। তেখেতৰ সাহস আৰু মনোবলৰ বাবে কম খৰছত অস্থায়ীভাৱে কাপোৰেৰে চিলিং দিয়া হৈছে। এই কাপোৰ কিনা আৰু প্ৰস্তুতিৰ বাবে খৰছ হোৱা ধন ক'ৰ পৰা খৰছ কৰিছে আমি সবে অজ্ঞাত। কিয়নো উক্ত খৰছৰ হিচাপ আজিলৈ আমাৰ হাতত পৰাহি নাই। ধূলি-বালিৰে ভৰপূৰ মঞ্চখনো পকী কৰণ ব্যৱস্থাৰে স্থায়ী মঞ্চলৈ ৰূপান্তৰ ঘটাবলৈ প্ৰয়াস কৰা হৈছে।

৩। 2nd Semester Arrear Zone অনুমোদন : ২০১৯ চনৰ এপ্ৰিল মাহৰ কথা। আমি দুয়ো এদিন মহাবিদ্যালয় পৰীক্ষা সম্পৰ্কীয় কামত গুৱাহাটী বিশ্ব বিদ্যালয়লৈ গৈছিলো। যোৱাৰ আগদিনা যিকোনো পৰীক্ষা এটাৰ zone বিচাৰি আবেদন এখন প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিছিল। সেইমতে পৰীক্ষা নিয়ন্ত্ৰকলৈ প্ৰেৰণ কৰিলগীয়া আবেদন খন লৈ উপ-পৰীক্ষা নিয়ন্ত্ৰক মাননীয় দেৱহৰি তালুকদাৰ মহোদয়ৰ ওচৰ চাপিলো। তেখেতক আবেদনখন আগবঢ়াই দিয়াত এইবছৰতে zone ৰ অনুমোদন দিবলৈ পৰা নাযাব বুলি উত্তৰ দিলে। কিয়নো ইতিমধ্যে zone ৰ তালিকা প্ৰস্তুত হৈ গৈছে। আমাৰ এখেত আকৌ সহজতে এৰি দিয়া বিধৰ নহয়। পিছত আকৌ যোগাযোগ কৰিম বুলি ইংগিত দি ওলাই আহিলো। পৰৱৰ্ত্তী সময়ত তেখেতে যোগাযোগ কৰি আপত্তি কৰাত হয়তু কৰ্তৃপক্ষই zone পৰিচালনা কৰিবলৈ অনুমতি প্ৰদান কৰিলে। তেখেতৰ নেৰানেপেৰা প্ৰচেষ্টা আৰু উৎসাহৰ বাবে zone পৰিচালনা অনভিজ্ঞতাৰ মাজেৰে নিয়াৰিকৈ সমাপন কৰি বিশ্ববিদ্যালয়ৰ Arrear zone সমূহৰ ভিতৰত সৰ্ব প্ৰথমে নথি পত্ৰ জমা দিয়াৰ তালিকাত স্থান দখল কৰি গৌৰৱ অৰ্জন কৰিবলৈ সক্ষম হৈছে।

৪। NAAC Assesment : মনতে কৰিম বুলি ভাবি লোৱা যিকোনো কাম শেষ নকৰা পৰ্যন্ত থমকি নৰয়। কৰ্মত যোগদান কৰা এমাহৰ পিছৰ পৰাই NAAC Assesment ৰ পৰ্যা... সমাপ্ত কৰা অভিজ্ঞ ব্যক্তি অথবা এই বিষয়ত জড়িত কোনো ব্যক্তিৰ পৰামৰ্শ অনুসৰি আগতীয়াকৈ কৰিব লগা সমস্ত কাম তেখেতে নিজাববীয়াকৈ আগবঢ়াই থৈছে। কামবোৰ পৰিচালনাৰ বাবে পূৰ্ব্বতে IQAC Cell ৰ coordinator ৰবিন কলিতা মহোদয় NRC Duty ত ব্যস্ত থকাৰ বাবে Joint Coordinator হিচাপে ড° মিনাক্ষী তামুলী আৰু Asstt. Coordinator ড° উৎপল নাথক দায়িত্ব অৰ্পণ কৰে। প্ৰয়োজন সাপেক্ষে বিষয়টোৰ ওপৰত আগ্ৰহী শিক্ষক সকলক যিকোনো সময়তে একগোট কৰাই বিভিন্ন পৰামৰ্শ আগবঢ়াই আহিছে। এই বিষয়ত অনুষ্ঠিত হোৱা আলোচনা চক্ৰত সকলোৱে পূৰ্ণ সহযোগিতা নপালেও দায়িত্বত ন্যস্ত সকলে হামিয়াই হেকটিয়াই হলেও সন্ধিয়া ৬ বজালৈ ছাৰক সহায় কৰি আহিছে। কোনোৱে কাম কৰি ভাগৰুৱা অনুভৱ কৰি ভোকাতুৰ হ'লে নিজে ঘৰৰ পৰা অনা খাদ্য খাবলৈ দিয়ো বাকী সকলৰ ক্ষুধা নিবাৰণৰ বাবে নিজ ইচ্ছা অনুসৰি হোটেলৰ পৰা খাদ্য যোগান ধৰিবলৈ অনুমতি প্ৰদান কৰে। এনেক্ষেত্ৰত হোৱা প্ৰায়বোৰ খৰছেই তেখেতে নিজে বহন কৰি আহিছে যাতে কৰ্মীসলে কামৰ ব্যস্ততাৰ বাবে অন্তৰত আঘাট নাপায়। তেখেতৰ এটাই লক্ষ্য ২০১৯ চনৰ ভিতৰত NAAC Assesment সম্পূৰ্ণ কৰিবই। ই ফালে লাগে C Grade এ পাওক। কিয়নো মহাবিদ্যালয়ৰ ভৱিষ্যত অন্ধকাৰ। কোনো ধৰণৰ চৰকাৰী অনুদান নাপায়। আন্তঃগাঠনি স্থবিৰ হৈ পৰিব।

৫। চৰকাৰী বেচৰকাৰী কাৰ্যসূচীত অংশ গ্ৰহণ : বৰ্তমান সময়ত চৰকাৰী তথা বেচৰকাৰী সংস্থা সমূহৰ বিভিন্ন দিশত প্ৰয়োগ কৰা কাৰ্যপন্থা অবিস্মৰণীয়। শিক্ষানুষ্ঠান সমূহত বিশেষকৈ মহাবিদ্যালয় পৰ্যায়ত আৰোপ কৰা নীতি নিৰ্দেশনা বাৰুকৈ অসন্তোষ জনক। এখন মহাবিদ্যালয়ত এক তৃতীয়াংশ চৰকাৰী বেতন ভূগি কৰ্মচাৰীক লৈ যিবোৰ নিৰ্দেশনা পালন কৰিব লাগে সেয়াকোনো পধ্যে সম্ভৱ নহয়। আগবেলা ৯ বজাত online যোগে নিৰ্দেশনা প্ৰেৰণ কৰে আৰু আবেলি ২ বজাৰ ভিতৰত তথ্য যুগুত কৰি মুখ্য কাৰ্যলিয় পোৱাকৈ পঠাব লাগে। তাৰোপৰি য'তে ততে Training, workshop আৰু Seminar , কৰ্মচাৰী সকলে জিৰণী নোলোৱাকৈ কাম কৰি হতাশ হ'বলগীয়া হয়। তাৰোপৰি চাকৰিৰ নামত অনুষ্ঠানটোৰ কৰ্মচাৰী সকলৰ মাজত দুটা শ্ৰেণীত বিভক্ত কৰি প্ৰভেদ সৃষ্টিৰে এক বিশৃংখল পৰিস্থিতিৰ উদ্ভৱ ঘটোৱা হৈছে। তেনে পৰিস্থিতিটো আমাৰ অধ্যক্ষ মহোদয়ে সকলোকে উৎসাহ আৰু প্ৰেৰণা প্ৰদান কৰি সহযোগিতাৰে কাৰ্যসূচী সমুহ পালনত ত্ৰুটি কৰা নাই। NAAC Assesment ৰ Workshop, CBCS ৰ workshop, বিভাগীয় Seminar আদিত অংশ গ্ৰহণৰ পৰা পিছ হহকা নাই।পৰিবেশ দিৱস উদ্‌যাপন উপলক্ষে আয়োজন কৰা তিনিদিনীয়া কাযসূচীত জিলা প্ৰশাসন, স্থানীয় আৰক্ষীচকী, গাঁও পঞ্চায়ত, সবমায় সমিতি আদিৰ উপৰিও Early Birds নামৰ স্বেচ্ছাসেৱী অনুষ্ঠানৰ সহযোগত বৃক্ষৰোপন কাৰ্যসূচীয়ে এক আলোড়নৰ সৃষ্টি কৰিছিল। স্বাধীনতা দিৱসৰ দিনা ছাত্ৰ সকলৰ মাজত প্ৰীতি ফুটবল খেলৰ লগতে পৰিতৰা অভয়াণ্যৰ কৰ্মচাৰী সকলৰ মাজত এখনি ক্ৰীকেট খেলৰো আয়োজন কৰে। খেল পথাৰত নিজে ছাত্ৰ সকলক লগত লৈ গ'লপোষ্ট পুতি চাৰিসীমাত চূন ঢালি ফুৰিছিল। তেখেতৰ কাৰ্য দেখি বাৰুকৈয়ে মনত পৰিছিল মায়ং খনিকৰ দিপন চন্দ্ৰ নাথ ছাৰৰ কথা। মাননীয় নাথ মহোদয়েও এনেকৈ কাৰ্যসূচী উদ্‌যাপনৰ সময়ত নিজে নিজে দা-কোৰ হাতত লৈ নিজৰ কৰ্মদক্ষতা প্ৰদৰ্শন কৰিছিল। সেয়ে ভাব হয় দিপন ছাৰ জীৱিত কালত এই জন খনিকৰৰ যদি সান্নিধ্য ঘটিলে হেতেন তেন্তে নিশ্চয় আৰু কিছু নতুন পৰিবেশৰ সমাহাৰ ঘটিলে হেতেন।

৬। দক্ষতা বিকাশ কেন্দ্ৰ ( Skill Development Centre) : মাননীয় মহানন্দ বড়া মহোদয়ৰ সপোন NAAC Assesment ৰ বাস্তৱ ৰূপ দিবলৈ নানান পৰিকল্পনা। কি প্ৰকাৰে নম্বৰ সংগ্ৰহ কৰি ফলবৰ্তী হব পাৰি তাৰ চিন্তা কৰি থাকোঁতে IIE কৰ্তৃপক্ষৰ লগত যোগাযোগ ঘটিল।ড° উৎপল নাথৰ সহযোগিতাৰে কৰ্তৃপক্ষৰ অনুমোদন সাপেক্ষে অঞ্চলৰ শিপিনীসকলক বোৱা-কটা প্ৰশিক্ষণৰ কেন্দ্ৰ এটা লাভ কৰিলে। এই কেন্দ্ৰৰ প্ৰশিক্ষাৰ্থী বিচাৰি চনকা পৰ্যন্ত নিজে উপস্থিত হৈছিল। অঞ্চলৰ শিপিনী সকলক নানান উপমা দি ঘৰে ঘৰে বিচাৰি আনি ছাত্ৰী নিবাসতে থকা-খোৱাৰ ব্যৱস্থা কৰি দিয়ে। জাউৰীয়ে জাউৰীয়ে মহিলাৰ প্ৰৱেশ ঘটিল। স্থানীয় অঞ্চলতে ডাঙৰ দীঘল হোৱা কোনো দিনে মহাবিদ্যালয় খনৰ চেহেৰা নেদেখা মহিলা আৰু অভিভাৱকৰ পদাৰ্পণ ঘটিল। ফলস্বৰূপে মহাবিদ্যালয়খনৰ প্ৰতি থকা শ্ৰদ্ধা আৰু আনুগত্য দুগুণে বৃদ্ধি পাইছে।

৭। কম্পিউটাৰ শিক্ষা : বৰ্তমান প্ৰতিযোগিতামূলক শিক্ষা ব্যৱস্থাত প্ৰধান আহিলা হিচাপেপৰিগণিত উৎস হৈছে কম্পিউটাৰ। ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক আৰু বৌদ্ধিক বিকাশৰ লগতে NAAC Assesment ৰ ধনাত্মক পথ হিচাপে computer শিক্ষাৰ কেন্দ্ৰ এটা স্থাপনৰ যো জা চলিল। ইতিমধ্যে মায়ঙত প্ৰতিস্থিত CEC কেন্দ্ৰৰ পৰিচালকৰ লগতযোগসূত্ৰ স্থাপন হ'ল। তেখেতসকলৰ সন্মতি সাপেক্ষে CEC ৰ অধীনত computer শিক্ষৰ কেন্দ্ৰটি পৰিচালিত হৈ আছে। এই কোঠাটোত নতুনকৈ বিজুলী সংযোগৰ ব্যৱস্থা কৰি চাৰিখনকৈ অতিৰিক্ত চিলিং পাংখাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ল। প্ৰশিক্ষক জন আৰু পৰিচালকজন জিৰণী লবৰ বাবে এটা এলুমিনিয়ামৰ আচুতীয়া কোঠা নিৰ্মান কৰা হ'ল। কোঠাটোৰ সৌন্দৰ্য বৃদ্ধিৰ বাবে মজিয়াত কাৰ্পেট ব্যৱহাৰ কৰা হ'ল। অৱশ্যে এই কাৰ্পেট খিনি তেখেতৰ ঘৰত অতিৰিক্ত ভাৱে জমা হৈ থকা মহাবিদ্যালয়ৰ পুঁজিৰ দুৰবস্থা দেখি মূল্য বিহীন ভাৱে এই সামগ্ৰী খিনি দান কৰাৰ উপৰিও অধ্যক্ষৰ কোঠাত ব্যৱহৃত দুৱাৰ খিৰিকিৰ পৰ্দাবোৰ তেখেতৰ নিজা অৱিহণা। কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰটিৰ বাবে প্ৰয়োজনীয় ১০ খন উন্নত মানৰ computer table বিদ্যমান। এই টেবুল সমূহ ক্ৰয় কৰাৰ টকা ব্যয়ৰ ধন তেখেতৰ অন্যা এটা বিভাগৰ জৰীয়তে বহন কৰিছে। এই সমস্ত কাহিনীটো আমি প্ৰায় ১০ জন মানেহে গম পাও।

৮। নগদ ধন বন্ধকত থৈ সামগ্ৰী ক্ৰয়ৰ প্ৰচেষ্টা : এই খিনিতে এটা কাহিনী মনত পৰিছে। উল্লেখ নকৰাকৈ থাকিব নোৱাৰিলো। অসম চৰকাৰে Digital class room আৰু Digital Library নিৰ্মাণৰ বাবে মোকলাই দিয়া ৫০ লাখ টকাৰে নিৰ্মিত ২য় মহলাটো পৰিত্যক্ত অৱস্থাত আছিল। চৰকাৰৰ বাকী থকা অংশ মোকলাই দিয়ালৈ অপেক্ষা নকৰি এটা কোঠা Digital Class room হিচাপে আংশিকভাৱে ব্যৱহাৰৰ উপযোগী কৰি তোলাৰ উপৰিও বাকী কেইটা শ্ৰেণী কোঠা হিচাপে ব্যৱহাৰ কৰা হৈছিল। ২য় মহলাৰ আটাইকেইটা কোঠালিতে বিদ্যুৎ

যোগানৰ ব্যৱস্থা কৰা হ'ল। এতিয়া মাথো প্ৰয়োজন পাংখাৰ। গৰম বন্ধ উকলি যোৱাৰ পিছত অৰ্থাৎ আগষ্ট মাহৰ পহিলা তাৰিখৰ পৰা পাঠদান আৰম্ভ হ'ব। ছাত্ৰ-ছাত্ৰী সকলে গৰমত বৰ কষ্ট পায়। কি কৰা যায়। পাংখাও বহুত লাগিব, ধনো ইমান নাই। তথাপিতো ড০ উৎপল নাথক পাংখাৰ পৰিমাণ গণনা কৰিবলৈ দায়িত্ব দিলে। মাননীয় নাথে গণনা কৰি ৪২ খনৰ তালিকা এখন দাখি ধৰিলে। হ'ব চাই লওঁ বুলি কেইদিনমান জিৰণী ল'লে। এই সম্পৰ্কত আমাৰ লগত আলোচনাত বহে যদিও ফলধৰা নাই। এদিন হঠাতে ৩০ জুলাই তাৰিখে কলেজলৈ আহিয়েই আমাক পাংখা কিনিবলৈ গুৱাহাটী যাবৰ বাবে সাজু হ'বলৈ কলে। আমিয়ো চতুৰ্থ শ্ৰেণী কৰ্মচাৰী তুলেন নাথক সংগী হিচাপে লৈ বিয়লি ৩ বজাত ছাৰৰ বাহনত গুৱাহাটী অভিমুখে ৰাওনা হলো। নগদ ধনৰ বিপৰীতে হাতত মাত্ৰ চেক বুকখন। নাৰেঙ্গী পোৱাৰ পিছত গাড়ী থামিল। এখন দোকানত সোমাই পাংখা বোৰ চালো, দৰ দামো বন্দোবস্তি হ'ল। শেষত নগদ ধনৰ বিপৰীতে চেক পাত ব্যৱহাৰ হ'ব বুলি কোৱাত দোকানীয়ে পোন চাতে অমান্তি হোৱাত আন এখন দোকানত সোমালো। এইখন দোকানত কিন্তু প্ৰথমে আমাৰ প্ৰয়োজনীয় সামগ্ৰী খিনি যোগান ধৰিব পাৰিব নে নাই জানি লোৱাৰ পিছত চেক্ পাতৰ কথাটো আগবঢ়াই দিয়া হ'ল। দোকানীজনেও উচপ খাই উঠিল। "নাই নাই, চেকৰ বিনিময়ত মই মাল নেবেছো। আজিলৈ এনে পৰ্যায়ত মাল বেচিয়েই পোৱা নাই। নহ'ব দিয়ক বেয়া নাপাব। দিপন ছাৰৰ উত্তৰৰ দৰে এখেতেও পোন পটীয়া উত্তৰ দিলে— হেৰা মই এখন কলেজৰ প্ৰিন্সিপাল হে, মই কিবা ভুৱা চেক দিম নেকি? আজি কালি GST ৰ বাধ্যবাধকতাত সৰহ ধন ব্যয় কৰিলে চেক ব্যৱহাৰ কৰিব লাগে। মোৰ ঘৰ গুৱাহাটীতে, মই সদায় এইফালেদি অহা যোৱা কৰোঁ। আপুনি আজি আমাক মাল দিবই লাগিব। ইয়াৰ বিকল্প ব্যৱস্থা কি আছে কোৱা।" আমি দুজন আৰু দোকানীজনে ছাৰে নেদেখাকৈ মুখলৈ চাও আৰু হাঁহো। মনতে ভাবিলো— এইবেলি বানেহে বান আৰু বা কি বুদ্ধি পাঙে। বহু সময় যুদ্ধৰ পিছত দোকানীজনক কেইবাটায়ো নামৰ মুঠতে ২৮ খন পাংখাৰ নিৰিখ উলিয়াবলৈ কলে। দোকানীজনে নিৰুপায়ত পৰি সকলোবোৰ হিচাপ কৰি মুঠ ৩৭,৮০০.০০ টকা দেখুৱালে। ছাৰে মান্তি হৈ আমাক চেক্ পাত লিখিবলৈ পৰামৰ্শ দি বাহিৰলৈ ওলাল। আৰু সুধিলে ATM কোনখিনিত আছে। দোকানীজনে আঙুলীয়াই দেখুৱাই দিয়াত পোনে পোনে সেইফালে দীঘ দীঘল খোজ দিলে। কিছু সময়ৰ পিছত ঘুৰি আহি কেইখনমা ৫০০ টকীয়া নোট দোকানীজনৰ সন্মুখত দি কবলৈ ধৰিলে— এদিনত মাত্ৰ ২০,০০০ টকাহে উঠাব পাৰি। আপুনি এই নগদ ধন খিনিও ৰাখক আৰু সামগ্ৰীখিনিৰ সম্পূৰ্ণ মূল্যৰে লিখা চেক্ পাত খিলাও ৰাখক। যেতিয়ালৈ চেকৰ ধন খিনি আপোনাৰ একাউন্টত নোসোমাই তেতিয়ালৈ মোক এই নজদ ধন ঘুৰাই দিব নালাগে। আনফালে আকৌ আমাৰ মুখৰ ফালে চাই কয়— বাইদেউৰে এই কথা গম পালে মোক গালি পাৰিব। সেইফালে গালি খোৱাৰো ভয়।

আপোনালোকৰ জীৱনত এনে ঘটনা ঘটিছে যদি মই কব নোৱাৰিম। কিন্তু মোৰ জীৱনত এইটো এটা ঘটনা হিচাপে প্ৰথম চিনাকী। আজিৰ যুগত নিজৰ গাঠিৰ ধন বন্ধকত থৈ অনুষ্ঠানৰ অভাৱ পুৰণৰ বাবে আহুতি দিয়া এইজন ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম যাচিছো। দোকানীয়ে আমাক সামগ্ৰীখিনি চমজি দিয়াই নাই ইফালে চিত্তৰঞ্জন নাথক ফোন লগালে। নাথ আপুনি elctrician কেইজনক মাতি আনি আজিৰ ভিতৰতে waring খিনি কৰিব দিয়ক। কাইলৈ ৩১ তাৰিখ পাংখা লগাই শেষ কৰিব লাগিব। নাথেও তৰা-নৰা চিঙি electrician বিচাৰিলে। ক'ত কাম হয়। তেতিয়া প্ৰায় সন্ধিয়া ৫ বাজিছে। পিচদিনা পুৱা ৭ বজাতে কৰ্মীসকল আহি কাম কৰিলে যদিও ২৮ খন পাংখা লগাই শেষ কৰিব নোৱাৰিলে।

৮। ইণ্টাৰনেট সংযোগ ঃ ইতিমধ্যে সংযোজিত ইণ্টাৰনেট সংযোগৰ আহিলাসমূহ নিম্ন ক্ষমতা সম্পন্ন আৰু বিভাগীয় যোগানকাৰী কাৰ্যালয়ৰ অবহেলিত মনোভাৱৰ বাবে মহাবিদ্যালয়ত এইবিধ কাৰ্যপালিকৰ অভাৱ ঘটিল। মাহটোৰ ভিতৰত ১০ দিনো নেটৰ সংযোগ পোৱা নগৈছিল। বৰ্তমান সময়ত প্ৰতিদিনে ইণ্টাৰনেটৰ জৰিয়তে সমস্ত কাম সমাধান কৰিবলগীয়া হয়। অধ্যক্ষ মহোদয়ে যোগদান কৰাৰ ৪ মাহৰ পিছতে নগাঁও আৰু মৰিগাঁৱৰ টেলিকম বিভাগৰ লগত যোগাযোগ কৰি সাধ্যানুসৰি যোগান ধৰিবলগীয়া আহিলাৰ ব্যৱস্থাৰ গ্ৰহণ কৰা হ'ল। আনকি নগাঁও মূখ্য কাৰ্যালয়ৰ বিষয়া বৰ্গক মহাবিদ্যালয়ত পদাৰ্পন কৰিবলৈ সমৰ্থন হ'ল।

১০। চিচি কেমেৰা স্থাপন ঃ সমসাময়িকভাৱে ইণ্টাৰনেটৰ সংযোগৰ লগতে চিচি কেমেৰা স্থাপনৰ ব্যৱস্থা লোৱা





হৈছে। মহাবিদ্যালৰ চৌহদত প্ৰৱেশ- প্ৰস্থান, ছাত্ৰ-ছাত্ৰী সকলৰ গতিবিধি নিৰিক্ষণৰ বাবে এনে প্ৰচেষ্টা হাতত লোৱা হৈছে। বৰ্তমান সময়ত সমগ্ৰ চৌহদটোতে মুঠ ৮ টা চিচি কেমেৰা সংযোগেৰে ছাত্ৰ-ছাত্ৰীসকলৰ শালিনতা বজাই ৰখাৰ ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰা হৈছে। তাৰোপৰি মূখ্য প্ৰৱেশদ্বাৰত এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নিয়োগ কৰি ২ বজালৈকে মুখ্য প্ৰৱেশদ্বাৰ বন্ধ ৰখাৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীৰ চৌহদৰ বাহিৰত অবাধ বিচৰণৰ পথ সম্পূৰ্ণৰূপে ব্যাহত কৰাৰ প্ৰচেষ্টা হাতত লোৱা হৈছে। জানিব পৰামতে দুৰ্বৃজনক এযোৰ সুকীয়া পোচাকেৰে যোগান ধৰাৰ পৰিকল্পনা যুগুত কৰা হৈছে।

১১। Idol Study Centre স্থাপন ঃ " শইকীয়া আপোনালোকে ইমান বছৰে স্নাতক ডিগ্ৰী প্ৰদান কৰা, ছাত্ৰ-ছাত্ৰীসকলে কি কি কৰি আছে আৰু কিমানজনে বৃত্তিমুখী শিক্ষা বা স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰিছে হিচাপ ৰাখিছে জানো? বৃহত্তৰ এই পিছপৰা অঞ্চলটিত কেৱল কলা শাখাৰ মহাবিদ্যালয়খনে যথেষ্ট নহয়। K.K. Open University Study Centre, Idol Study Centre, D.El.Ed, B.Ed আদি কেন্দ্ৰৰ বাবে যোগাযোগ কৰা হোৱা নাই নেকি?" নাই ছাৰ, আমাৰ মহাবিদ্যালয়খনত পৰ্যাপ্ত আন্তঃগাঠনিৰ অভাৱৰ বাবে এনেধৰণ কেন্দ্ৰ সমূহৰ চিন্তা চৰ্চা কৰা হোৱা নাছিল। আৰ্থিক অনাটনে জুৰুলা কৰা ছাত্ৰ-ছাত্ৰীসকলে স্নাতক ডিগ্ৰী লাভ কৰি চাকৰী মুখী হয় আৰু প্ৰায় ১০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে এনেধৰণৰ শিক্ষা গ্ৰহণ কৰিবলৈ আগ্ৰহী হয়। নহয় তেনে কৰিলে নহয় নহয়। ইচ্ছুক অথচ ধনৰ অভাৱত উচ্চ শিক্ষাৰ অথবা বৃত্তিমুখী শিক্ষা গ্ৰহণ কৰিব নোৱাৰা সকলক বেহাই মূল্যত হলেও সুবিধাকণ দিয়া উচিত। এনে ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়তে যদি কেন্দ্ৰ সমূহ স্থাপন কৰিব পৰা যায় তেন্তে বহুত উপকাৰ হ'ব। "শইকীয়া আপুনি এটা কাম কৰক Idol Study Centre বিচাৰি Director লৈ উদ্দেশ্য কৰি আবেদন প্ৰস্তুত কৰক।" দুই এদিনৰ ভিতৰতে ঠায়ে ঠায়ে দাখিল কৰা হ'ব। মোৰ লাগিল সেহা-বেঙা। বান্দৰক মহাকাব্য পঢ়িব দিয়া যেন লাগিল। উপায় নাই। মন স্থিৰ কৰি সাহসেৰে এটা নমুনা যুগুত কৰি ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক মাননীয় সমীৰ নাথৰ ওচৰ চাপিলো। তেখেতে মই লিখা খিনিৰ ওপৰতে গ্ৰহণযোগ্য কেইটামান শব্দ আৰু বাক্য সাল সলনি কৰি দিলে। বীৰদৰ্পে DTP কৰি প্ৰয়োজনীয় নথি পত্ৰ সমূহ সংলগ্ন কৰি চুচুক চামাককে ছাৰৰ ওচৰত জমা দিলোঁ। ছাৰে আটাইকেইখন পঢ়ি চাই উত্তৰ দিলে— সুন্দৰ হৈছে। তেতিয়াহ'লে আমি কাইলৈ যাব পাৰোঁ। ড' উৎপল নাথক মাতক। নাথ উপস্থিত হলত নিৰ্দেশ দিলে কাইলৈ আপুনি আৰু শইকীয়া মোৰ লগত ওলাব গুৱাহাটীলৈ যাম। আৰু কথা নাই। পিছদিনা কলেজলৈ আহি দুয়োকে নিজৰ বাহনখনত উঠাই লৈ পোনচাতে গুৱাহাটী বিশ্ববিদ্যালয়। তাত CDC Director, Registrar, Affiliation Branch, Exam Branch একো বাকী এটা নাই। মহাবিদ্যালয়ত আভ্যন্তৰীণ পৰীক্ষা পৰিচালনাৰ বাবে কিছু বহীৰ প্ৰয়োজন আছিল। বিভাগীয় কাৰ্যালয়টোত এটা তলা ওলমি আছে। তলাটোকে টানি টুনি চাইছে জানোছা খোলা যায়েই। সন্দেহ হয় বাহিৰত তলা লগাই ভিতৰত মানুহ আছে নেকি? ছবিটো পোৱা হ'লে আমিয়েই তলা খুলি প্ৰয়োজনীয় খিনি নিব পাৰিলো হয়। আমি দুজনেও হয় ভৰ দিলো। কেইবা জনৰো লগত ফোন যোগে আলাপ কৰি বিফল হ'ল। বিষন্ন মনেৰে উভতি আহি Idol চৌহদত প্ৰৱেশ কৰিলো। ইতিমধ্যে Director মহোদয়ৰ লগত ফোনযোগে যোগাযোগ থকাৰ বাবে বেছি সময় থাকিব লগা নহ'ল। কিছু সময়ৰ পিছত Director মহোদয়ক সাক্ষাৎ কৰি সমস্ত বিৱৰণ দাঙি ধৰিলে। অৱশেষত Study Centre ৰ অনুমোদনৰ আভাস দিলে। যাৱতীয় নীতি নিয়মৰ পদ্ধতি খিনি পালন কৰিবলৈ পৰামৰ্শ আগবঢ়োৱাৰ পিছত কাহিলীপাৰাস্থিত সৰ্বশিক্ষা মিচনৰ কাৰ্যালয় দিশে গতি কৰিলো। তাতে বিচাৰ খোচাৰ কৰি এজন বিষয়াক লগ ধৰিলো। বিষয়াজন অভিজ্ঞতাপুষ্ট আৰু মাননীয় গুনেৰে ভৰপুৰ এজন স্বনামধন্য ব্যক্তি। তেখেতে বহু উদাহৰণ আৰু কাহিনীৰ উপমা দি আমাৰ হাহিৰ খোৰাক যোগাইছিল। কাহিনীবোৰ শুনি হাঁহি থাকোতে পেটৰ ভোক নাইকিয়া হ'ল আৰু বহুসময় পাৰ হৈ গ'ল গমকে নাপালো। তেখেতে আমি বিচৰা কেন্দ্ৰ কেইটাৰ সুবিধা ইতিমধ্যে হেৰুৱাইছো সেই কথাটো পোনপটীকৈ ব্যক্ত নকৰি কাহিনীৰে বুজাই দিলে। আমি কেন্দ্ৰ কেইটা অনুমোদন নোপোৱাত যিমান দুখ পাইছো তাতকৈ দহ গুণে অভিজ্ঞতা লাভ কৰিছো তেখেতৰ কথোপকথনৰ পৰা। যুগে যুগে এনে মহান ব্যক্তিৰ জন্ম হওক এই কথাষাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

Idol Study Centre বাবে প্ৰয়োজনীয় নথি পত্ৰ

সমূহ জমা দিয়াৰ পিছত ড০ গুনেশ্বৰ ডেকা মহোদয়ক coordinator হিচাপে নিয়োজিত এখন পত্ৰ আহিল। কেন্দ্ৰ পৰিচালনাৰ পদ্ধতি সম্পৰ্কত আহবান কৰা workshop ত computer operator হিচাপে উৎপল নাথ আৰু ডেকা ছাৰ উপস্থিত আছিল। নামভৰ্ত্তিৰ প্ৰ-পত্ৰ সংগ্ৰহ কৰা হ'ল। জাগীৰোড , ভকতগাঁও, বহা আদিকে ধৰি চন্দ্ৰপুৰলৈ নামভৰ্ত্তি তাৰিখ সম্বলিত বেনাৰ আৰি দিয়া হ'ল। বানপানীৰ সময়ত সেইবোৰ নষ্ট হৈ যোৱাৰ বাবে পুনৰ যথাস্থানত বেনাৰ আৰি দিয়া হ'ল। অধ্যক্ষ মহোদয়ে যাকে তাকে লগ পাই Idol Study Centre ত নামভৰ্ত্তিৰ বাবে উৎসাহ আৰু প্ৰেৰণা দি আহিছে। আনকি নামভৰ্ত্তিৰ সম্পূৰ্ণ ধন যোগাৰ কৰিব নোৱাৰিলেও সাধ্যানুসৰি জমা দিবলৈ পৰামৰ্শ আগবঢ়াই আহিছে। তথাপিতো আমাৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে ছাৰৰ চেষ্টাৰ প্ৰতি সহাৰি জনোৱা দেখা নগ'ল। বৰ্তমান সমলৈ ১২ জন শিক্ষাৰ্থীহে নামভৰ্ত্তি কৰিছে। আশা ৰাখিছো ছাৰৰ কষ্টৰ গতিপথত চেচাপানী নাঢালি আৰু কিছু সংখ্যকে নামভৰ্ত্তি কৰিব। সামৰণি ঃ

কিয়নো আহিলা
মায়া বজাৰলৈ
কিয়নো সাচিলা ধন।
এদিন দুদিন কৰি দেহা যাব চলি
ধনো ৰব পৰি
কোনোৱে নিদিয়ে মন।।

অধ্যক্ষ, মাননীয় ড০ মহানন্দ বড়া মহোদয়ৰ কৰ্মস্পৃহা আৰু উৎসাহ-সাহস আমি ব্যক্তিগতভাৱে স্বীকাৰ কৰিছো। এটা কাম অন্ত নৌহতেই আন এটা কামৰ নকল কপি টেবুলত জম হয়হি। তৰণী লবৰ সময় নাই। কাম শেষ কৰি বহী থকা যে পালে কোনোবা এফালে মাতি লৈ যাব। নতুন কিবা কৌশল উদ্ভাৱ কৰিব পৰা যায় নেকি আলোচনাত বহে। কাম কৰি ভাগৰুৱা অনুভৱ হ'লে অশান্তিৰ মনোভাৱ দেখুৱালেও কাকো হৃদয় স্পৰ্শ কৰি যোৱা বাক্য প্ৰয়োগ নকৰে। নিজা পৰিয়ালৰ লগতো হয়তু তেখেতে এনে নীতি প্ৰয়োগ কৰে। সেয়ে হয়তু তেখেতৰ সহ ধৰ্মিনীয়ে প্ৰায় ১০.৩০ মান বজাত এবাৰ ফোন কৰি গুধিব— কলেজ গৈ পালেনে। বাইদেৱে ভাৱে কলেজলৈ বুলি ওলাই গৈ কোন অফিচত বা ঘোট-ঘোটাই ফুৰে ঠিকনা নাই। দুপৰীয়া ২ মান বজাত আকৌ ফোন আহে আপুনি টিফিন খালেনে। সোধাৰ কাৰণ আছে কামৰ হেচাত হয়তু খোৱা বোৱা বাদ যাব। আবেলি আকৌ ৫ মান বজাত ফোন আহে— আপুনি ঘৰলৈ আহিছেনে? তপৰাই উত্তৰ দিয়ে— ৰ'বা ৰ'বা এই গৈ আছো। ওলাই যাবৰ মন নকৰে আৰু কিবা অন্য পদ্ধতি উলিয়াব পাৰি নেকি তাৰে চিন্তা। এনেদৰে থাকোতে সন্ধিয়া ৬ বাজে কলেজতে। আমিবোৰেও আশান্তিৰে এবাৰ ছাৰৰ ফালে চাও এবাৰ গেটৰ ফালে চাও। অৱশ্যে ছাৰক বেয়া পাই আমি এনে অচাৰণ নকৰো। ছাৰক আমি অন্তৰৰে শ্ৰদ্ধা কৰোঁ। এনে ধৰণৰ কৰ্মযোগী ব্যক্তিৰ আমাৰ মাজত নিত্যান্তই প্ৰয়োজন আছে। কেৱল সন্ধিয়ালৈ কৰ্মত ব্যস্ত থাকিলে আমাৰ পিছফালে থকা পৰিয়ালটিয়ে ভাবিবলৈ বাধ্য হয় সচাঁকৈয়ে আমি সন্ধিয়ালৈ কলেজতে আছোনে?

□□□







# মায়ং ঃ বুৰঞ্জীৰ এখিলা জীয়াপাত

জিন্টুমনি মেধি
পঞ্চম ষান্মাসিক

মৰিগাঁও জিলাৰ একেবাৰে পশ্চিম প্ৰান্তত অৱস্থিত তথা গুৱাহাটী মহানগৰীৰ পৰা মাত্ৰ ৩০ কিমি. দূৰত্বত অৱস্থিত মায়ং নামৰ অঞ্চলটি। ইতিহাসে ঢুকি নোপোৱা কালৰে পৰা তন্ত্ৰ-মন্ত্ৰ সাধনাৰ এক উচ্চ স্বৰৰ কেন্দ্ৰ হিচাপে মায়ং নামৰ ঠাইখনে অতীতৰে পৰা অসমৰ জন মানসত এখন সুকীয়া আসন দখল কৰি আহিছে। উত্তৰে প্ৰবাহমান মহাবাহু ব্ৰহ্মপুত্ৰ আৰু দক্ষিণে চিৰ প্ৰবাহিত কলং-কপিলীৰ সম্মিলিত পবিত্ৰ জলধাৰাক দুফালে লৈ এক সৌন্দৰ্যৰে ভৰপূৰ আৰু পবিতৰা অভয়াৰণ্যক কেন্দ্ৰ কৰি মায়ং ভূমিয়ে যুগে যুগে দেশী বিদশী পৰ্যটকক আকৰ্ষিত কৰি আহিছে।

চাৰিসীমাৰ ফলৰ পৰা চাব গলে দেখা যায় যে অঞ্চলটিৰ পূব দিশত আছে প্ৰাচীন গোভা ৰাজ্য, পশ্চিমে আছে মায়ং পাহাৰ, দক্ষিণে আছে তেতেলীয়া আৰু ডিমৰীয়া ৰাজ্য আৰু উত্তৰে আছে চিৰপ্ৰবাহিত মহাবাহু ব্ৰহ্মপুত্ৰ। মায়ং নামটোৰ উৎপত্তি কেতিয়া, ক'ৰ পৰা আহিল সেই বিষয়ে কেইবাটাও জনমত দেখিবলৈ পোৱা যায়। এইবোৰক বিশ্লেষণ কৰাটো সম্ভৱপৰ নহয়। সি যি কি নহওক সৰহ সংখ্যকে মত পোষণ কৰিছে যে মায়ং ৰাজবংশাৱলীকে দাবী কৰাৰ দৰে মাইবং শব্দৰ পৰাই মায়ং নামটো উৎপত্তি হোৱা বুলি কয়।

যদিও বৰ্তমান মায়ঙত ৰাজ শাসন নাই কিন্তু পৰম্পৰা অনুযায়ী মায়ং বাসী ৰাইজে ৰজা তথা ৰাজপৰিষদবৰ্গৰ নীতি সমূহ আজি পৰ্যন্ত মানি আহিছে। অতীতত যে মায়ঙত ৰজা আছিল এই ৰাজ পৰিয়ালবৰ্গৰ পৰাই প্ৰমাণ পোৱা যায়। মায়ং ৰাজবংশাৱলী মতে ডিমাছা কছাৰী বংশৰ এটা ফৈদে এই ৰাজ্য শাসন কৰিছিল। কছাৰী ৰাজ্যৰ ৰাজকুমাৰ শূইনত্ব সিংহই গৃহ কন্দলত থাকিব নোৱাৰি কেইজন মান বিশ্বস্ত বিষয়া আৰু কেইজনমান সৈন্য-সামন্তৰ সৈতে সেই কছাৰী ৰাজধানী মাইবং ত্যাগ কৰি গুছি আহে। ১৫৩৮ দশকত জয় সিংহৰ কন্যা ফুলেশ্বৰীক বিয়া কৰাই মায়ঙত ৰাজ্য পাতি প্ৰথম জনা ৰজা হিচাপে সিংহাসন আৰোহণ কৰি ৰাজ্য শাসন কৰিব ধৰে।

তেতিয়াৰ পৰা বৰ্তমান লৈকে এই মায়ং ৰাজতে ৪০ জন ৰজা হয় আৰু বৰ্তমানৰ ৰজা তৰণীকান্ত সিংহ এই মায়ং মৰাজ্যৰ ৪০ তম্ ৰজা। বৰ্তমানৰ ৰজা তৰণীকান্ত দেৱক ২০০৩ চনৰ ব'হাগ মাহৰ ৩ তাৰিখে অভিষেক পাতি মায়ং ৰাজ্যৰ ৰাজসিংহ খন আৰোহণ কৰি আহিছে।

মায়ংখন অতি প্ৰাচীন কলৰে পৰা সাংস্কৃতিকভাৱে আগবঢ়া আছিল। অতি প্ৰাচীন কলতে আৰম্ভ কৰা কিছু উৎসৱ আজি পৰ্যন্ত চলি আছে। উদাহৰণ স্বৰূপে মায়ং ৰাজ্যৰ দশম জনা ৰজা শৰশ্চ চন্দ্ৰ সিংহৰ ৰাজত্ব কালতেই আৰম্ভ হোৱা গড়ভঙা আজিও মায়ঙীয়া ৰাইজে পালন কৰি আহিছে। বৰ্তমান মায়ঙীয়া ৰাইজে পালন কৰা গোঁসাই উলিওৱা উৎসৱ যে ৰজাই পালন কৰিছিল তাৰ প্ৰবাদ আছে। ১৬৬৮ খ্ৰীষ্টাব্দত ৰজা শৰশ্চ সিংহই ৰাজপাটত বহিয়েই তেওঁৰ বৰপুত্ৰ প্ৰেমচন্দ্ৰ সিংহ আৰু কেইজনমান বিষয় ববিয়াক লগত লৈ তীৰ্থ ভ্ৰমণ কৰিবলৈ ওলায় যায়। তেওঁ তীৰ্থ ভ্ৰমণ কৰি উভতি অহাৰ সময়ত দ্বীপৰ পৰা গোপাল, বাসুদেৱ, লক্ষ্মী, নাৰায়ন, হৰ, গৌৰী আৰু ৫ জনা গোঁসাইৰ মূৰ্তি আনি এই মায়ং ৰাজ্যত ৰজা তথা ৰাজবিষয়ববীয়া সকলৰ সৈতে এই গোঁসাই কেইজন ৰখাৰ সংকল্প লয়। সংকল্পবদ্ধ হৈ মায়ঙৰ ৰজাৰ লগতে মায়ংবাসী ৰাইজে প্ৰতি বছৰে ৫ম বহাগত হাতীমূৰীয়া বামুণ গোঁসাই থান আৰু ৬ষ্ঠ বহাগত বুঢ়ামায়ঙৰ ভগৱতী, কামাখ্যা ধাম আৰু কেচাইখাইটি থানলৈ লৈ যোৱাৰ পৰম্পৰা আজি পৰ্যন্ত পালন কৰি আহিছে। অতি গৌৰৱৰ বিষয় যে মায়ঙৰ বুকুত অনুষ্ঠিত কৰা এই উৎসৱ ৰজা শৰশ্চ সিংহৰ ৰাজত্ব কালৰ পৰা আৰম্ভ কৰি আজি প্ৰায় ৩৫০ বছৰ কাল অতি গৌৰৱৰে পাৰ হৈছে। এই পঞ্চম গোঁসাইক লৈ মায়ংবাসী ৰাইজে যি শোভা যাত্ৰা কৰে সেয়া এক সাংস্কৃতিক উপাদান আৰু ই এক আনন্দময়ক সৌন্দৰ্যৰ ওপচায় তোলে। আজি এই উৎসৱটিয়ে প্ৰায় ৩৫০ বছৰ অতিক্ৰম কৰিলেহি আৰু এই উৎসৱক বৰ্তমান ঐতিহাসিক গোঁসাই উলিওৱা উৎসৱ হিচাপে পৰিগণিত হৈ আহিছে। যদিহে এই উৎসৱ পালন নকৰে ৰজা তথা মায়ংবাসী ৰাইজৰ অমংগল হ'ব বুলি লোকবিশ্বাস আজি পৰ্যন্ত চলি আহিছে। আনহাতে এই উৎসৱৰ লগত পৰম্পৰাগত ভাৱে চলি অহা আন উৎসৱবোৰ যেনে- উৎসৱ পাৰ্বন, গুৰু তিথি, জন্মাষ্টমী, দৌল উৎসৱ, দুৰ্গাপূজা, লক্ষ্মীপূজা, কালী পূজাৰ লগতে নাম প্ৰসংগ, বিয়া আদিও অন্যতম। কিন্তু দুখৰ বিষয় এইটোৱে যে, বৰ্তমান বিশ্বায়নত সকলোবোৰে যেন

পৰিবৰ্তন হ'ব লাগিছে। আগতে যি বিহু উৎসৱ পালন কৰিছিল সেইয়া আজি নাই। নাই বুলি কলেও ভুল হ'ব আগৰ বিহু নাই বৰ্তমান সকলোবোৰ যেন এটি গোলকীয় কৰণত ৰূপান্তৰ হ'ব লাগিছে।

মায়ং ৰাজ্যৰ তন্ত্ৰ-মন্ত্ৰ বা যাদুৱে হৈছে প্ৰধানতঃ ঐতিহাসিক পৰিচয়। বৰ্তমান যেন তন্ত্ৰ-মন্ত্ৰ বুলি ক'লে ভাৰতৰ জনগণৰ মনলৈ অহা পোননটীয়া নামটোৱে হৈছে মায়ং। বৰ্তমান বিভিন্ন লোক বা তেনে ধৰণৰ বিভিন্ন ক্ষেত্ৰ অধ্যয়নৰ পৰা জানিব পৰা মতে লোক সমাজত চাঞ্চল্যৰ সৃষ্টি কৰিব পৰা কিছুমান ভয়ংকৰ তন্ত্ৰ-মন্ত্ৰৰ সাধনা আৰু চৰ্চা আছিল মায়ঙত, উদাহৰণস্বৰূপে কাৰোবাক মুহিবৰ বাবে আছিল মুহিনী মন্ত্ৰ, অদৃশ্য হৈ যোৱাৰ বাবে আছিল লুকি মন্ত্ৰ, বনৰীয়া জন্তু যেনে— বাঘক বশ কৰিবৰ বাবে আছিল বাঘ বন্ধা মন্ত্ৰ, মানুহক নিধনৰ বাবে আছিল টেকেলী বান্ধ আৰু ঠুমৰী বান, ৰোগ ব্যাধি জাপি দি মানুহক বেমাৰত পেলাবৰ বাবে আছিল বিষ বাণ, জ্বৰ বাণ, গ্ৰহণী বাণ, কোনো অসাধ্য কাম সাধনৰ বাবে মানুহক গভীৰ নিদ্ৰাত পেলাই ৰাখিবৰ নিমিত্তে আছিল বুধ নিবাৰণী মন্ত্ৰ। কাৰোবাক বন্দি কৰি ৰাখিবৰ বাবে আছিল পাশ মন্ত্ৰ। দুটা পক্ষ লগত কাজিয়া লগোৱাৰ বাবে আছিল পাশ মন্ত্ৰ আদি। ইয়াৰ বাহিৰেও আৰু অনেক মন্ত্ৰ আছিল। হয়তো কৈ থাকিলে শেষ নহ'ব। ইয়াৰ বাহিৰেও আৰু বিভিন্ন মন্ত্ৰ যেনে— মানুহক চকুৰ প্ৰচাৰতে ভেড়ালৈ ৰূপান্তৰ কৰা, বন্দুকৰ নলীয়েদি গুলিৰ পৰিৱৰ্তে পানী বোৱাব পৰা, আকাশেৰে জ্বলন্ত মাটিচাকি উৰুৱাব পৰা, তপিনাত পিৰা লগাব পৰা আদি মন্ত্ৰ আছিল বুলি মাঙৰ বয়োবৃদ্ধ লোকসকলে কয় যিবোৰ মন্ত্ৰৰ দ্বাৰা এনেধৰণৰ কামবোৰ কৰা হৈছিল তাৰে কিছুমান তন্ত্ৰ-মন্ত্ৰ আছিল মৌখিক তথা মুখে মুখে প্ৰচলিত আৰু আন কিছুমান আছিল লিখিত। যিবোৰ মন্ত্ৰ মুখেৰে অৰ্থাৎ মৌখিক আছিল তেনে বেজবোৰৰ মৃত্যু মুখেৰে অৰ্থাৎ মৌখিক আছিল তেনে বেজবোৰৰ মৃত্যু হোৱাত আজি বহু মন্ত্ৰ নাইকিয়া হ'ল মায়ঙৰ বুকুৰ পৰা। লগতে যিবোৰ লিখিত আছিল তুলপাত বা সাঁচিপাত আজিও তেনে মন্ত্ৰ পুথিবোৰ আছে মায়ং সংগ্ৰাহালয়ত। আজি কেইজনমান ব্যক্তিৰ বাবে এনে ধৰণৰ মন্ত্ৰ পুথিসমূহ সংৰক্ষণ হৈ আছে মায়ঙৰ এই সংগ্ৰাহালয়ত। অকল যে মায়ঙত প্ৰচলিত তন্ত্ৰ-মন্ত্ৰৰ পুথিবোৰৰ লগতে বাহে মায়ঙৰ ৰজা মহাৰজা সকলে ব্যৱহাৰ কৰা বিভিন্ন ধৰণৰ তন্ত্ৰ-মন্ত্ৰ, ৰজাই ব্যৱহাৰ কৰি অহা কাহি-বাটি, ৰাণী ৰাজকুমাৰীসকলে





পৰিধান কৰা বিভিন্ন ধৰণ আ-অলংকাৰ আদি। এইয়ে নহয় ইয়াৰ লগতে আছে আৰু অনেক সামগ্ৰী সি যি কি নহওক আজিও মায়ঙীয়া মানুহৰ ঘৰত ৩০০ তকৈও অধিক মন্ত্ৰ-পুথি সংৰক্ষিত হৈ আছে। যদিও অতীতত জানিছিল বা আজি লোক বিশ্বাস যে মায়ং এখন যাদুৰ ৰাজ্য। কিন্তু অতি দুখৰ বিষয় যে এই মন্ত্ৰ পুথিবোৰত থকা তন্ত্ৰ-মন্ত্ৰ সমূহৰ সাধন প্ৰণালীৰ আৰু প্ৰয়োগ বিধি জনা ব্যক্তি নতুন প্ৰজন্মৰ মাজত বিচাৰি পোৱাতো টান। যাৰ বাবে এই মন্ত্ৰ পুথিবোৰ বহুত ক্ষেত্ৰত প্ৰয়োগ কৰি ইয়াৰ কাৰিকৰী শক্তি তথা সত্যতা প্ৰমাণ কৰি চাবলৈ বৰ কঠিন।

মায়ং যে কেৱল তন্ত্ৰ-মন্ত্ৰ তথা যাদুৰ দেশ তেনে নহয়। মায়ঙৰ ইতিহাসো লেখত লবলগীয়া। মায়ং ৰাজ্যত বহুকেইখন গাঁও আছে আৰু তেনে গাঁও সমূহৰ ভিতৰত এখন হ'ল চনকা। আজিৰ পৰা দুই তিনিবছৰ মান আগলৈ এই গাঁওখন এটা দ্বীপক পৰিণত আছিল। গঞাই এই মায়ং পাহাৰেদি বগাই গৈ লইতৰ পাৰেদি এটি বিপদ সংকুল যাত্ৰাৰে দি অতিবাহিত কৰিছিল। এই গাঁওখন যিহেতু অহাযোৱা কৰাত বৰ কষ্ট আৰু বিভিন্ন সমস্যাৰ বাবে এই চনকা গাঁওখন আজিও বিদ্যুৎ সংযোগৰ পৰা বিচ্ছিন্ন। যান্ত্ৰিকতাৰ বহু নিলগত হোৱাৰ বাবে আৰ্থ সামাজিক তথা শৈক্ষিক দিশত বহুত পিছপৰি ৰ'ল। চনকা খন পাহাৰেৰে আবৃত হোৱাৰ বাবে পলমকৈ সূৰ্যোদয় আৰু সোনকালে সূৰ্যাস্ত হয়। সঁচাকৈ চনকা এক প্ৰকৃতিৰ অনন্য সৃষ্টি।

চনকা নামটোৰ উৎপত্তি সম্পৰ্কে বহুকেইটা জনপ্ৰবাদ আছে। প্ৰবাদ মতে সৰ্প দংশনত মৃত্যু হোৱা লক্ষীন্দৰৰ মৰাশ লৈ উজাই অহাত বুঢ়ালুইতৰ বুকুৰে বেউলাক এই ভূ-খণ্ডতে সানেকাৰ ৰূপ ধাৰণ কৰি মনসা দেৱীয়ে চলনা কৰিছিল। এই সানেকাৰ পৰাই কালক্ৰমত চনকা হোৱা বুলি কোৱা হয়। মায়ং ৰাজ্যৰ প্ৰথম জন ৰজা তথা শূইনত্ব সিংহই এই চনকাতেই ৰাজধানী পাতিছিল বুলি জনা যায়। তাৰ প্ৰমাণস্বৰূপে আজিও ৰজাৰ ভেটি এই চনকাত দেখিবলৈ পোৱা যায়। অষ্টম-নৱম শতিকাৰ পৰাই এই চনকাখন প্ৰত্নতাত্ত্বিক দিত অতি চহকী। চনকাৰ ভূ-খণ্ডত উদ্ধাৰ হোৱা সূৰ্য্যচক্ৰ, অষ্টদল পদ্ম, ষষ্ঠদশ ভূজীযন্ত্ৰই ইয়াৰ সত্যতা প্ৰমাণ কৰে।

চনকাৰ দৰে এই ঐতিহাসিক মায়ঙৰ অবিচ্ছেদ্য এখনৰ ঠাই হ'ল কাজলি চকী। কলং-কপিলী চিৰপ্ৰবাহিত বুঢ়ালুইতৰ সংগমস্থলী এই কাজলী চকী। আহোমসকলৰ ৰজা তথা স্বৰ্গদেউ চুখামফাৰ মৃত্যুৰ পিছত পুতেক প্ৰতাপ সিংহ সিংহাসনত উঠে।

স্বৰ্গদেউ প্ৰতাপ সিংহই সু-শাসনৰ বাবে মধ্য অসমত তিনিটা চকী স্থাপন কৰিছিল ।সেই চকী কেইটা হ'ল ৰহা চকী, জাগী চকী আৰু মায়ঙৰ কাজলি চকী। মোগলসকলৰ অসম আক্ৰমণৰ সময়ত মায়ঙৰ কাজলি চকী আছিল বৰ অসমৰ দুৱাৰ মুখস্বৰূপ। ইয়াত উদ্ধাৰ হোৱাত বহু সংখ্যক বাৰুদ মায়ঙৰ সংগ্ৰাহালয় আৰু গৱেষণা কেন্দ্ৰত সংৰক্ষিত আছে। প্ৰবাদ মতে এই কাজলি পাহাৰৰ শিলত বহিয়েই লাচিত বৰফুকন আৰু আতন বুঢ়াগোসাইয়ে শৰাইঘাটৰ ৰণৰ কৌশল ৰচিছিল। সেইয়া কিমান দূৰ সচা জনা নাযায়। আনহাতে কছাৰীবীৰ জোঙালবলহুৰ এই কাজলি চকীতেই কৰুণভাৱে মৃত্যু ঘটিছিল। শত্ৰুৰ পৰা প্ৰাণ ৰক্ষা পাবলৈ কলঙৰে পলাই আহি এই কাজলিৰ সমীপৰ গৰুবন্ধাত তেওঁ নিজেই পতা ডিঙৰীত আবদ্ধ হৈছিল। তেনেস্থলত তাতেই তেওঁক বাঁহেৰে কৰুণভাৱে হানি খুচি মাৰিছিল। যাৰ প্ৰমাণ হিচাপে আজিও দুটা শিলাখণ্ড কলঙৰ বুকুত থিয় হৈ আছে।

শ্ৰীমন্ত শংকৰদেৱৰ নাতি -বোৱাৰী কনকলতা আই অনন্ত আতাৰ সৈতে গুৰুজনাৰ জন্মভিটা উদ্ধাৰ কৰিবলৈ লুইতেদি আহি সোনাইত সোমাইছিল। পিছৰ অনন্ত আতাই মায়ঙতেই কালশিলা সত্ৰ স্থাপন কৰিছিল। বৰ্তমান এই সত্ৰখন নাই যদিও কিন্তু ঠাইখনি আজিও কালশিলা নামেৰে জনাজাত।

মায়ং ৰাজ্যৰ ৰজাৰ দিনৰে পৰা বিভিন্ন জন-জাতি, উপজাতি আদিয়ে বসবাস কৰি আহিছে। মায়ং অঞ্চলত বড়ো, কাৰ্বি, মিকিৰ, কোঁচ, কলিতা, যোগী, কেওট, আহোম, নেপালী, নদীয়াল, কৈৱৰ্ত্ত, বঙালী আদি লোকৰে বসতিপূৰ্ণ এটা এলেকা। এই মায়ং ইয়ে নহয় ইয়াৰ বাহিৰেও অনেক কাৰণৰত মায়ং বিখ্যাত। এই মায়ং ৰাজ্যত আছে এছিয়াৰ ভিতৰত শিলত কটা আটাইতকৈ দীঘল শিলালিপি। সেইবাবে বিখ্যাত মায়ং। মায়ং বিখ্যাত বিশ্বৰ অজস্ৰ গণেশ মূৰ্ত্তিৰ বাবে , মায়ং বিখ্যাত বিভিন্ন ধৰণৰ মঠ মন্দিৰ যেনে নৰসিংহ মূৰ্ত্তি বিখ্যাত বিভিন্ন ধৰণৰ মঠ মন্দিৰ যেনে নৰসিংহ মূৰ্ত্তি, শিৱ পাৰ্বতীৰ যুগল মূৰ্ত্তি আদিৰ বাবে। ইয়াৰ উপৰিও মায়ঙত আছে অতীতৰ ব্যৱহাৰ হোৱা বিভিন্ন ধৰণৰ সামগ্ৰী।

সদৌ শেষত মায়ঙৰ দৰে এখন ঐতিহাসিক , বুৰঞ্জীমূলক ঠাইত সিঁচৰিত হৈ থকা বিভিন্ন শিলাখণ্ড, লিপি, বিভিন্ন ধৰণৰ মূৰ্ত্তি আদিৰ কিছুমান আজিও বিলুপ্ত তথা যিবোৰ উদ্ধাৰ হৈছে সেইবোৰৰো পাঠোদ্ধাৰ হোৱা নাই। পাঠোদ্ধাৰ হোৱা

হয় হয়তো আমি এই মায়ংৰাজ্য ততা মায়ং ঠাইখনৰ বিষয়ে আৰু কিছুমান কথা জানিব পাৰিলোহেতেন।

প্ৰসংগ গ্ৰন্থ আৰু নিবন্ধসমূহঃ

১। মায়ঙৰ ইতিহাস- লোকেন্দ্ৰ হাজৰিকা
২। ইতিহাস প্ৰসিদ্ধ মায়ং- লোকেন্দ্ৰ হাজৰিকা
৩। পুতভূমি মায়ঙৰ মনি মুকুটা- লোকেন্দ্ৰ হাজৰিকা
৪। ইতিহাস প্ৰসিদ্ধ মায়ঙৰ পুৰাতাত্বিকসমল।

-0-0-0-

## মহৎ লোকৰ বাণী

" যুদ্ধত এবাৰ ভুল সিদ্ধান্ত লোৱা আৰু পত্নীগৰাকীক বাছি লোৱাত ভুল কৰা, একেই কথা। দুয়োটা ভুলেই মানুহৰ জীৱনলৈ অন্ধকাৰ নমাই আনিব পাৰে।"


- মিডলটন

"ৰাজনীতিয়ে মানুহৰ মন আৰু সমাজক ডোখৰ-ডোখৰ কৰি পেলায়, তাক জোৰা লগাব পাৰে কেৱল সংস্কৃতিয়ে।"

- ড০ সৰ্বপল্লী ৰাধাকৃষ্ণণ







# ছাত্ৰ জীৱনৰ শৃংখলাবোধ

হিৰণজ্যোতি ডেকা
তৃতীয় ষান্মাসিক
অসমীয়া বিভাগ

আৰম্ভণি ঃ ছাত্ৰ জীৱনেই হৈছে মানুহৰ জীৱনৰ আৰম্ভণী স্তৰ। এই স্তৰত যদি মানুহে নিজৰ নিজৰ জীৱন ঠিক মতে গঢ় দি নলয় তেতিয়া হ'লে মানুহে পিছৰ জীৱনত উন্নতি সাধন কৰিবলগীয়া হয়। তেতিয়াহলে শৃংখলাবোধ বা অনুশাসনে মানুহৰ জীৱন সু-সংহত কৰি তোলে। সেয়ে ছাত্ৰ জীৱনটো শৃংখলাৰ মাজেৰে অতিবাহিত কৰিব লাগে।

ছাত্ৰ জীৱনৰ বিভিন্ন দিশতে শৃংখলাৰ অনুশীলন ঃ ছাত্ৰৰ মূল কৰ্তব্য অধ্যয়ন। এই পবিত্ৰ কৰ্তব্য পালন কৰি যাওঁতে ছাত্ৰসকলে বিভিন্নজনৰ সৈতে সম্পৰ্ক ৰক্ষা কৰিব লগাহয়। ছাত্ৰসকলে শিক্ষকৰ সৈতে সম্পৰ্ক ৰক্ষা কৰিব লগা হয় আৰু অন্য কিছুমান কৰ্মও পালন কৰিব লগা হয়। ছাত্ৰসকলে শিক্ষকৰ সৈতে সম্পৰ্ক স্থাপন কৰিব লাগে, গতিকে শিক্ষকৰ সৈতে ব্যৱহাৰৰ ক্ষেত্ৰতো শৃংখলা অনুসৰণ কৰিব লাগে। শিক্ষকৰ প্ৰতি শ্ৰদ্ধা আৰু সেৱাৰ মনোভাব লৈ আগবাঢ়িবলৈও শৃংখলা একান্ত প্ৰয়োজন। ছাত্ৰ সকলে তেওঁলোকৰ অভিভাৱক বা পৰিয়াল বৰ্গৰ অন্যান্য সদস্যৰ সৈতে জীৱন নিৰ্বাহ কৰোঁতে নীতি নিয়ম বা শৃংখলাৰ মাজেৰে যাব লাগিব। সেইদৰে ছাত্ৰ সকলে সমাজৰ অন্যান্য লোক সকলৰ সৈতে কৰা ব্যৱহাৰৰ ক্ষেত্ৰতো নীতি-নিয়ম বা শৃংখলা পালন কৰি লাগে।

**ৰাজনীতিৰ সৈতে ছাত্ৰৰ সম্পৰ্ক আৰু শৃংখলা ঃ**

ছাত্ৰ-ছাত্ৰী সকল সমসাময়িক ৰাজনীতিৰ সৈতে সম্পৰ্ক ৰক্ষা কৰিব লাগে নে নাই এই বিষয়ত বৰ্তমানেও বিতৰ্ক চলি আছে যদিও ছাত্ৰ-ছাত্ৰীসকলে ৰাজনীতি বিষয়ক জ্ঞান আহৰণ কৰি নিজৰ মন্তব্য প্ৰকাশ কৰিব লাগে। সেই বুলি ছাত্ৰ-ছাত্ৰীসকলে কেতিয়াও সক্ৰিয় ৰাজনীতিত অংশ গ্ৰহণ কৰা উচিত নহয়। ছাত্ৰ-ছাত্ৰীসকলে ৰাজনীতিত পৰোক্ষ প্ৰভাৱ পেলানেও সেই ক্ষেত্ৰতো শৃংখলাৰ মাজেৰেহে যাব লাগিব। ৰাজনৈতিক নেতাৰ প্ৰভাৱত ছাত্ৰ-ছাত্ৰীয়ে কোনো প্ৰকাৰেই প্ৰৰোচিত হ'ব নলাগিব।

**সমাজ সেৱামূলক কৰ্ম আৰু শৃংখলা ঃ**

ছাত্ৰসকলে বৰ্তমান সময়ৰ মানুহক উন্নতিৰ পথত অগ্ৰসৰ কৰিবলৈ বিভিন্ন প্ৰকাৰৰ সমাজ সেৱামূলক কৰ্মত ব্ৰতী হওব লাগিব। যদিও সেইবোৰ কৰ্মতো নিৰ্দিষ্ট শৃংখলা মাজেৰেহে আগবাঢ়িব লাগিব। বৰ্তমান সমাজ ব্যাপক দুৰ্নীতি , অনাচাৰ, মূল্যবোধহীনতা আদিৰে ভৰপূৰ। এনেবোৰ দুৰ্নীতি , অনাচাৰ,

মূল্যবোধহীনতা আদি দেখি কোমল বয়সৰ ছাত্ৰ-ছাত্ৰী মনত সেইবোৰ আঁতৰাবলৈ এদিনতেই তীব্ৰ স্পৃহা জাগে যদিও, তেওঁলোকে অসই কাম কৰিবলৈ যাঁওতে প্ৰচলিত নীতি নিয়ম বা শৃংখলাৰ মাজেৰেহে আগবাঢ়িব লাগে। আৱেগৰ বশৱৰ্তী হৈ অনাচাৰি সকলৰ ওপৰত নিজৰ ফালৰ পৰা শাস্তি দিবলৈ গ'লে সমাজত বিশৃংখলতাৰহে সৃষ্টি হ'ব। গতিকে এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে শৃংখলাৰ পথ অনুসৰণ কৰিব লাগে।

**সামাজিক পৰম্পৰা ৰক্ষা আৰু শৃংখলা ঃ**

ছাত্ৰ সকলে সমাজৰ পৰম্পৰা ৰক্ষা কৰাৰ ক্ষেত্ৰতো শৃংখলাৰ মাজেৰেই আগবাঢ়িব লাগিব। ভাৰতীয় ছাত্ৰসকল যিহেতু ভাৰতৰেই সম্পদ, ভাৰতীয় ধ্যান ধাৰণা আৰু পৰম্পৰা ৰক্ষা কৰাটো তেওঁলোকৰ এটা কৰ্তব্য। কিন্তু সেই বাটত আগবাঢ়োতেও তেওঁলোকে যথেষ্ট সজাগতা অৱলম্বন কৰি শৃংখলাবদ্ধ জীৱন কটাব লাগিব। তেতিয়াহে তেওঁলোকে সেই পৰম্পৰা ৰক্ষা কৰাত সফল হ'ব।

**শৃংখলাবোধ উন্নতিৰ কাৰক ঃ**

শৃংখলাবোধ ব্যক্তি, সমাজ, জাতি অথবা দেশৰ উন্নতি কাৰক। মানৱ সভ্যতাৰ বিকাশৰ মূলতো মানুহৰ সু-শৃংখল আৰু সুসংহত কৰ্মোদ্যম নিহিত থাকে। শৃংখলা অবিহনে কাৰো সুখ নাই, আনন্দ নাই, কল্যাণ নাই আৰু শান্তিও নাই। সেই অশান্ত নিৰানন্দময়, দুৰ্যোগপূৰ্ণ বিশৃংখল, অৰাজকতাত মানৱ জীৱন উপস্থিত হয় অন্তিম লগ্নত। শৃংখলাবদ্ধ নিয়মানুৱৰ্তী সু-সংহত এটি সৈন্য দলেও বিশাল পৰাক্ৰমী নিয়ম শৃংখলাবিহীন সৈন্য দলেও পৰাজয় কৰি সম্মান কঢ়িয়াই অনা দৃষ্টান্ত বিশ্ব ইতিহাসত অনেক পোৱা যায়। সেইবোৰে পৰাজয় বা ধ্বংসৰ গ্লানিৰ পৰা মুক্ত হ'বলৈ হলে সকলে পৰা মানুহে শৃংখলাবোধৰ অনুশীলন কৰা আৱশ্যক।

**শৃংখলাবোধ অনুশীলনৰ সময় ঃ**

জীৱনত শিকিবলগীয়া সমস্ত কামৰ বাবে উপযুক্ত সময় হৈছে ছাত্ৰ অৱস্থা। ছাত্ৰ জীৱনেই শৃংখলাবোধ নিয়মানুবৰ্তি তা আৰু কৰ্তব্য পৰায়ণতা অনুশীলনৰ উপযুক্ত সময়। এই কোমল মানৱ মাটিডৰাত শৃংখলাবোধ আৰু নিয়মানুবিৰ্ততাৰ শইচ চটিয়াৰ পাৰিলে পিছলৈ তাতেই অমৃত ফল ধৰিব। সেয়ে ভাৰতবৰ্ষ বৈদিক যুগৰ পৰা ছাত্ৰ সমাজৰ মাজত

কঠোৰ ব্ৰহ্মাচৰ্য পালনৰ দৃঢ় নিৰ্দেশ দিয়া হৈছিল। গুৰুসকলৰ এ নিৰ্দেশ মানি শিষ্যসকলে জীৱনৰ বাবে আৱশ্যকীয় বিধি শিক্ষ গ্ৰহণ কৰিব লগা হৈছিল। শৃংখলানুশীলন আৰু নিয়মানুৱৰ্তিত সকলো দেশৰ ছাত্ৰ সমাজে অনুশীলন কৰিবলগীয়া বিষয় শৃংখলাবোধ প্ৰকৃত পক্ষে জীৱন গঠনৰ বোধন মন্ত্ৰ। কিন্তু অৰ্থহীন নিয়ম শৃংখলাৰ কবলত পৰি যাতে ছাত্ৰ জীৱন অথলে নাযায় তাৰ প্ৰতিও ছাত্ৰ সমাজ সাৱধান থকা উচিত।

**বৰ্তমানৰ ছাত্ৰ উচ্ছৃঙ্খলতাৰ কাৰণ ঃ**

এতিয়া প্ৰায় সকলো মানুহকে এটা কথাই উদ্বিগ্ন কৰি তুলিছে, সি হৈছে ছাত্ৰ সমাজৰ শৃংখলাবোধৰ অভাৱ আৰু যুৱক সমাজৰ উচ্ছৃঙ্খলতাৰ বৃদ্ধি।এতিয়া যেন ছাত্ৰ-ছাত্ৰী আৰু যুৱক সমাজ হতাশা আৰু অনিশ্চয়তাত ভূগিছে। তেওঁলোকে যেন আজি তেওঁলোকৰ দুৰ্লভ জীৱনৰ প্ৰতি উদাসীন হৈ জীৱনৰ মহৎ উদ্দেশ্য সাধনৰ প্ৰতি বিতশ্ৰদ্ধ হৈ উচ্ছৃঙ্খলভাৱে জীৱন কটাব খোজে। ছাত্ৰ সমাজৰ উচ্ছৃঙ্খলতাৰ স্বাক্ষৰ হাটো-ঘাটে, বাটে-পথে, স্কুলে-কলেজে, পৰীক্ষাগৃহে আৰু উৎসৱে পাৰ্বনে বিৰাজমান। বৰ্তমান স্বাধীন চৰকাৰেও দেশত মদ-ভাঙৰ তথা সস্তীয়া কথা ছবি প্ৰচলন কৰিছে। ইয়াৰ কু-প্ৰভাৱে ছাত্ৰ-ছাত্ৰীসকলক উচ্ছৃঙ্খলতাৰ শিক্ষাহে দিছে। এই দেশত অকল ছাত্ৰ সমাজক তিৰস্কাৰ কৰিলেই নহয়, দোৰ কল্যাণকমী চৰকাৰে সমাজৰ অহিতকাৰী ৰাগিয়াল দ্ৰব্যাদিৰ লগতে কথাছবি সমূহকো বিলুপ্ত কৰাৰ ব্যৱস্থা কৰিব লাগে। দেশত সুশৃংখল আৰু শক্তিমান যুৱ সমাজ তথা ছাত্ৰ সমাজে গঢ়িব নোৱাৰিলে দেশৰ ভৱিষ্যত অন্ধকাৰ। এই বিষয়ে পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰী, সমাজ আৰু চৰকাৰৰ দায়িত্বও নোহোৱা নহয়।

**সামৰণি ঃ**

শৃংখলতাই যে জীৱনৰ উন্নতিৰ মূল এই কথা ছাত্ৰ সমাজে হৃদয়ঙ্গম কৰিব লাগিব। বিশৃংখলভাৱে আগবাঢ়িলে যে জীৱনত জয় লাভ নহয় এই কথা বুজি লৈ ছাত্ৰসকলে জীৱনৰ অধ্যয়ন আৰু অন্যান্য সকলো ক্ষেত্ৰতেই শৃংখলাৰে আগবাঢ়িব লাগিবই। তেনে কৰিলে তেওঁলেকাৰ ব্যক্তিগত উন্নতিৰ লগতে সমাজৰো মংগল সাধন হ'ব।

-0-0-0-



# কবিতাৰ ফুঁকি